
# আগকথা

**বিদ্যা প্ৰৱেশ ঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ অনুমোদনক্ৰমে প্ৰথম শ্ৰেণীৰ শিশুৰ বাবে তিনিমহীয়া খেলভিত্তিক বিদ্যালয় প্ৰস্তুতি মডিউলৰ নিৰ্দেশাৱলী প্ৰস্তুত কৰা হৈছে। বিশেষকৈ কভিড-১৯ৰ এই সময়খিনিত শিশুসকলে প্ৰথম শ্ৰেণীত নামভৰ্তি কৰি যাতে এটা উমাল আৰু সমাদৃত পৰিৱেশ পাব পাৰে আৰু তেওঁলোকে বিদ্যালয়ৰ পৰিৱেশৰ লগত সহজভাৱে খাপ খাব পাৰে সেই বিষয়ে নিশ্চিত হ'বলৈ শিক্ষক/শিক্ষয়িত্ৰীসকলক সহায় কৰাই হৈছে এই মডিউলৰ মূল উদ্দেশ্য।


নিৰ্দেশাৱলীখনে এক উদ্দীপনাময় শিকন পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে, যি পৰিৱেশ শিশুসকলৰ বাবে আনন্দদায়ক, নিৰাপদ আৰু আবেগিক নিৰাপত্তাদায়ক হ'ব আৰু বিদ্যালয় তথা ঘৰত সকলো শিশুৰ প্ৰতি সকলোৱেই সমৰ্থনৰ হাত আগবঢ়াব। শিশুৰ শিকনৰ বাবে এক চাপমুক্ত আনন্দময় পৰিৱেশ সৃষ্টি কৰাৰ ক্ষেত্ৰত খেলভিত্তিক শিক্ষাদান শৈলী হৈছে নিৰ্দেশাৱলীখনৰ এটা তাৎপৰ্যপূৰ্ণ দিশ। বিশেষভাৱেসক্ষম শিশুসকলৰ শিকন প্ৰয়োজনীয়তাৰ প্ৰতিও এই নিৰ্দেশাৱলীয়ে গুৰুত্ব প্ৰদান কৰিছে। মাতৃভাষা বা ঘৰুৱা ভাষাৰ জৰিয়তে শিকনৰ প্ৰতিও আলোকপাত কৰা হৈছে আৰু বিদ্যালয়লৈ আহোঁতে শিশুৱে শিকি অহা যিকোনো ভাষাক শিকনৰ মাধ্যম হিচাপে গুৰুত্ব দিবলৈ কোৱা হৈছে। বিশেষভাৱেসক্ষম শিশুসকলৰ প্ৰয়োজনৰ ভিত্তিত সাংকেতিক ভাষাকো শ্ৰেণীকোঠাৰ আদান-প্ৰদানৰ বাবে সামৰি লোৱা হৈছে।

প্ৰাক্ শৈশৱকালৰ বিকাশৰ দক্ষতা, যতন আৰু শিক্ষা আহৰণৰ বাবে ৩ মাহ বা ১২ সপ্তাহৰ মধ্যৱৰ্তীকালিন প্ৰস্তুতিৰ বাবে এই নিৰ্দেশাৱলীয়ে পৰামৰ্শ প্ৰদান কৰিছে। অন্ততঃ ২০৩০ চনৰ ভিতৰত যাতে সকলো শিশুৱে বিদ্যালয়ৰ প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত হ'ব পাৰে সেইটো সুনিশ্চিত কৰাৰ লক্ষ্যেৰে ৩ মাহ বা ১২ সপ্তাহৰ মধ্যৱৰ্তীকালিন প্ৰস্তুতিত নিৰ্দেশাৱলীয়ে গুৰুত্ব প্ৰদান কৰিছে।

'বিদ্যা প্ৰৱেশ' হৈছে 'নিপুণ ভাৰত'ৰ এক এৰাব নোৱাৰা অংশ। 'নিপুণ ভাৰত'- ভাৰত চৰকাৰৰ 'বুনিয়াদী স্বাক্ষৰতা আৰু সাংখ্যিকতা'ৰ এটি ৰাষ্ট্ৰীয় মিছন প্ৰাক্ বিদ্যালয়ত বা বালভাটিকাৰ শিকন ফলাফল আৰু মুখ্য অৰ্হতাসমূহ বিদ্যাপ্ৰৱেশৰ লগত একে থাকাতে আছে।




*চিত্ৰ-১ মডিউল আদান-প্ৰদানৰ স্তৰ*



FLN মিছনৰ উদ্দেশ্য হৈছে সকলো শিশুকে বোধৰ সৈতে পঠনৰ ক্ষেত্ৰত দক্ষ কৰা, অৰ্থাৎ পাঠ পঢ়ি বুজি পোৱা হোৱা, সঁহাৰি জনাবলৈ শিকোৱা আৰু বুজিলৈ নিজে লিখিব পৰা কৰা। সংখ্যা, জোখ আৰু আকাৰৰ ক্ষেত্ৰখনৰ যুক্তিযুক্ততা বুজি পোৱা আৰু স্বতন্ত্ৰভাৱে সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত দক্ষতা আহৰণ কৰোৱা। ইয়াৰ উদ্দেশ্যে হৈছে তৃতীয় শ্ৰেণীৰ শেষত দেশৰ সকলো শিশুৱে যাতে সাক্ষৰতা আৰু সাংখ্যিকতাৰ ধাৰণা প্ৰয়োজন অনুসৰি আয়ত্ত কৰিব পাৰে সেয়া নিশ্চিত কৰা আৰু ২০২৫ৰ ভিতৰত পঞ্চম শ্ৰেণীৰ পাছলৈ যাতে এই ধাৰণাসমূহ আয়ত্ত কৰিবলৈ থাকি নাযায় সেইয়া এই মিছনৰ লক্ষ্য। খেল, কথা বতৰাৰ বিনিময়, কাৰ্যপত্ৰ আদিৰ মাধ্যমেৰে শিশুসকলক ভিন ভিন শিকন অভিজ্ঞতা প্ৰদানৰ বিষয়ে নিৰ্দেশাৱলীয়ে পৰামৰ্শ আগবঢ়াইছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত দিয়া নিৰ্দেশনাৰ আধাৰত প্ৰথম শ্ৰেণীৰ শিশুসকলৰ বাবে নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ ক্ৰিয়া-কলাপলৈ যোৱাৰ পূৰ্বে ১২ সপ্তাহ নাইবা তিনিমাহৰ খেল আৰু ক্ৰিয়া-কলাপভিত্তিক শিকন অভিজ্ঞতাৰ লগত শিশুক পৰিচয় কৰোৱাৰ বাবে অনুমোদন জনোৱা হৈছে

এইটো মনকৰিবলগীয়া কথা যে, অনুমোদিত শিকন শৈলীৰ প্ৰক্ৰিয়া ১২ সপ্তাহ বা ৩ মাহৰ ভিতৰতে সীমাবদ্ধ নহয়। বৰঞ্চ, ই সম্পূৰ্ণ বুনিয়াদী স্তৰৰ বাবে প্ৰযোজ্য হোৱাটো আশা কৰা হৈছে। যিহেতু প্ৰথম শ্ৰেণীলৈ অহা শিশুসকল বিভিন্ন ঘৰুৱা পৰিৱেশ আৰু প্ৰাক্ বিদ্যালয় পৰিৱেশৰ পৰা শিকনৰ বাবে বিদ্যালয়লৈ আহে, শিকনৰ বুনিয়াদ গঢ়াৰ এই গোটেই সময়খিনিলৈকে শিকনধাৰা অব্যাহত থকাৰ আশা কৰা হৈছে। এনেদৰে অনুমোদন জনোৱাৰ পটভূমি হ'ল সাম্প্ৰতিক সময়ত প্ৰাথমিক বিদ্যালয়ৰ বৃহৎ সংখ্যক শিশুৱে "শিকন বিপৰ্যয়"ৰ মুখামুখি হৈছে। গণনা কৰি পোৱা তথ্য মতে প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় ৫ কোটি শিশুৱে সাক্ষৰতা আৰু সাংখ্যিকতাৰ প্ৰাথমিক জ্ঞানখিনিও আহৰণ কৰিব পৰা নাই অৰ্থাৎ, পঠন দক্ষতা আৰু পাঠ পঢ়ি বুজি পোৱা আৰু যোগ বিয়োগৰ প্ৰাথমিক জ্ঞান আয়ত্ত কৰিব পৰা নাই (NEP 2020)।

> সকলো শিশু বিদ্যালয়ৰ বাবে প্ৰস্তুত হোৱাটো নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে অনুমোদন জনাইছে তিনিমহীয়া খেলভিত্তিক বিদ্যালয় প্ৰস্তুতি মডিয়ুলটোত সকলো প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ্ণমালা, ধ্বনি, শব্দ, ৰং, আকৃতি, সংখ্যা শিকন সামৰি ক্ৰিয়া-কলাপ আৰু কৰ্মপুথিৰ কথা ভবা হৈছে। ইয়াৰ লগতে সমনীয়া আৰু পিতৃ-মাতৃৰ সহযোগিতাকো অন্তৰ্ভুক্ত কৰা হৈছে। এই সকলোবোৰ NCERT আৰু SCERT-এ মডিয়ুলটো প্ৰস্তুত কৰি উলিয়াব (NEP-2020)।

কিছুমান শিশু প্ৰথম শ্ৰেণীলৈ পোনে পোনে আহিব পাৰে, কোনোবা হয়তো অংগনবাড়ীৰ জৰিয়তে আৰু একাংশ বেচৰকাৰী প্ৰাক্ বিদ্যালয়ৰ পৰা আহিব পাৰে। প্ৰায়বোৰ ক্ষেত্ৰতে দেখা যায় যে তেওঁলোকে প্ৰাক্ বিদ্যালয় শিক্ষাৰ সামান্য বা অকণো দক্ষতা আহৰণ নকৰাকৈয়ে আহে। ফলস্বৰূপে প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ বাবে প্ৰয়োজনীয় ভাষা, সংখ্যা আদিৰ ধাৰণা নোহোৱাকৈয়ে শিশুসকল প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত হয়। গৱেষণাই পুনৰ এই কথাও প্ৰকাশ কৰিছে যে, বহুতো শিশুৰ সীমিত ভাষা আৰু সজ্ঞানাত্মক ধাৰণাৰে ৫/৬ বছৰ বয়সত বিদ্যালয়ত নামভৰ্তি হয়, অথচ তেওঁলোকক সাক্ষৰতা আৰু সংখ্যাজ্ঞান বিদ্যালয়ৰ বুনিয়াদী স্তৰত সফলতাৰে কৃতকাৰ্য হোৱাৰ বাবে পূৰ্ব প্ৰস্তুতি প্ৰয়োজন

> **বুনিয়াদী সাক্ষৰতাই** মৌখিক ভাষা, ছপা সজাগতা, ধ্বনি সজাগতা, কিতাপ এখন শুদ্ধকৈ ধৰিব জনা, শব্দ সম্ভাৰ, বৰ্ণ আৰু ধ্বনিৰ মাজত মিল, বৰ্ণ মালাৰ চিনাক্তকৰণ, পদ্য গোৱা, আদি সামৰি লয়

> **বুনিয়াদী সাংখ্যিকতাই** আকাৰ, আকৃতি, ৰং, স্থানিক জ্ঞান, একক সংহে জন, শ্ৰেণী বিভাজন, ক্ৰম অনুসৰি সজোৱা, চানেকি তৈয়াৰ কৰা, ক্ৰম অনুসৰি চিন্তা কৰা, সংখ্যাৰ ধাৰণা, তথ্য পৰিচালনা আদিৰ ধাৰণাক সাঙুৰি লয়

শিকনত বৈ যোৱা এই শিকন ব্যৱধানৰ পঞ্জীভূত ফলে শিশুৰ ভৱিষ্যত উচ্চ শ্ৰেণীৰ শিকনতো ধাৰাবাহিক প্ৰভাৱ পেলায়। ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এই সমস্যাৰ দ্ৰুত সমাধানৰ বাবে মিছন মুডেৰে শিশুসকলক প্ৰথম শ্ৰেণী (গ্ৰেড-১)ৰ বাবে প্ৰস্তুতি নিশ্চিত কৰিবলৈ আহ্বান জনাইছে।

বুনিয়াদী স্তৰত সাক্ষৰতা আৰু সংখ্যাৰ ধাৰণাৰ বাবে শিশুসকলক সহায় কৰিবলৈ শিকন অভিজ্ঞতাৰ নক্সা প্ৰস্তুত কৰাৰ প্ৰয়োজন আছে। দক্ষতা আহৰণ কৰা এই প্ৰক্ৰিয়াৰে তেওঁলোকক প্ৰাক্-প্ৰাথমিক স্তৰৰ বাবে শক্তিশালী কাঠামো গঠনত সক্ষম কৰিব। ক্ৰিয়া-কলাপসমূহে শিশুসকলক ইজনে সিজনক সহায় কৰা, বিনিময় কৰা, বিদ্যালয়ৰ ৰুটিন মানি চলা, নতুন পৰিৱেশত সমাযোজন কৰিবলৈ শিকা আৰু নিৰ্দিষ্ট সময়ৰ বাবে একোটা কাৰ্য/ক্ৰিয়া-কলাপত মনোযোগী হোৱা আৰু ক্ৰমান্বয়ে মনোযোগৰ পৰিসীমা বঢ়াই যোৱা আদি দক্ষতাসমূহৰ বিকাশ সাধনত সুযোগ প্ৰদান কৰিব। এইদৰে, শিশুসকলে স্বাভাৱিকভাৱেই বিষয়টোত কেন্দ্ৰীভূত কৰিবলৈ শিকিব আৰু তেওঁলোকৰ সমগ্ৰ শিকনেই অতি ফলপ্ৰসূ হ'ব। পৰীক্ষা-নিৰীক্ষা, অন্বেষণ, সমস্যা সমাধান, মননশীল চিন্তন, আনৰ লগত ফলপ্ৰসূ ভাব বিনিময় কৰা, সাংস্কৃতিক বৈচিত্ৰ্যৰ বিষয়ে শিকা আৰু নৈতিক মূল্যবোধ আদিৰ বাবে শিশুসকলক সুযোগ প্ৰদান কৰা উচিত। আৱেগিক ভাৰসাম্য, যোগ্যতা, স্মৃতিৰ উন্নতি, মানসিক সক্ৰিয়তা, শাৰীৰিক সক্ষমতা আহৰণৰ বাবে যোগাসন, নৃত্যকলা, ব্যায়াম আৰু ক্ৰীড়া আদি পেশীয় বিকাশৰ কাৰ্যকলাপবোৰ বিদ্যালয় প্ৰস্তুতিৰ নিয়মীয়া কাৰ্যসূচী হ'ব লাগে

এই প্ৰক্ৰিয়াৰ মাজেদি দৃঢ়তা, অভিবোচন আৰু শিকন শক্তিৰ বিকাশ সাধন হোৱাৰ লগতে মসৃণ আৰু কৃতকাৰ্যতাৰে বুনিয়াদী স্তৰ আৰম্ভ কৰিবলৈ শিশুসকলক প্ৰস্তুত কৰে। ই বুনিয়াদী স্তৰৰ প্ৰথম কেইবছৰমানত সমাযোজনৰ সুবিধা প্ৰদান কৰে। আধাতে বিদ্যালয় এৰা শিশুৰ সংখ্যা হ্ৰাস কৰাত সহায় কৰে আৰু বিদ্যালয়ৰ প্ৰস্তুতিমূলক শ্ৰেণীত শিশুসকলক ধৰি ৰখাৰ লগতে ভৱিষ্যত শিকন আৰু বিকাশত এক শক্তিশালী ভেটি গঢ়াত শিশুসকলক সহায় কৰে। সেয়াৰ গুৰুত্ব উপলব্ধি আৰু দায়িত্ববোধৰ চেতনাই শিশুসকলক ভৱিষ্যতৰ একোজন সু-নাগৰিক হোৱাত সহায় কৰিব।

পৰিকল্পিতভাৱে ক্ৰিয়া-কলাপ অন্তৰ্ভুক্ত কৰি মডিয়ুলৰ আদান-প্ৰদান, শিশুৰ অগ্ৰগতি বা মান নিৰূপণৰ প্ৰতি দৃষ্টি ৰখা, শিশুৰ শিকনত পিতৃ-মাতৃ আৰু সমাজক জড়িতকৰণ, সাপ্তাহিক দিনপঞ্জী প্ৰস্তুত সময়সূচী বা দৈনিক ক্ৰিয়া-কলাপ শিক্ষক আৰু অভিভাৱকে কিদৰে ৰূপায়ণ কৰিব এই গোটেইবোৰ সামৰি মডিয়ুলটোৰ পৰিকল্পনা আৰু পৰিচালনাৰ সন্দৰ্ভত নিৰ্দেশাৱলীয়ে আলোকপাত কৰিছে।



শিশুসকলে ঘৰৰ পৰা বিদ্যালয়লৈ নাইবা প্ৰাক্-বিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ মসৃণ অৱস্থান্তৰ নিশ্চিত কৰিবৰ বাবে শিশু, বিদ্যালয় আৰু পৰিয়ালৰ মাজত এক সমন্বয় সাধনৰ ক্ষেত্ৰতো আলোকপাত কৰা হৈছে (চিত্ৰ-২)

**বিদ্যালয়**

উদ্দীপনাময়, নিৰাপদ, সুৰক্ষিত আৰু আনন্দদায়ক শিকন পৰিৱেশৰ ব্যৱস্থা

পৰীক্ষা-নিৰীক্ষা, অন্বেষণ, সমস্যা সমাধান, মননশীল চিন্তন আৰু মত-বিনিময়ৰ সুবিধা দিয়া।

বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ অৰ্হতাসমূহৰ ভেটি গঠনত আলোকপাত

**পৰিয়াল**

উমাল যত্নশীল, সহায়ক আৰু আনন্দদায়ক ঘৰুৱা শিকন পৰিৱেশ

শিশুসকলৰ শিকনক প্ৰশংসা আৰু উৎসাহিত কৰা

শিশুসকলৰ লগত কথা-বতৰা পতা আৰু খেল-ধেমালি কৰি জড়িত হোৱা

শিশুৰ সামগ্ৰিক সুস্থ, জীৱন-যাপনত সহায়ক হোৱা (শাৰীৰিক, সামাজিক-আৱেগিক, বৌদ্ধিক)

**শিশু**

আনন্দমনেৰে শিকিব

সুস্থ জীৱন-যাপন আৰু সুস্থ স্বাস্থ্যৰ অধিকাৰী হ'ব

সফল ভাব বিনিময়কাৰী হ'ব

তাৎক্ষণিক পৰিৱেশৰ লগত সম্পৰ্ক স্থাপন কৰি শিকনত জড়িত হ'ব

*চিত্ৰ-২ শিশুসকলৰ শিকন আৰু বিকাশত শক্তিশালী ভেটি স্থাপনৰ বাবে*

নিপুন ভাৰতত বুনিয়াদী সাক্ষৰতা আৰু সংখ্যিকতা অভিযানৰ নিৰ্দেশাৱলী মৰ্মে ৩ বছৰৰ পৰা ৯ বছৰৰ শিশুৰ সৰ্বাত্মক বিকাশ অৰ্হতাসমূহ তিনিটা বিকাশৰ লক্ষ্যত বিভাজিত কৰা হৈছে। তিনি বছৰীয়া প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা আৰু প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীলৈ অৰ্হতা আৰু শিকন ফলাফলসমূহ কুণ্ডলীৰূপত গমনশীল আৰু প্ৰগতিশীলভাৱে সজোৱা হৈছে। শিক্ষক/শিক্ষয়িত্ৰীসকলে বিকাশৰ লক্ষ্য, অৰ্হতা আৰু শিকনৰ ফলাফলসমূহ আগত ৰাখি শিশুসকলৰ বাবে শিকনৰ অভিজ্ঞতা, ক্ৰিয়া-কলাপ আৰু কাৰ্যপত্ৰ প্ৰস্তুত কৰিব।

**বিকাশ সম্বন্ধীয় লক্ষ্যসমূহ—**

**বিকাশ সম্বন্ধীয় লক্ষ্য- ১ঃ শিশুসকল সুস্বাস্থ্যৰ অধিকাৰী হ'ব আৰু সুস্থ জীৱন যাপন কৰিব।**



- এই ক্ষেত্ৰত শাৰীৰিক আৰু পেশীৰ বিকাশ, সামাজিক-আৱেগিক বিকাশ, পৰিপুষ্টি, সুৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনাময় ব্যৱহাৰৰ অভিজ্ঞতা প্ৰদান কৰিব


**বিকাশ সম্বন্ধীয় লক্ষ্য- ২ঃ শিশুসকল সফল ভাৱ বিনিময়কাৰী হ'ব।**

- এই লক্ষ্যই ভাষা আৰু সাক্ষৰতাৰ ভেটি গঢ়িব

**বিকাশ সম্বন্ধীয় লক্ষ্য- ৩ঃ শিশুসকলে তাৎক্ষণিক পৰিৱেশৰ লগত সম্পৰ্ক স্থাপন কৰি শিকনত জড়িত হ'ব।**

- এই লক্ষ্যই সাংখ্যিকতাৰ ভেটি গঢ়িবলৈ আৰু ভৌতিক, সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ লগত বিনিময়ৰ প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰিব

এই বিকাশ সম্বন্ধীয় লক্ষ্যসমূহ আন্তঃসম্পৰ্কীয় ইয়াৰ উদ্দেশ্য হ'ল শিশুৰ সৰ্বাত্মক যেনে- বৌদ্ধিক, ভাষিক, শাৰীৰিক, সামাজিক-আৱেগিক আৰু সৃজনশীল বিকাশৰ অৰ্হতাসমূহ নিশ্চিত কৰিবৰ বাবে সুযোগ প্ৰদান কৰা। (চিত্ৰ-৩)





*শিশুৰ সৰ্বাত্মক বিকাশৰ বাবে অৰ্হতাসমূহ*

*চিত্ৰ-৩ঃ মডিউলৰ লক্ষ্য*

## মডিয়ুলটোৰ সময়সীমা ঃ

প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা সকলো শিশুৰ বাবে তিনিমাহ বা ১২ সপ্তাহৰ সময়সীমাৰে এখন মডিয়ুলটো প্ৰস্তুত কৰা হৈছে। প্ৰথম শ্ৰেণীত নামভৰ্তি হোৱা শিশুসকলক প্ৰথম তিনিমাহ নাইবা ১২ সপ্তাহ, প্ৰতি দিনে চাৰি ঘণ্টা আৰু এসপ্তাহত পাঁচ দিন শিকনৰ সুবিধা প্ৰদান কৰা উচিত (চিত্ৰ-৪)। দিনে চাৰিঘণ্টা সময়ৰ ম্যাদ শিথিল হ'ব পাৰে অৰ্থাৎ প্ৰয়োজন অনুসৰি শিক্ষকে এই সময়সীমা কমাব বা বঢ়াব পাৰে। যিবোৰ বিদ্যালয় শনিবাৰেও খোলা থাকে তেন্তে বিদ্যালয়ত শিক্ষকে সপ্তাহটোত কৰি অহা ক্ৰিয়া-কলাপসমূহ পুনৰ আলোচনা কৰিব আৰু পৰৱৰ্তী সপ্তাহৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে




*চিত্ৰ- 5 মডিয়ুলটোৰ মুল বৈশিষ্ট্যসমূহ*

## উদ্দেশ্যাৱলী

তিনিমহীয়া বিদ্যালয় প্ৰস্তুতি-মডিয়ুলৰ উদ্দেশ্যাৱলী

১। বিভিন্ন পৰিৱেশৰ পৰা প্ৰথম শ্ৰেণীলৈ অহা সকলো শিশুকে বিদ্যালয় শিক্ষাৰ বাবে সাজু কৰা

২। প্ৰথম শ্ৰেণীলৈ শিশুৰ মসৃণ অৱস্থান্তৰ নিশ্চিত কৰা

৩। শিশুৰ সৰ্বাত্মক বিকাশৰ উদ্দেশ্যে, এক আনন্দদায়ক আৰু উদ্দীপনাময় পৰিৱেশত ক্ৰিয়া-কলাপভিত্তিক, বয়স আৰু বিকাশৰ সঠিক শিকন অভিজ্ঞতা প্ৰদান কৰা

৪। সংজ্ঞানাত্মক আৰু ভাষিক দক্ষতাৰে শিশুক প্ৰস্তুত কৰা যিটো খেলভিত্তিক কৌশলেৰে পঠন, লিখন আৰু সংখ্যা জ্ঞান আয়ত্ত কৰিব পৰাকৈ শিকনৰ বাবে পূৰ্ব-নিৰ্দ্ধাৰিত কৰা।

## শিক্ষণ শৈলী

সংজ্ঞানাত্মক, আনুভূতিক আৰু মনোপেশীয় সামৰ্থৰ বিকাশত গুৰুত্ব প্ৰদান কৰি খেলভিত্তিক শিকনৰ ওপৰতে এই সময়খিনিৰ শিক্ষাদানত প্ৰাথমিকভাৱে আলোকপাত কৰা হৈছে। এইকেইটা দক্ষতাৰ উপৰি প্ৰাক্ সাক্ষৰতা আৰু সংখ্যাৰ অৰ্হতাৰ সামৰ্থ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। অন্বেষণৰ দ্বাৰা, অনুসন্ধানৰ দ্বাৰা, সমস্যা সমাধানৰ দ্বাৰা আৰু মননশীল চিন্তনৰ দ্বাৰা শিকন অভিজ্ঞতা উন্নীতকৰণৰ পৃষ্ঠপোষকতা কৰা উচিত। এই নিৰ্দিষ্ট সামাজিক পটভূমিত জ্ঞান, দক্ষতা, দৃষ্টিভংগী, স্পৃহা আদি আহৰণৰ বাবে প্ৰতিজন শিশুকে সুযোগ প্ৰদান কৰা উচিত।

মডিয়ুলটোক কাৰ্যকৰী দিশত আগবঢ়াই নিওঁতে বা শিকন সুযোগৰ বাবে পৰিকল্পনা কৰোঁতে শিক্ষক/শিক্ষয়িত্ৰীসকলে শিক্ষাদান শৈলীৰ তিনিওটা দিশ ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰখাটো অতি গুৰুত্বপূৰ্ণ। সেই দিশকেইটা হ'ল— যেনে- খেল-ধেমালি, মত বিনিময় আৰু পৰিৱেশ (চিত্ৰ-৫)। তৃতীয় শ্ৰেণী (গ্ৰেড-III) লৈকে শিশুৰ শিকনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পৰামৰ্শমূলক শিক্ষাদান শৈলী আৰু প্ৰক্ৰিয়া প্ৰসাৰিত কৰিব পাৰে।


**খেল-ধেমালি ঃ** খেল-ধেমালিয়ে শিশুৰ সৰ্বাত্মক বিকাশত সহায় কৰে আৰু তেওঁলোকৰ অগ্ৰগতি প্ৰতিফলিত কৰে। পৰিৱেশৰ লগত, ইজনে সিজনৰ লগত জড়িত হৈ থকা সমগ্ৰ প্ৰক্ৰিয়াৰ লগত ভাবৰ আদান-প্ৰদান কৰা আৰু শিশুৰ নিজৰ জ্ঞান বিকাশৰ ক্ষেত্ৰত খেলক শিকনৰ এক মাধ্যম হিচাপে গুৰুত্ব দিয়া উচিত।

**খেল দুই প্ৰকাৰৰ—**

**মুক্ত খেল ঃ** মুক্ত খেলে নিজৰ পছন্দ আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত শিশুক সুযোগ প্ৰদান কৰাৰ লগতে আনৰ অধিকাৰ আৰু দৃষ্টিভংগী বুজি পোৱাত সহায় কৰে। ই এনে এখন ক্ষেত্ৰ য'ত শিশুৱে স্বতন্ত্ৰভাৱে খেলৰ সামগ্ৰী পছন্দ কৰিব পাৰে আৰু এই সামগ্ৰীৰ সৈতে আৰু সমনীয়াৰ লগত নিজকে জড়িত কৰি ৰাখিব পাৰে। শ্ৰেণীকোঠাত শিশুৰ মনোগ্ৰাহী ক্ষেত্ৰ যেনে- বিজ্ঞান ক্ষেত্ৰ, সংগীত আৰু পুতলা আদি ক্ষেত্ৰ থকাৰ বাবে নিৰ্দেশনা দিয়া হৈছে।

**নিৰ্দেশাত্মক বা সংগঠিত খেল ঃ** শিকন ফলাফল লাভ কৰিবলৈ পৰিৱেশৰ সঠিক দিশ অন্বেষণত শিশুসকলক মাৰ্গদৰ্শনৰ বাবে এই খেলত শিক্ষকে আগভাগ লোৱা উচিত।

**ভাব বিনিময় ঃ** ক্ৰীড়া/খেলভিত্তিক শিকন প্ৰক্ৰিয়াত জ্যেষ্ঠ ব্যক্তি বা শিক্ষকসকল, সমনীয়া নাইবা জ্যেষ্ঠ শিশু আৰু সহোদৰৰ লগত ভাব বিনিময় এক গুৰুত্বপূৰ্ণ আৰু অবিচ্ছেদ্য অংগ। ভাব বিনিময় তিনি প্ৰকাৰৰ আছে যিবোৰ শ্ৰেণীকোঠাত নিশ্চিত কৰাটো প্ৰয়োজন




*চিত্ৰ-৫ ঃ মডিয়ুলটোৰ মূল শিক্ষাদান শৈলী*

**সমনীয়াৰ সৈতে ভাব বিনিময় ঃ** খেল বা ক্ৰীড়াত সমনীয়াৰ সৈতে জড়িত হোৱাটো পৰ্যবেক্ষণৰ দিশত অতি গুৰুত্বপূৰ্ণ য'ত শিশুৱে পৰ্যবেক্ষণ, অনুকৰণ আৰু গঠন কৰে আৰু এজনে আনজনৰ পৰা শিকে

**সামগ্ৰীৰ লগত বিনিময় ঃ** মুক্ত আৰু নিৰ্দেশাত্মক খেলৰ সময়ত শিশুসকলে বিভিন্ন ধৰণৰ সামগ্ৰী চুই মেলি চায় আৰু এইদৰে পৰীক্ষা-নিৰীক্ষা কৰি সমস্যা সমাধান আৰু উদ্ভাৱন কৰিবলৈ শিকে।

**জ্যেষ্ঠ ব্যক্তি বা শিক্ষকৰ লগত ভাব বিনিময় ঃ** জ্যেষ্ঠজন, শিক্ষক, পিতৃ-মাতৃৰ লগত হোৱা ভাব-বিনিময়ে শিশুসকলক আগতে শিকি অহা আৰু নতুনকৈ আয়ত্ত কৰা অৰ্হতাসমূহ চিনাক্ত কৰি সম্বন্ধ স্থাপন কৰাত সহায় কৰে। জ্যেষ্ঠজন বা শিক্ষকে শিশুসকলৰ পথ-প্ৰদৰ্শক হৈ শিশুৰ শিকন প্ৰক্ৰিয়া উচ্চ স্তৰলৈ আগবঢ়াই নিয়াৰ এক পৰিৱেশ সৃষ্টি কৰাত সহায় কৰে

**পৰিৱেশ ঃ** শিশুসকল স্বাভাৱিকতেই অনুসন্ধিৎসু হয়। শিশুসকলে মুখামুখি হোৱা সকলোবোৰ কথাৰ বিষয়ে জানিবলৈ আগ্ৰহী হয়। পৰীক্ষা-নিৰীক্ষা কৰি, প্ৰশ্ন সুধি, অনুমান কৰি শিশুসকলে বিভিন্ন ধৰণৰ সামগ্ৰীৰে ক্ৰিয়া-কলাপ কৰি ভৌতিক, সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ অন্বেষণ কৰে। পৰিৱেশৰ সামগ্ৰী চুই মেলি চাই, প্ৰশ্ন সুধি, পৰীক্ষা-নিৰীক্ষা আৰু অনুমানৰ দ্বাৰা সাধাৰণ সিদ্ধান্তলৈ আহে।


**পৰিকল্পনা আৰু আদান-প্ৰদান ঃ**

প্ৰথম শ্ৰেণীত অন্তৰ্ভুক্ত হোৱা শিশুসকলৰ বাবে স্থানীয় পৰিস্থিতি আৰু তেওঁ লোকৰ প্ৰয়োজন অনুযায়ী "তিনিমাহ বা ১২ সপ্তাহৰ বিদ্যালয়ৰ বাবে প্ৰস্তুতি" মডিউল এখন শিক্ষক/শিক্ষয়িত্ৰীৰ বাবে প্ৰস্তুত কৰি উলিওৱা হৈছে। এই মডিউলখনত শিক্ষক/শিক্ষয়িত্ৰীৰ বাবে নিৰ্দেশনা ইয়াত পাব।

পৰিকল্পনা আৰু ক্ৰিয়া-কলাপসমূহৰ আদান-প্ৰদানৰ বাবে তলত দিয়া দিশসমূহলৈ লক্ষ্য ৰাখিব বুলি শিক্ষক/শিক্ষয়িত্ৰীসকলৰ পৰা আশা কৰা হৈছে—

- **বিকাশৰ লক্ষ্য, অৰ্হতা আৰু শিকন ফলাফলৰ (পৰিশিষ্ট-১) কথা মনত ৰাখিহে তিনিমাহ (১২ সপ্তাহ)ৰ পৰিকল্পনা কৰি উলিওৱা হৈছে।**
- বিকাশ সাধনৰ তিনিওটা লক্ষ্যৰ পৰা প্ৰতিদিনে শিশুসকলক অভিজ্ঞতা লাভ কৰিবলৈ দিব লাগিব।
- **মডিউলখনত কাৰ্যসূচীৰ আদান-প্ৰদানৰ বাবে দৈনিক আৰু সাপ্তাহিক সময়সূচীৰ লগতে ক্ৰিয়া-কলাপ প্ৰস্তুত কৰি দিয়া হৈছে। (পৃষ্ঠা ১২-৩৫)**
- কাৰ্যসূচী পৰিকল্পনা আৰু প্ৰস্তুত কৰোঁতে যেনে- শিক্ষক/শিক্ষয়িত্ৰীয়ে সূচনা কৰা আৰু শিশুসকলে সূচনা কৰা ক্ৰিয়া-কলাপ, ভিতৰৰ আৰু বাহিৰৰ ক্ৰিয়া-কলাপ, ডাঙৰ দল আৰু সৰু দলৰ ক্ৰিয়া-কলাপৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰা হৈছে আৰু শিকন সুযোগ নমনীয় কৰাৰ বাবে সাধু, ভংগীমা গীত আদি সন্নিবিষ্ট কৰা হৈছে।
- এই তিনিমহীয়া মডিউলখনৰ সফল ৰূপায়ণৰ বাবে শিশুসকলৰ উপযোগী হোৱাকৈ কাৰ্যপত্ৰ এখন প্ৰস্তুত কৰি উলিওৱা হৈছে
- বিদ্যালয়ৰ বাবে প্ৰস্তুতি মডিউলখন আৰম্ভ কৰাৰ আগতে ভালদৰে খৰচী মাৰি অধ্যয়ন কৰি ল'ব আৰু শিশুসকলৰ বাবে প্ৰস্তুত কৰি উলিওৱা কাৰ্যপত্ৰখনৰ ক্ৰমিক নং অনুসৰি ক্ৰিয়া-কলাপবোৰ কৰাব
- মডিউলখনখন আদান-প্ৰদানৰ বাবে প্ৰয়োজনীয় শিক্ষণ সামগ্ৰীৰ বিষয়ে আগতীয়াকৈ পৰিকল্পনা কৰিব লাগে। এই শিক্ষণ সামগ্ৰীসমূহ খৰচবিহীন, কম খৰচী নাইবা স্থানীয় সমল ব্যৱহাৰ কৰি শিক্ষকসকলে প্ৰস্তুত কৰিও ল'ব পাৰে। শিকন সামগ্ৰী হিচাপে গছৰ পাত, ঠানি, সৰু শিলগুটি আদি প্ৰাকৃতিক সম্পদবোৰ অন্তৰ্ভুক্ত কৰাৰ পৰিকল্পনা কৰিব।
- স্থানীয়ভাৱে প্ৰস্তুত কৰা পুতলা আৰু সামগ্ৰীৰ ব্যৱহাৰ কৰিব। শিশুসকলে যাতে সামগ্ৰীসমূহ সহজতে ব্যৱহাৰ কৰিব পাৰে আৰু নিৰাপদে এই সামগ্ৰী আৰু আন সমলসমূহ পাব পাৰে সেয়া নিশ্চিত কৰিব
- নিৰ্বাচিত ক্ৰিয়া-কলাপ অনুযায়ী শিশুসকল বহাৰ ব্যৱস্থাৰ পৰিকল্পনা কৰিব। শিশুসকলৰ লগতে বিশেষভাৱে সক্ষম শিশুসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি (CWSN) লক্ষ্য ৰাখি তেওঁলোকৰ বহাৰ ব্যৱস্থা কৰিব।
- শিশুসকলক শিকন কাৰ্যত যথেষ্ট সময় জড়িত হৈ থকাৰ সুযোগ দিয়াৰ বাবে উদ্দেশ্যপ্ৰণোদিতভাৱে ক্ৰিয়া-কলাপৰ আৰু কাৰ্যপত্ৰৰ পুনৰাবৃত্তি কৰিব
- শিশুৰ আগ্ৰহক ভিত্তি কৰি নিৰ্ধাৰিত দৈনিক ক্ৰিয়া-কলাপৰ সময়সূচী বা উদাহৰণৰ সাপ্তাহিক সময়সূচীৰ ক্ৰিয়া-কলাপসমূহৰ মাজত সালসলনি কৰিব বা তাক নমনীয় কৰিব পাৰে
- প্ৰত্যেকটো দৈনিক বা ক্ৰিয়া-কলাপৰ সময়সূচী ৰূপায়ণ কৰিবৰ বাবে যেনে- লগ পালে সম্ভাষণ জনোৱা, বৃত্তাকাৰ বৈঠকত মুক্তভাৱে ভাব বিনিময় কৰা, মুক্ত খেল, বাহিৰৰ খেল, বিদায় পৰ্ব, আহাৰ গ্ৰহণ, ভাষাৰ সাক্ষৰতা আৰু সাংখ্যিক জ্ঞানৰ বাবে ক্ৰিয়া-কলাপ আদি সুচলভাৱে সম্পাদন কৰিবলৈ নিৰ্দেশাৱলীত বিতংভাৱে বৰ্ণনা কৰা হৈছে।

- প্ৰতিজন শিশুৰে অগ্ৰগতিৰ পৰ্যায় জানি শিকন ফলাফল আয়ত্ত কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা শিশুসকলৰ অভিজ্ঞতা আহৰণ কৰাত সাল-সলনি কৰাটো গুৰুত্বপূৰ্ণ।
- শিশুসকলক বিদ্যালয়ৰ নিৰ্দেশনাৰ মাধ্যম ভাষাৰ সৈতে লাহে লাহে পৰিচয় কৰোৱাৰ সময়ত মাতৃভাষা নহৈবা অধিকাংশ শিশুৰ বাবে পৰিচিত ভাষাকেই শ্ৰেণীত নিৰ্দেশনাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিব আৰু শিশুসকলে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা বিভিন্ন ভাষাক আদৰণি জনোৱাৰ লগতে প্ৰশংসা কৰিব
- মুক্ত খেলৰ বাবে শিকন বা আগ্ৰহৰ ক্ষেত্ৰ সজাই তোলা আৰু এই ক্ষেত্ৰসমূহ শিশুসকলে সহজে পাব পৰাকৈ বিভিন্ন খেলৰ সামগ্ৰীৰে পৰ্যাপ্ত কৰি তোলা। ইয়াৰ লগতে শ্ৰেণীকোঠাটো ছপা-সমৃদ্ধ আৰু সাংখ্যিক সমৃদ্ধকৈয়ো সজাব। কিছুমান পৰামৰ্শমূলক আগ্ৰহৰ ক্ৰিয়া-কলাপৰ ক্ষেত্ৰ (চিত্ৰ-৬)ত দিয়া হৈছে। ক্ৰিয়া-কলাপ বা আগ্ৰহৰ ক্ষেত্ৰসমূহৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ প্ৰসংগৰ সহায়ৰ বাবে দিয়া হৈছে।
- দৈনিক কাৰ্যসূচীত স্থানান্তৰণ কৰি থাকিব পৰা ক্ৰিয়া-কলাপৰ পৰিকল্পনাও কৰা উচিত। স্থানান্তৰণ হ'ল শিশুসকলক এটা ক্ৰিয়া-কলাপৰ পৰা অন্য এটা ক্ৰিয়া-কলাপলৈ নিয়া, যেনে- সংখ্যাৰ ক্ৰিয়া-কলাপৰ পৰা কাহিনী সাধু শুনিবলৈ নাইবা চাফ-চিকুণতাৰ পৰা লঘু আহাৰ গ্ৰহণ কৰালৈকে। এই স্থানান্তৰিতকৰণ ছন্দযুক্ত শব্দৰ পৰা ছন্দৰ মিল থকা পদ্যলৈ আৰু গীতৰ পৰা চুটি কাহিনীলৈও হ'ব পাৰে




*চিত্ৰ-৬ ঃ ক্ৰিয়া-কলাপ বা আগ্ৰহৰ ক্ষেত্ৰসমূহ*

স্থানান্তৰণ ক্ৰিয়া-কলাপৰ কেইটামান উদাহৰণ দিয়া হ'ল—

- সৃষ্টিশীল কল্পনা কৰা— শিশুসকলক চকু মুদি এটা সুন্দৰ ভাল লগা দৃশ্য কল্পনা কৰিবলৈ দিয়ক। দৃশ্যটো বৰ্ণনা কৰোঁতে ইমান ধীৰ-স্থিৰভাৱে কওক যাতে দৃশ্যটো শিশুসকলৰ কল্পনাত ভাঁহি উঠে আৰু দৃশ্যটোত সম্পূৰ্ণকৈ মনোযোগ কেন্দ্ৰীভূত কৰিব পাৰে। সৃজনমূলক কলা সম্বন্ধীয় ক্ৰিয়া-কলাপৰ আগতে এইটো কৰাব পাৰে
- গভীৰকৈ উশাহ-নিশাহ লোৱা— বাহিৰত খেলা-ধূলা কৰা আৰু পৰৱৰ্তী ক্ৰিয়া-কলাপ আৰম্ভ কৰোৱাৰ আগতে শিশুসকলক চকু মুদি বহিবলৈ দিব আৰু উশাহ-নিশাহৰ প্ৰতি মনোযোগ কেন্দ্ৰীভূত কৰিবলৈ ক'ব। লাহে লাহে আৰু আৰামত তেওঁলোকক উশাহ-নিশাহ ল'বলৈ দিব।

- জঁপিওৱা বা জঁপিয়াই যোৱা— লঘু ক্রিয়া-কলাপৰ পাছত অন্য এটা ক্রিয়া-কলাপলৈ স্থানান্তৰণ হওতে শিশুসকলক একেঠাইতে ১০ বাৰকৈ জঁপিয়াবলৈ নাইবা জঁপিয়াই জঁপিয়াই যাবলৈ দিব পাৰে।
- বিভিন্ন ধৰণৰ পদ্য/কবিতা গোৱাৰ— ধ্বনিৰ মিল থকা বিভিন্ন ক্রিয়া-কলাপ কৰাৰ, যেনে- সূক্ষ্মপেশীৰ কাৰ্যকলাপৰ আগতে আঙুলি ব্যৱহাৰ কৰি গোৱা পদ্য, বৃত্ত সাজিবলৈ ৰেলগাড়ীৰ দৰে হোৱা আৰু তাৰ পাছত 'ৰক্ ঝক্ ৰেলগাড়ী আহে' গানটো গাই গাই বৃত্তাকাৰে ঘূৰিব। এইদৰে শিশুসকলক শ্ৰেণীকোঠাৰ পৰা বাহিৰলৈ বা বাহিৰৰ পৰা শ্ৰেণীকোঠালৈ নিব পাৰি।

**বিশেষভাৱেসক্ষম শিশুৰ (দিব্যাংগ) প্ৰয়োজনীয়তা পূৰ কৰা**

- এই শিশুসকলক সকলো ক্রিয়া-কলাপতে জড়িত কৰাব যাতে তেওঁলোকে নিজকে যোগ্য বুলি অনুভৱ কৰে।
- বিশেষভাৱেসক্ষম শিশুসকলক ইচ্ছাকৃতভাৱে সহায় কৰিবলৈ আন শিশুসকলক সংবেদনশীল কৰি তোলা। সক্ষম শিশুসকলে যাতে বিশেষভাৱেসক্ষম শিশুসকলক পুতৌ নকৰে বা বোজা হিচাপে নলয় তাৰ প্ৰতি সাৱধান হোৱা
- বিশেষভাৱেসক্ষম শিশুসকলক অন্যান্য শিশুসকলৰ লগত নিজৰ কোনো অসুবিধা বা সমস্যা সমাধান কৰিবলৈ উৎসাহিত কৰা
- এই শিশুসকলকো শ্ৰেণীকোঠাৰ সমস্যা সমাধান কৰোঁতে বৃত্তকাৰ বৈঠকৰ সময়ত অংশগ্ৰহণ কৰোৱা।
- এনে শিশুক ঘৰত উপযুক্তভাৱে সমৰ্থন জনাবৰ বাবে পিতৃ-মাতৃক দিহা পৰামৰ্শ আৰু নিৰ্দেশনা দিয়া এনে শিশুৰ সফলতাসমূহক ঘৰত প্ৰশংসা কৰাৰ লগতে সম্পূৰ্ণ ঘৰখন যে তেওঁলোকৰ লগত আছে সেই কথাটো উপলব্ধি কৰাব।
- অতি সক্রিয় আৰু অ'টিষ্টিক (autistic) শিশুৰ বিশেষ যত্নৰ বাবে শিশু বিশেষজ্ঞৰ পৰা সহায় লোৱা। তেওঁলোকৰ বাবে শিক্ষকসকল সচেতন হোৱা আৰু বিশেষজ্ঞসকলে আগবঢ়োৱা দিহা-পৰামৰ্শ তথা নিৰ্দেশনা মানি চলা প্ৰয়োজন

**মূল্যাংকনৰ বিধি**

- পৰ্যবেক্ষণ— শিশুৰ ব্যক্তিত্বৰ মাত্ৰা আৰু শিকন প্ৰক্রিয়া বুজিবলৈ বিশেষ পৰিস্থিতিত পৰ্যবেক্ষণ কৰা।
- বাস্তৱ/সঁচা ঘটনা বিৱৰণীৰ তথ্য— শিশুৱে ব্যৱহাৰ কৰা ভাষা, সামাজিক সম্পৰ্ক, ভাব আদান-প্ৰদানৰ ভংগী ইত্যাদিৰ ভিত্তিত কৰা পৰ্যবেক্ষণক কেন্দ্ৰ কৰি লিখিত চমুটোকা প্ৰস্তুত কৰা
- পৰ্টফলিঅ'— প্ৰতিজন শিশুৱে কৰা বিশেষ কামৰ নমুনা যেনে- ছবি, শিল্প আৰু হস্তকলা, ক'লাজ প্ৰস্তুত আদি সংগ্ৰহ কৰা
- পৰীক্ষণ তালিকা— বিকাশৰ বিভিন্ন ক্ষেত্ৰত শিশুৰ আচৰণ আৰু লক্ষণসমূহৰ তালিকা, শিকন ফলাফলৰ তালিকা প্ৰস্তুত কৰা
- ৰেটিং স্কেল— কামৰ পাৰদৰ্শিতা আৰু দক্ষতাৰ স্তৰৰ মান নিৰূপণ
- ফটো আৰু ভিডিঅ'— শিশুৰ ব্যক্তিত্বৰ মাত্ৰা আৰু শিকন প্ৰক্রিয়াৰ বিষয়ে পাছত বুজি পোৱাত সহায়ক হোৱাকৈ তেওঁলোকৰ প্ৰদৰ্শনৰ দৃশ্য-শ্ৰাব্য ৰেকৰ্ডিং কৰা।

## শিশুৰ অগ্ৰগতিৰ খতিয়ান বা মূল্যাংকন

নিয়মীয়াকৈ শিশুক নিৰীক্ষণ কৰা আৰু মূল্যাংকন কৰা কাৰ্যই শিশুৰ সমৰ্থা অৰ্থাৎ শিশুৱে কি কৰিব পাৰে আৰু শিশুক কি অতিৰিক্ত সহায়ৰ প্ৰয়োজন এই সকলো কথাত আলোকপাত কৰাত সহায় কৰে। ধাৰবাহিকভাৱে কৰা মূল্যাংকন আৰু অগ্ৰগতি বা শিকন পৰ্যায়ে শিক্ষণ-শিকন কৌশলৰ সাল-সলনি বা নতুন কৌশল নিৰ্ণয় কৰি লোৱাত, খেল সামগ্ৰী, ক্ৰিয়া-কলাপ আদি সংশোধন কৰাত সহায় কৰে। এই পুনৰীক্ষণ আৰু গভীৰভাৱে বিচাৰ কৰা কাৰ্যই শিকন ক্ষেত্ৰৰ প্ৰয়োজন আৰু শিকনত বৈ যোৱা ব্যৱধান চিনাক্ত কৰোঁৰ লগতে সময় মতে এই ব্যৱধানসমূহ পূৰ কৰাটো নিশ্চিত কৰে। শিশুৰ অগ্ৰগতিৰ খতিয়ান আৰু মূল্যাংকনৰ ৰূপৰেখাৰ পৰ্যায় জানিবলৈ সম্পূৰ্ণ তিনিমাহৰ বাবে প্ৰতিজন শিশুৰ মাহেকীয়া অগ্ৰগতিৰ খতিয়ান, মাহ অনুযায়ী মূল্যাংকনৰ ৰূপৰেখা (পৰিশিষ্ট-২)ত দিয়া হৈছে। শিশুৰ শিকনৰ মান নিৰূপণ কৰোঁতে তলত দিয়া প্ৰক্ৰিয়াসমূহ অনুসৰণ কৰা উচিত

- প্ৰতিজন শিশুৰে পৰ্টফলিঅ' প্ৰস্তুত কৰিব। প্ৰতিজন শিশুৰ অগ্ৰগতিৰ পৰ্যায় জনা আৰু খতিয়ান ৰখাত ই শিক্ষকক সহায় কৰিব।
- ভিন ভিন শিকন অভিজ্ঞতাত জড়িত হৈ থকা শিশুক পৰ্যবেক্ষণ কৰিব
- শিকন প্ৰক্ৰিয়াত শিশুক পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্য সম্পৰ্কে স্পষ্ট হোৱাটো নিশ্চিত কৰিব।
- শিশুসকলে সৰু সৰু দলত ক্ৰিয়া-কলাপ কৰি থাকোঁতে প্ৰতিটো দলকে পৰ্যবেক্ষণ কৰাটো নিশ্চিত কৰিব
- পৰ্যবেক্ষণক ভিত্তি কৰি কি ঘটিছে সেই ঘটনাৰ সত্য বিৱৰণী (ancedates) লিখক। পৰ্যবেক্ষণ কৰোঁতে নিৰপেক্ষ হ'ব। ধাৰণা বা অনুমানে যাতে পৰ্যবেক্ষণক প্ৰভাৱান্বিত কৰিব নোৱাৰে সেয়া নিশ্চিত কৰক আৰু আচৰণ মূল্যায়ন কৰাতকৈ বৰ্ণনাহে কৰিব
- প্ৰতিজন শিশুৰে অগ্ৰগতিৰ মূল্যাংকন কৰোঁতে পূৰ্বৰ পৰ্যায়ত কিমান শিকিছে জানিবলৈ মূল্যাংকন কৰিব। ব্যক্তি হিচাপে এজন শিশুক অন্য এজনৰ সৈতে তুলনা নকৰিব
- তৃতীয় পৰ্যায়ৰ মূল্যাংকন সম্পূৰ্ণ কৰাৰ পাছত প্ৰতিজন শিশুৰে তথ্যসমূহ একত্ৰিত কৰি সংগ্ৰহ কৰি ৰাখিব যাতে ভৱিষ্যতে শিশুসকলৰ সহায়ক হয় আৰু শিকন অভিজ্ঞতাৰ পৰিকল্পনা কৰোঁতে, পিতৃ-মাতৃ বা অভিভাৱকৰ লগত আলোচনা কৰোঁতে আৰু কাৰ্যসূচীৰ প্ৰয়োজনত সাল-সলনি কৰোঁতে ই যাতে সহায়ক হয়।

### মনত ৰখা উচিত

শিশুসকলে সমালোচনাৰে নহয় প্ৰশংসাৰ জৰিয়তেহে ভালকৈ শিকে কোনো শিশুকেই উত্তীৰ্ণ বা অনুত্তীৰ্ণৰ চাপ নামাৰিব

# তিনিমহীয়া প্ৰস্তুতি মডিউল

## প্ৰথম সপ্তাহ

| অধিবেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু দুৱাৰৰ বৈঠক (শিক্ষকে ডাঙৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● অংগ সঞ্চালনৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | ঘৰুৱা পৰিৱেশৰ পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে চিনাকি পৰ্ব, অভিবাদন। | ঘৰুৱা পৰিৱেশৰ পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে মুক্ত কথোপকথন। | শিশুসকলে দুবাৰ তালি মাৰি ক'ব- মোৰ নাম, তাৰ পাছত আকৌ দুবাৰ টিলিকি মাৰি নিজৰ নামটো প্ৰত্যেকেই ক'ব। শিক্ষকসকলে প্ৰথমে টিলিকি-তালি মাৰি ক্ৰিয়া-কলাপটো কৰি দেখুৱাব আৰু প্ৰত্যেকজন শিশুৰ অংশগ্ৰহণ নিশ্চিত কৰিব।) | শিশুসকলক প্ৰিয় ৰং, নিজৰ নামটো আৰু তেওঁৰ সোঁফালে আৰু বাওঁফালে থকা সহপাঠীৰ নামটো ক'বলৈ শিক্ষকসকলে উৎসাহিত কৰিব। | শ্ৰেণীকোঠাত মানি চলিবলগীয়া কিছুমান নীতি নিয়ম প্ৰথম চাৰ্টত লিখি আনি থ'ব। ছবিসহ নিৰ্দিষ্ট ছবি, চাৰ্টখন দেখুৱাই শিশুসকলৰ লগত পঢ়ি নীতি-নিয়মবোৰ অৱগত কৰাব। |
| মুক্ত খেল (শিশুৱে খেলা স্ব-নিৰ্বাচিত খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ চুক, ব্লক চুক) থ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |
| ● প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত যাতে আগ্ৰহৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।<br>● শিশুসকলক ক্ৰিয়া-কলাপবোৰ বাছনি কৰিবলৈ আৰু তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰসমূহত থকা সামগ্ৰীৰে পছন্দ অনুযায়ী খেলিবলৈ দিয়া উচিত।<br>● খেল-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- শেল্ফ বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।<br>● ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ তথ্য শিক্ষকে দৈনিকভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে লিপিবদ্ধ কৰি ৰখা উচিত। | | | | | |
| সংবেদী অংগ, পৰিৱেশ সজাগতা আৰু বিজ্ঞান সম্পৰ্কত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | প্ৰতিজন শিশুক বিদ্যালয় তথা সিহঁতৰ চৌপাশে কি কি দেখিছে পৰ্যবেক্ষণ কৰি ক'বলৈ দিব। | শিশুসকলক কিছুসময় চকু মুদি থাকি সিহঁতৰ চৌপাশে কি কি শব্দ শুনিছে প্ৰত্যেকজন শিশুক ক'বলৈ দিব। | শিক্ষকে এটা মোনাত শিলগুটি, মিহি, টান আৰু কোমল বস্তু ভৰাই থ'ব। শিশুসকলক দুশাৰীকৈ বহুৱাই মোনাটো এজন শিশুৰ পৰা আনজনলৈ পাছৰাই দিবলৈ ক'ব। যিজন শিশুৰ হাতত মোনাটো পৰিব, তেওঁ মোনাটোৰ পৰা বস্তু এপদ উলিয়াই স্পৰ্শ কৰি বস্তুটো খহটা/মিহি/টান/কোমল ক'ব। প্ৰতিগৰাকী শিশুক কামটোত অংশগ্ৰহণ কৰাব। | শিক্ষকে নৰসিংহ, তুলসী, তেজপাত, নাৰ্জি, ধনিয়া আদিৰ পাত সংগ্ৰহ কৰি প্ৰত্যেকবিধ পাত শিশুসকলক চকু মুদি, গোন্ধ লবলৈ দি কিহৰ গোন্ধ ক'বলৈ দিব। (প্ৰয়োজনত পাতবোৰ হাতেৰে অলপ মোহাৰি দিব) | শিক্ষকে শিশুসকলক এজনকৈ মাতি আনি নিমখ, চেনী আৰু নেমু পানী প্ৰতিবিধৰে এচামুচকৈ খুৱাই দিব আৰু লগতে কোনবিধ পানীৰ সোৱাদ কেনেকুৱা সুধিব। ইয়াৰ দ্বাৰা নিমখীয়া, মিঠা আৰু টেঙা সোৱাদৰ ধাৰণা দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ: সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলক বিহুলি কৰি থোৱা চাৰ্টত আৰু দাইল ভাগ ভাগ কৰিবলৈ দিব। প্ৰয়োজন অনুসৰি শিক্ষকে আঠা সমল ব্যৱহাৰ কৰিব পাৰে। | শিক্ষক/শিক্ষয়িত্ৰীয়ে সুবিধা অনুযায়ী বালি, কাগজ আদিত মুক্তভাৱে অংকন কৰিবলৈ উৎসাহিত কৰিব। | পুৰণি কাগজ-কেলেণ্ডাৰৰ টুকুৰা শিশুসকলক হাতেৰে দি সৰু সৰু টুকুৰা কৰি ফালিবলৈ দিব আৰু কাগজৰ সেই ফলা টুকুৰাবোৰ নিৰ্দিষ্ট পৰিসীমাৰ (আম/বল আদিৰ ছবি) ভিতৰত আঠা লগাবলৈ উৎসাহিত কৰিব। (ময়দা/শিশুৰ ব্যৱহাৰৰ উপযোগী আঠা ব্যৱহাৰ কৰিব ) | শিক্ষক/শিক্ষয়িত্ৰীয়ে সহজে পোৱা পাচলি (আলু, ভেণ্ডি আদি) কাটি পুৰণি কাগজ-কেলেণ্ডাৰৰ বগা অংশত ৰং ব্যৱহাৰ কৰি ছাপ বহুৱাবলৈ উৎসাহিত কৰিব। | সংগ্ৰহ কৰি থোৱা আঠালেটীয়া মাটিৰ পৰা শিশুসকলক নিজৰ পছন্দ অনুযায়ী আকৃতি প্ৰস্তুত কৰিবলৈ শিক্ষকে উৎসাহিত কৰিব। |
| | | | খোৱাৰ বিৰতি (৩০ মিনিট) | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা তথা সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ডাঙৰ দলটোক পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | মৌখিক | শিক্ষকে শিশুসকলক নিজৰ তথা তেওঁলোকৰ পৰিচয় স্পষ্টভাৱে কোৱাৰ বাবে উৎসাহিত কৰিব। | শিক্ষকে কোৱা দুটি সাধু শুনি শিশুসকলে সেই সাধুটো নিজাববীয়াকৈ ক'ব। | বিদ্যালয়লৈ অহাৰ বাটত কি কি দেখা পাইছে প্ৰত্যেক শিশুক শিক্ষকে সুধিব। | বিদ্যালয়লৈ অহাৰ আগতে শিশুসকলে কি কি কৰিছিল প্ৰত্যেক শিশুকে নিজৰ ভাষাত ক'বলৈ দিব। | শিক্ষকে বিদ্যালয়ৰ চৌপাশে দেখা বস্তুবোৰৰ বিষয়ে নিজাববীয়াকৈ ক'বলৈ উৎসাহিত কৰিব |
| | পঠন | শিক্ষকে কাৰ্যপত্ৰ ১৩ থকা ছবিখন চাই কি কি দেখিছে প্ৰত্যেকজন শিশুকে নিজাববীয়াকৈ ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৩ থকা ছবিখন চাই শিশুসকলে কোনে কি কৰি আছে নিজৰ ভাষাত ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৩ থকা ছবিখন চাই কি কি খেল খেলি আছে শিশুসকলক শিক্ষকে ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৩ থকা ছবিখন চাই প্ৰতিজন শিশুক এটা বাক্য শুদ্ধকৈ ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৩ থকা খেলৰ বাহিৰেও শিশুসকলে তাৰ কি কি খেলৰ নাম জানে তাৰ কি খেল খেলিবলৈ ভাল পায় ক'বলৈ দিব। |
| | লিখন | শিক্ষকে শিশুসকলক বালিত আঁক-বাঁক কৰিবলৈ দিব। (সংগ্ৰহ কৰি থোৱা বালি) | শিক্ষক/শিক্ষয়িত্ৰীয়ে মজিয়াত \|, —, /, \ ৰেখা আঁকি দি শিশুসকলক ৰেখাবোৰৰ ওপৰত শিল, বীজ আদি থ'বলৈ দিব। | কাৰ্যপত্ৰ ৩৩ থকা ঘৰটো ছবিৰ ভিতৰত নিজৰ পৰিয়ালৰ সদস্যসকলক ছবি আঁকিবলৈ দিব। | কাৰ্যপত্ৰ ৩৩ থকা ঘৰটোৰ ছবিত শিশুসকলক ৰং কৰিবলৈ দিব। | শিশুসকলক বগিত নিজৰ ইচ্ছা অনুযায়ী আঁকিবলৈ দিব। আঁকাৰ সময়ত পেঞ্চিল সঠিকভাৱে ধৰিব পাৰিছে নে নাই চাব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিশুসকলে 'পানী-পাৰ' খেলটো শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশনাত খেলিব। 'পানী' বুলি ক'লে শিশুসকলে থিয় হৈ থকা ঠাইৰ পৰা আগলৈ জাপ মাৰিব আৰু পাৰ বুলি ক'লে পিছলৈ জাপ মাৰিব। পানী বুলি ক'লে যদি পিছলৈ জাপ মাৰে তেতিয়া সেই শিশুজন খেলৰ পৰা বাহিৰ হৈ খেল শেষ নোহোৱা পৰ্যন্ত বহি থাকিব। | শিশুসকল বৃত্তাকাৰে থিয় হ'ব। তাৰ পাছত এটা বল এজন শিশুৱে আনজন শিশুলৈ দলিয়াই দি বলটো আগবঢ়াই নিব। যিজন শিশুৰ হাতৰ পৰা বলটো পৰি যাব বা ধৰিব নোৱাৰে তেওঁক আকৌ বলটো দলিয়াই দি ধৰিবলৈ দিয়াত শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | এডাল বহী মজিয়াত টানি থৈ শিশুসকলক বহীডালৰ ওপৰেৰে ভাৰসাম্য ৰাখি খোজকাঢ়ি যাবলৈ দিব। এইটো লক্ষ্য ৰাখিব লাগিব যাতে ভৰি বহীডালত নপৰাকৈ নাথাকে। তদুপৰি শিক্ষকে শিশুসকলক বেঙাই/লাহে/আগলৈ/পিছলৈ খোজৰ আদি খেল খেলাব। | শিশুসকল বৃত্তাকাৰে থিয় হ'ব। শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশনা অনুযায়ী শিশুসকলে ডাঙৰ গছ বুলি ক'লে থিয় হ'ব আৰু সৰু গছ বুলি ক'লে বহিব। ডাঙৰ গছ বুলি ক'লে যদি বহি দিয়ে, তেতিয়া হ'লে শিশুজন খেলৰ পৰা বাহিৰ হ'ব। | শিক্ষকে শিশুসকলক দলত ভাগ কৰি এবাৰ লাহে লাহে দৌৰিবলৈ দিব আৰু এবাৰ বেগাই দৌৰিবলৈ উৎসাহিত কৰিব। |
| বিদায় পৰ্ব ১০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰবৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি অৰ্থাৎ পিছদিনাৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদিহে শিশুসকলে আনিব লাগে তাক কেনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ তথা সমালোচনা, আনৰ কথা মন দি শুনা, নিজৰ পাল পৰালৈ বাট চোৱা আদি বৈশিষ্ট্য তথা সামাজিক গুণবোৰ আয়ত্ত কৰাৰ বাবে শিশুসকলক সহায় কৰিব। | | | | |

# দ্বিতীয় সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উক্ত দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | প্ৰাতঃসভা- আদৰণি, প্ৰাৰ্থনা, ব্যায়াম, স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা নিৰীক্ষণ, মুক্ত কথোপকথন | | | | |
| | ধৰকবা পৰিৱেশৰ পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে চিনাকি পৰ্ব, অভিবাদন আৰু মুক্ত কথোপকথন। | ধৰকবা পৰিৱেশৰ পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে চিনাকি পৰ্ব, অভিবাদন আৰু মুক্ত কথোপকথন। | শিশুসকলে দুবাৰ চাপৰি মাৰি ক'ব- মোৰ নাম আৰু পাছত আকৌ দুবাৰ টিলিকি মাৰি নিজৰ নামটো ক'ব | শিশুসকলে দুবাৰ চাপৰি মাৰি ক'ব- মোৰ নাম আৰু পাছত আকৌ দুবাৰ টিলিকি মাৰি নিজৰ নামটো ক'ব | শিশুসকলৰ কাৰণে শ্ৰেণীকোঠাত মানি চলিবলগীয়া কিছুমান নীতি নিয়মৰ এখন চাৰ্ট আৰি থ'ব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে তাক দেখুৱাই নিয়মৰ পাঠৰ লগতে শিশুসকলক অৱগত কৰাব। |
| মুক্ত খেল (শিক্ষকে শিশুসকলে নিজেই খেল খেলিব) ৫০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱকৰ তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, (যেনে- ব্লক, পুতলা, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ ক্ষেত্ৰ, ব্লক) আদি থ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত নাইবা ক্ৰিয়া-কলাপ নাইবা তেওঁলোকৰ আগ্ৰহৰ পছন্দৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- শিশুসকলক ক্ৰিয়া-কলাপবোৰ বাছনি কৰিবলৈ নাইবা তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰসমূহত থকা সামগ্ৰীবোৰ পছন্দ অনুযায়ী খেলিবলৈ দিয়া উচিত।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- বেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা উচিত।

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিশুসকলক ৰঙা বস্তু দেখুৱাই ৰঙা ৰঙটোৰ লগত চিনাকি কৰি দিব আৰু পৰিৱেশত দেখা ৰঙা বস্তুৰ নাম সুধিব, শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | শিশুসকলক নীলা বস্তু দেখুৱাই নীলা ৰঙটোৰ লগত চিনাকি কৰি দিব আৰু পৰিৱেশত দেখা নীলা বস্তুৰ নাম সুধিব, শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | শিশুসকলক হালধীয়া বস্তু দেখুৱাই হালধীয়া ৰঙটোৰ লগত চিনাকি কৰি দিব আৰু পৰিৱেশত দেখা হালধীয়া বস্তুৰ নাম সুধিব, শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | শিশুসকলক ৰঙা, নীলা আৰু হালধীয়া ৰঙৰ বস্তু দেখুৱাই চিনাক্ত কৰিব দিব। | ৰঙা, নীলা আৰু হালধীয়া বস্তু, যেনে-ৰঙীন পেঞ্চিল, ফুল, বটলৰ সাফৰ, কাগজ ইত্যাদি একগোট কৰি থৈ শিশুসকলক ৰঙ অনুযায়ী পৃথক পৃথক কৰিবলৈ দি ভাগ কৰা গোটবোৰৰ ৰঙবোৰ সুধিব। |
| কলাত্মক ক্ৰিয়া-কলাপঃ সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলে শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশনা অনুসৰি দুবাৰ চাপৰি মাৰি দুবাৰ টিলিকি মাৰিব আৰু এইদৰে ক্ৰিয়া-কলাপটো কৰি যাব। | শিশুসকলে শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশনা অনুসৰি দুবাৰ হাত চাপৰি মাৰিব আৰু দুবাৰ হাতৰ অনুবাদে বেঞ্চত আঙুলিৰে চাপৰি মাৰি ক্ৰিয়া-কলাপটো আগবঢ়াই নিব। | শিশুসকলক দুখন দুজনকৈ মুখা-মুখিকৈ থিয় কৰাব। তাৰ পাছত দুয়োৱে দুবাৰ হাত চাপৰি মাৰিব আৰু দুয়োৰে হাতৰ অনুবাদে এজনে আনজনৰ হাতত চাপৰি মাৰিব। এইদৰে চাপৰি ক্ৰিয়া-কলাপটো আগবঢ়াই নিব। | শিশুসকলক নিজৰ ইচ্ছামতে ছবি আঁকিবলৈ দিব কি আঁকিছে শিক্ষক/শিক্ষয়িত্ৰীয়ে সুধিব। | শিশুসকলক বালিত নিজৰ ইচ্ছামতে আঁক-বাঁক কৰিবলৈ দিব আৰু কি আঁকি আছে শিক্ষক/শিক্ষয়িত্ৰীয়ে সুধিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰ/ আক্ষৰিক দক্ষতা | মৌখিক | শিক্ষকে পুতলা ব্যৱহাৰ কৰি দুটি সাধু এটি সংলাপেৰে ক'ব আৰু শিশুসকলক সাধুটো শুনি নিজাববীয়াকৈ ক'বলৈ উৎসাহিত কৰিব। | প্ৰত্যেক শিশুৱে তেওঁৰ সমনীয়াৰ বিষয়ে এটা বাক্য ক'বলৈ দিব। | প্ৰত্যেক শিশুৱে বৃত্তাকাৰে থিয় হৈ তেওঁৰ সোঁফালে আৰু বাওঁফালে থকা শিশুসকলৰ বিষয়ে এটা সম্পূৰ্ণ বাক্য ক'বলৈ দিব। | প্ৰত্যেক শিশুকে সন্মুখত থিয় কৰাই শিক্ষক নাইবা সহপাঠীয়ে কিছুমান প্ৰশ্ন কৰিব আৰু শিশুৱে সম্পূৰ্ণ বাক্যত উত্তৰ দিব। | শিশুসকলক চাৰিজনীয়া দলত ভগাই দোকানীৰ ভাও ধৰি দোকান দোকান খেলিবলৈ দিব। দোকানত থকা সামগ্ৰীবোৰ (যেনে- পেন, কিতাপ, পেন্সিল, বিদ্যালয়ত ব্যৱহৃত খেলা ধূলাৰ সঁজুলি ব্যৱহাৰ কৰিব পাৰিব ) |
| | পঠন | কাৰ্যপত্ৰৰ বেটুপাতত চাই কি কি দেখিছে ক'বলৈ দিব। | প্ৰত্যেক শিশুৱে নিজৰ নামটো ক'বলৈ দিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে নামটো উচ্চাৰণ কৰি বৰ্ডত লিখি যাব। নামবোৰ লিখা হোৱাৰ পাছত শিশুসকলক নিজৰ নামটো বৰ্ডত চিনাক্ত কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২ত থকা পদটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ২ত থকা পদ্যটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ২ত থকা কবিতাটো শিশুসকলে নিজে পঢ়িবলৈ চেষ্টা কৰিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। |
| | লিখন | কাৰ্যপত্ৰ ৪(ক)ত থকা ফুটবোৰ কাঁড় চিহ্নৰ নিৰ্দেশেৰে লগ লগাবলৈ দিব। | কাৰ্যপত্ৰ ৪(খ)ত থকা ফুটবোৰ কাঁড় চিহ্নৰ নিৰ্দেশেৰে লগ লগাবলৈ দিব। | কাৰ্যপত্ৰ ৪(গ)ত থকা ফুটবোৰ কাঁড় চিহ্নৰ নিৰ্দেশেৰে লগ লগাবলৈ দিব। | কাৰ্যপত্ৰ ৫(ক)ত থকা ফুটবোৰ কাঁড় চিহ্নৰ নিৰ্দেশেৰে সংযোগ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৫(খ)ত থকা ফুটবোৰ কাঁড় চিহ্নৰ নিৰ্দেশেৰে সংযোগ কৰিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশী) ৩০-৩৫ মিনিট | | সমান ঠাইত তিনিকোণীয়া, চাৰিকোণীয়া আৰু ঘূৰণীয়া আকৃতি ডাঙৰকৈ আঁকি দিব। শিশুসকলক তিনৰ গুণকৈ যোৰ কৰিবলৈ দিব। ভিন্ন ভিন্ন কলা পদটো কৰাৰ সময়ত শিশুসকলক তিনিটা দলত ভাগ কৰি দলবোৰটোক তিনিকোণীয়া, চাৰিকোণীয়া আৰু ঘূৰণীয়া বুলি নামকৰণ কৰিব। | শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশনা অনুযায়ী শিশুসকলে শাৰী পাতি যোৰা পাতি পাতি এটা ডাঙৰ বৃত্ত তৈয়াৰ কৰি এটাই আনটোৰ হাতত ধৰিব। তাৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীয়ে সৰু বৃত্ত বুলি ক'লে শিশুসকলে আগলৈ গৈ সৰু বৃত্ত হ'ব আৰু ডাঙৰ বৃত্ত বুলি ক'লে পিছুৱাই আহি ডাঙৰ বৃত্ত হ'ব। | এডাল বস্তী মজিয়াত একাবেকা কৰি থৈ শিশুসকলক বস্তীডালৰ ওপৰেৰে ভাৰসাম্য ৰাখি খোজকাঢ়ি যাবলৈ দিব। এইটো লক্ষ্য ৰাখিব লাগিব যাতে ভৰি বস্তীৰ ওপৰত থাকে। | এডাল বস্তীৰ দুয়োটা মূৰ দুফালে দুজন শিশুৱে ধৰাই এখন কৰি ধৰি ৰাখিব। শিশুসকলক এজন এজনকৈ বস্তীডালৰ ওপৰেদি জাঁপ মাৰিব দিব। ক্ৰমান্বয়ে বস্তীডালৰ উচ্চতা বঢ়াই গৈ থাকিব জাঁপ মৰা উচ্চতা-কলাকৌশলতে আগলৈ নিব। বস্তী ধৰি থকা শিশু দুজনকো জাঁপ মৰাব। | তাঁহৰ বৃত্ত এটা আঁকি লৈ শিশুসকলক বৃত্তৰ চাৰিওকাষে থিয় হ'বলৈ দিব। ভিতৰ বুলি কোৱাৰ লগে লগে শিশুসকলে বৃত্তটোৰ ভিতৰলৈ আৰু বাহিৰলৈ বুলি ক'লে বাহিৰলৈ জাঁপ মাৰিব। কোনো শিশুৱে ভিতৰ বুলি ক'লে যদি বাহিৰলৈ জাঁপ মাৰে তেতিয়া সেই শিশুটো খেলৰ পৰা বাহিৰ হ'ব। এজন এজনকৈ বাহিৰ হৈ খেলটো পুনৰাবৃত্তি কৰিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি তুলিব। কি কি দিনৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদিহে শিশুসকলে আনিব লাগে আৰু কেনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মান দি শুনা, নিজৰ পাল অহালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ আয়ত্ত কৰাৰ বাবে শিশুসকলক সহায় কৰিব। | | | | |

# তৃতীয় সপ্তাহ

<table>
<tr><th>অধিৱেশন</th><th>সোমবাৰ</th><th>মঙ্গলবাৰ</th><th>বুধবাৰ</th><th>বৃহস্পতিবাৰ</th><th>শুক্রবাৰ</th></tr>
<tr><td rowspan="2">সমাৱেশ, প্রাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে ডাঙৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট</td><td colspan="5">প্ৰাতঃসভা- আদৰণি, প্ৰাৰ্থনা, ব্যায়াম, স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা নিৰীক্ষণ, মুক্ত কথোপকথন</td></tr>
<tr><td>ধকৰা পৰিৱেশন পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে চিনাকি পৰ্ব, অভিবাদন আৰু মুক্ত কথোপকথন</td><td>ধকৰা পৰিৱেশন পৰা আহি বিদ্যালয়ৰ পৰিৱেশৰ লগত খাপ-খুৱাবৰ বাবে চিনাকি পৰ্ব, অভিবাদন আৰু মুক্ত কথোপকথন</td><td>শিশুসকলে দুবাৰ চাপৰি মাৰি ক'ব- মোৰ নাম তাৰ পাছত আকৌ দুবাৰ টিলিকি মাৰি নিজৰ নামটো ক'ব</td><td>শিশুসকলে দুবাৰ চাপৰি মাৰি ক'ব- মোৰ নাম তাৰ পাছত আকৌ দুবাৰ টিলিকি মাৰি নিজৰ নামটো ক'ব</td><td>শিশুসকলৰ বাবে শ্ৰেণী কোঠাত মানি চলিবলগীয়া কিছুমান নীতি নিয়মৰ এখন চাৰ্ট ছবিসহ তৈয়াৰ কৰি শিক্ষক/শিক্ষয়িত্ৰীয়ে আঙুলি দেখুৱাই নিজে পঢ়াৰ লগতে শিশুসকলকো অৱগত কৰাব।</td></tr>
<tr><td rowspan="2">মুক্ত খেল (শিক্ষকৰ তত্ত্বাৱধানত শিশুসকলে নিজেই খেল খেলিব)</td><td colspan="5">শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণী কোঠাৰ নিৰ্দিষ্ট কোণসমূহত, (যেনে- কিতাপ কোণ, ব্লক) আদি থ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব।</td></tr>
<tr><td>মুক্ত খেল</td><td>মুক্ত খেল</td><td>মুক্ত খেল</td><td>মুক্ত খেল</td><td>মুক্ত খেল</td></tr>
<tr><td colspan="6">

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিব। উচিত নহ'বা ক্ৰিয়া-কলাপ নহ'বা তেওঁলোকৰ আগ্ৰহৰ পছন্দৰ কোণসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- শিশুসকলক ক্ৰিয়া-কলাপবোৰ বাছনি কৰিবলৈ নহ'বা তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰসমূহত থকা সামগ্ৰীৰে পছন্দ অনুযায়ী খেলিবলৈ দিয়া উচিত।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- ৰেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা উচিত।

</td></tr>
<tr><td>সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰা) ৩০-৩৫ মিনিট</td><td>কাৰ্ডপত্ৰত থকা বৃত্তাকাৰ আকৃতিটোত ৰঙা ৰং দিবলৈ দি বৃত্তাকাৰ আকৃতিটোৰ লগত চিনাকি কৰি দিব। পৰিৱেশত থকা বৃত্তাকাৰ আকৃতিৰ বস্তুৰ নাম সুধিব।</td><td>কাৰ্ডপত্ৰত থকা ত্ৰিকোণীয়া আকৃতিটোত হালধীয়া ৰং দিবলৈ দি ত্ৰিকোণীয়া আকৃতিটোৰ লগত চিনাকি কৰি দিব। পৰিৱেশত থকা ত্ৰিকোণীয়া আকৃতিৰ বস্তুৰ নাম সুধিব।</td><td>কাৰ্ডপত্ৰত থকা চাৰিকোণীয়া আকৃতিটোত নীলা ৰং দিবলৈ দি চাৰিকোণীয়া আকৃতিটোৰ লগত চিনাকি কৰি দিব। পৰিৱেশত থকা চাৰিকোণীয়া আকৃতিৰ বস্তুৰ নাম সুধিব।</td><td>কাৰ্ডপত্ৰত থকা ছবি দুখন চাই তুলনা কৰি দ্বিতীয় ছবিখনত কি কি নাই শিশুসকলক ক'বলৈ দিব আৰু লগতে ছবিখন অংকি সম্পূৰ্ণ কৰি ৰং কৰিবলৈ দিব।</td><td>শ্ৰেণী কোঠাৰ ভিতৰত বৃত্তাকাৰ, ত্ৰিকোণীয়া আৰু চাৰিকোণীয়া কি কি সামগ্ৰী আছে শিশুসকলক ক'বলৈ দিব।</td></tr>
<tr><td>কলাত্মক ক্ৰিয়া-কলাপঃ সৃষ্টিশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট</td><td>শিশুসকলক তলত সৰা পাত, ফুল সৰা ফুল সংগ্ৰহ কৰি ডাল সুতাৰে মালা গাঁথিব দিব। (বেজী যাতে ব্যৱহাৰ নকৰে)</td><td>শ্ৰেণীকোঠাটো কেনেদৰে আৰু কি বস্তুৰে সজালে সুন্দৰ দেখা হ'ব, প্ৰত্যেক শিশুকে সুধিব।</td><td>হাতৰ তলুৱা প্ৰথমে এটা আঙুলিৰে তাৰ পাছত ক্ৰমান্বয়ে ২, ৩, ৪ টা আঙুলিৰে মাৰি মাৰি বৰষুণ দেখুৱাই দি তাতে বুলি দিব। তিনি কেনেদৰে ৪, ৩, ২, ১ টা আঙুলিৰে হাতৰ তলুৱাত ক্ৰমান্বয়ে মাৰি মাৰি বৰষুণ কমি যোৱা বুলি ক'ব। প্ৰত্যেক শিশুকে জড়িত কৰাব।</td><td>বিভিন্ন ৰঙৰ মণিৰ থুপৰ পৰা একে ৰঙৰ মণিবোৰেৰে ক্ৰম মিলাই টান সুতাৰে মালা গাঁথিবলৈ দিব।</td><td>শিশুসকলক নিজৰ পছন্দ অনুযায়ী বালি/মাটিৰে বিভিন্ন আহি সাজিবলৈ দিব। লগতে কি কি সাজিছে, শিশুসকলক ক'বলৈ দিব।</td></tr>
<tr><td colspan="6">খোৱাৰ বিৰতি (৩০ মিনিট)</td></tr>
</table>

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰ/ আক্ষৰিক দক্ষতা | মৌখিক | এটা থলিত শিশুৰ পৰিচিত বিভিন্ন ছবি কাৰ্ড থ'ব। শিশুসকলক এজন এজনকৈ মাতি থলিত থকা ছবি কাৰ্ড এখন লৈ যিটো ছবি থাকে সেই বিষয়ে ক'বলৈ দিব। | শিশুসকলে প্ৰত্যেকে নিজৰ নাম ক'ব আৰু নামৰ প্ৰথম আখৰৰ ধ্বনিৰে আৰু দুটা শব্দ ক'ব। প্ৰয়োজন সাপেক্ষে শিক্ষক/ শিক্ষয়িত্ৰীয়ে শিশুসকলক সহায় কৰিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে কিছুমান ছন্দ মিলোৱা শব্দ, যেনে- 'আম' ক'ব শিশুসকলে মিলাই জাম, খাম ইত্যাদি ক'ব। শিশুসকলক তেনেধৰণৰ ছন্দ মিলোৱা শব্দ ক'বলৈ উৎসাহিত কৰিব। | শিশুসকলে প্ৰত্যেকে নিজৰ নাম ক'ব আৰু নামৰ শেষৰ আখৰৰ ধ্বনিৰে আৰু দুটা শব্দ ক'ব। প্ৰয়োজন সাপেক্ষে শিক্ষক/ শিক্ষয়িত্ৰীয়ে শিশুসকলক সহায় কৰিব। | শ্ৰেণী কোঠাৰ ভিতৰত কি কি বস্তু দেখিছে প্ৰত্যেক শিশুক ক'বলৈ দিব। |
| | পঠন | কাৰ্যপত্ৰ ১৩ ত থকা ছবিখন চাই মুক্তভাৱে কথা পাতিব। | কাৰ্যপত্ৰ ১৪ ত থকা পদ্যটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ১৪ ত থকা পদ্যটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ১৪ ত থকা কবিতাটো শিশুসকলে নিজে পাৰিলে চেষ্টা কৰিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | কাৰ্যপত্ৰ ১৫ ত থকা প্ৰতিটো শাৰীৰ অমিলটো বাছি শিশুসকলক ঘেৰ দিবলৈ দিব। |
| | লিখন | শিক্ষক/শিক্ষয়িত্ৰীয়ে বালিত শিশুসকলে দেখা পোৱাকৈ ঘূৰণীয়া, তিনিকোণীয়া আৰু চাৰিকোণীয়া আকৃতি আঁকি দিব আৰু শিশুসকলেও অনুকৰণ কৰি বালিত আঁকিব। | শিক্ষক/ শিক্ষয়িত্ৰীয়ে বায়ুমণ্ডলত শিশুসকলে দেখা পোৱাকৈ ঘূৰণীয়া, তিনিকোণীয়া আৰু চাৰিকোণীয়া আকৃতি আঁকি দিব আৰু শিশুসকলে অনুকৰণ কৰি বায়ুমণ্ডলত আঁকিব। | প্ৰত্যেক শিশুক ফলি/পুৰণি উকা কাগজ/কেলেণ্ডাৰ আদিত পেঞ্চিলেৰে ঘূৰণীয়া আকৃতি আঁকিবলৈ দিব। | প্ৰত্যেক শিশুক ফলি/পুৰণি উকা কাগজ/কেলেণ্ডাৰ আদিত পেঞ্চিলেৰে তিনিকোণীয়া আকৃতি আঁকিবলৈ দিব। | প্ৰত্যেক শিশুক ফলি/পুৰণি উকা কাগজ/কেলেণ্ডাৰ আদিত পেঞ্চিলেৰে চাৰিকোণীয়া আকৃতি আঁকিবলৈ দিব। |
| বাহিৰৰ খেল (সূক্ষ্মপেশী) ৩০-৩৫ মিনিট | | শিশুসকল বৃত্তাকাৰে থিয় হ'ব। শিক্ষক/শিক্ষয়িত্ৰীয়ে হাত চাপৰি বজাব। যেতিয়া লাহে লাহে চাপৰি বজাব তেতিয়া শিশুসকলে লাহে লাহে খোজকাঢ়িব আৰু হাত চাপৰি বেগাই বজালে তেতিয়া বেগাইকৈ খোজ কাঢ়িব। | এডাল দীঘল ৰছী মজিয়াত চিহ্নিত ঠাইত থৈ শিশুসকলক ৰছীডালৰ ওপৰেৰে ভাৰসাম্য ৰাখি পিছুৱাই খোজকাঢ়ি যাবলৈ দিব। এইটো লক্ষ্য ৰাখিব লাগিব যাতে ভৰি ৰছীৰ ওপৰত থাকে। | শিক্ষক/শিক্ষয়িত্ৰীৰ নিৰ্দেশমতে শিশুসকলে পেৰেড কৰিব। শিক্ষক/ শিক্ষয়িত্ৰী নেতা হ'ব। (লেফ্‌ট–ৰাইট, বাওঁ ভৰি–সোঁ ভৰি আদি নিৰ্দেশনাৰে পেৰেড কৰাব) | এডাল ৰছী মজিয়াত এঁকা-বেঁকাকৈ থৈ শিশুসকলক ৰছীডালৰ ওপৰেৰে ভাৰসাম্য ৰাখি পিছুৱাই খোজকাঢ়ি যাবলৈ দিব। এইটো লক্ষ্য ৰাখিব লাগিব যাতে ভৰি ৰছীৰ ওপৰত থাকে। | শিশুসকলে ভৰি দুখন বহলাই মেলি শাৰীত থিয় হ'ব আৰু শাৰীৰ প্ৰথমজন শিশুৱে বল এটা সকলো শিশুৰ ভৰিৰ মাজেৰে বলটো মাৰি শেষজনলৈ পঠিয়াব। এতিয়া শেষৰ শিশুজনে বলটো হাতত লৈ দৌৰি আহি শাৰীৰ প্ৰথমত থিয় হৈ খেলটো পুনৰাবৃত্তি কৰিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি তুলিব, কিছুমানৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদিহে শিশুসকলে আনিব লাগে আৰু কেনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পাল পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ আয়ত্ত কৰাৰ বাবে শিশুসকলক সহায় কৰিব। | | | | |

# চতুৰ্থ সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে ডাঙৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● জড়তা ভঙ্গৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | প্ৰত্যেকজন শিশুৱে প্ৰত্যেকৰ আনজনক নমস্কাৰ/কৰমৰ্দন কৰি সম্ভাষণ জনাব শিক্ষক/ শিক্ষয়িত্ৰীয়ে শিশুসকলৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠাতো নিশ্চিত কৰিব। | প্ৰাৰ্থনাৰ ক্ৰিয়া-কলাপত শিশুৱে সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰাটো শিক্ষক/ শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰিব। | প্ৰাৰ্থনাৰ পিছত দিয়া নিৰ্দেশনাবোৰ প্ৰত্যেক শিশুৱে মানি চলিব পাৰিছে নে নাই শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰাৰ লগতে প্ৰত্যেক শিশুৱে প্ৰতিটো ক্ৰিয়া-কলাপতে যাতে অংশগ্ৰহণ লয়, তাৰ প্ৰতি শিক্ষক/শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। | | |
| মুক্ত খেল (শিক্ষণ কোণত শিশুসকলে নিজেই খেল খেলিব) ৫০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ ক্ষেত্ৰ, ব্লক ক্ষেত্ৰ) থ'ব। এই সামগ্ৰী বোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত নাইবা আগ্ৰহৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- ● শিশুসকলক ক্ৰিয়া-কলাপবোৰ বাছনি কৰিবলৈ নাইবা তেওঁলোকৰ আগ্ৰহৰ ক্ষেত্ৰসমূহত থকা সামগ্ৰীৰে পছন্দ অনুযায়ী খেলিবলৈ দিয়া উচিত।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- ৰেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা উচিত।

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্বন্ধীয় আৰু বিজ্ঞান সম্বন্ধীয় চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰা) ৩০-৩৫ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে প্ৰত্যেক শিশুকে একোখনকৈ তিনিকোণীয়া নাইবা বৃত্তাকাৰ আকৃতিৰ ছবিকাৰ্ড দিব। তাৰ পাছত শিশুসকলক ছবি কাৰ্ডবোৰ প্ৰত্যেকে আনজনৰ লগত মিলাই চাই একে আকৃতিৰ ছবিকাৰ্ড পোৱা শিশুসকলক একগোট হ'বলৈ দিব। | কাৰ্যপত্ৰ ১০৫ থকা প্ৰতিটো শাৰীৰ আকৃতিবোৰৰ বিন্দু সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | এটা থলাইত কোমল, টান, খহটা, মিহি সামগ্ৰী কিছুমান মিহলি কৰি থ'ব। তাৰ পাছত প্ৰত্যেক শিশুকে একজন একজনকৈ থলাইটোৰ পৰা এবিধ সামগ্ৰী আনি ছুই চাই কোমল/টান/খহটা/মিহি শিশুসকলক ক'বলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক মিঠা, টেঙা আৰু নিমখীয়া সোৱাদৰ বস্তুৰ নাম সুধিব। | কাৰ্যপত্ৰ ১১৩ ত থকা প্ৰতিটো শাৰীৰ অমিলটো বাছি উলিয়াবলৈ দিব। অমিল হোৱাৰ কাৰণটো শিশুসকলক সুধিব। |
| কলাত্মক ক্ৰিয়া-কলাপঃ সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | পুৰণি কাগজ সৰু সৰুকৈ ফালি শিশুসকলক সৰু সৰু বল বনাবলৈ দিব। শিক্ষকে শিশুসকলে বনোৱা সৰু-সৰু বলবোৰ যতনাই থ'বলৈ ব্যৱস্থা কৰি দিব। | কাৰ্যপত্ৰ ১০৫ থকা প্ৰতিটো শাৰীৰ আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ সৰু আকৃতি ছবিখন দেখুৱাই নিৰ্দেশ অনুযায়ী ৰং কৰিবলৈ দিব। | শিশুসকলক মাটি/কাঠিৰ সহায়ত ফলৰ আকৃতি আঁকিবলৈ দিব। শিশুসকলে সেই বস্তুবোৰ সংৰক্ষণ কৰি থ'ব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে মজিয়াত চকেৰে ডাঙৰকৈ মাছ এটা আঁকি দিব। তাৰ পাছত আগৰ দিনা বনোৱা কাগজৰ সৰু সৰু বলবোৰ মাছটোৰ পৰিসীমাত শিশুসকলক থ'বলৈ দিব। এই কাৰ্যটো শেষ হোৱাৰ পিছত মূল্যায়ন কৰিবৰ বাবে কাৰ্যটো শিক্ষকে নিশ্চিত কৰিব। | এটা পাত্ৰত পানী লৈ চামুচ এখনেৰে পানী নপৰাকৈ এটা পাত্ৰত প্ৰত্যেক শিশুকে ঢালিবলৈ দিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাংস্কৃতিক দক্ষতা (শিক্ষকে ৩ টাৰ দলৰ গোট পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | মৌখিক | শিক্ষক/শিক্ষয়িত্ৰীয়ে সৰল ভংগিৰে কিছুমান নিৰ্দেশনা দিব। যেনে- তুমি আহা, তুমি যোৱা, দুৱাৰ বন্ধ কৰা আদি। শিশুসকলে লগে লগে সেই অঙ্গ-ভংগিৰে কি বুজাব খুজিছে কৰিবলৈ দিব। | প্ৰতিজন শিশুকে অঙ্গ-ভংগিৰে কিছুমান নিৰ্দেশনা দিবলৈ দি সহপাঠীক তেওঁ কি বুজাব খুজিছে ক'বলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে প্ৰত্যেক শিশুকে তেওঁলোকৰ নিজৰ বিষয়ে কিছুমান সহজ-সৰল প্ৰশ্ন সুধিব আৰু প্ৰত্যেক শিশুৱে উত্তৰ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে নিজৰ শৰীৰৰ বহিৰ্ভাগৰ অংগ-প্ৰত্যংগ স্পৰ্শ কৰি দেখুৱাই নামবোৰ কৈ যাব আৰু শিশুসকলক তেনে কৰিবলৈ উৎসাহিত কৰিব। | শিশু এজনে শ্ৰেণীকোঠাত থকা বস্তুবোৰ আঙুলিয়াই দেখুৱাব আৰু আন শিশুবোৰে নামবোৰ ক'ব। প্ৰত্যেকে এই ক্ৰিয়া-কলাপটো কৰিব। |
| | পঠন | কাৰ্যপত্ৰ ১২৩ থকা ছবিখন চাই মুক্তভাৱে কথা পাতিব। | কাৰ্যপত্ৰ ১২৩ থকা পদ্যটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ১২৩ থকা পদ্যটো আখৰৰ তলে তলে আঙুলি থৈ স্পষ্ট উচ্চাৰণেৰে পঢ়িব আৰু শিশুসকলেও নিজৰ নিজৰ কাৰ্যপত্ৰত আঙুলি থৈ শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ১২৩ থকা কবিতাটো শিশুসকলে নিজে গাবলৈ চেষ্টা কৰিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | কাৰ্যপত্ৰ ১২৩ কবিতাটোত থকা ছন্দৰ মিল থকা শব্দবোৰ শিক্ষক/শিক্ষয়িত্ৰীয়ে পঢ়ি যাব, লগে লগে শিশুসকলেও পঢ়ি যাব যেনে-পৰে-উঠে, খেল-মেল। শিক্ষক/শিক্ষয়িত্ৰীয়ে নিজৰ ফালৰ পৰাও কিছুমান ছন্দ মিল থকা শব্দ ক'ব। |
| | লিখন | কাৰ্যপত্ৰ ১৩৩ থকা চাৰেঙিবোৰ শিশুসকলক বিন্দু সংযোগ কৰিবলৈ দিব। (ৰঙীন পেঞ্চিলৰ সহায়ত) | কাৰ্যপত্ৰ ১৪৩ থকা চাৰেঙিবোৰ শিশুসকলক কাঠপেঞ্চিলেৰে বিন্দু সংযোগ কৰিবলৈ দিব। | প্ৰত্যেক শিশুকে মনৰ ভাব প্ৰকাশ কৰিবলৈ ৰঙীন/পুৰণি কেলেণ্ডাৰ আদিত আঁকি-বাকি কৰিবলৈ দিব। | নিজৰ ভাল পোৱা খোৱা বস্তুৰ ছবি ৰঙীন/পুৰণি কেলেণ্ডাৰ আদিত আঁকিবলৈ দিব। | ৰঙীন/পুৰণি কেলেণ্ডাৰ আদিত ওপৰৰ পৰা তললৈ আৰু বাওঁফালৰ পৰা সোঁফাললৈ আঁচ টানিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিশুসকলৰ মাজত দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাব। | শিশুসকল বৃত্তাকাৰে থিয় হ'ব। তাৰপাছত শিক্ষক/শিক্ষয়িত্ৰীয়ে নিৰ্দেশনা অনুসৰি লাহেকৈ দৌৰা বুলি ক'লে শিশুসকলে লাহে লাহে আৰু খৰকৈ দৌৰা বুলি ক'লে খৰকৈ দৌৰিব। | ৰছী এডাল মজিয়াত টিপাইকৈ পাৰি দিব। শিশুসকলক মূৰত এখন কিতাপ লৈ শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰি ৰছী ডালৰ ওপৰেৰে কিতাপখন নপৰাকৈ পাৰ হ'ব। কিতাপখন মজিয়াত যাতে নপৰে, তালৈ শিক্ষকে মন কৰিব। | শিশুসকল বৃত্তাকাৰে থিয় হ'ব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে মাজত থিয় হৈ থাকিব। প্লাষ্টিকৰ বল এটা লৈ শিশু এজনৰ নাম লৈ বলটো তেওঁলৈ দলিয়াই দিব আৰু শিশুটোৱেও বলটো ঘূৰাই তৎক্ষণাত শিক্ষক/শিক্ষয়িত্ৰীলৈ দলিয়াই দিব। এনেদৰে প্ৰত্যেক শিশুৱে পালক্ৰমে খেলিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে বল এটা ওপৰলৈ দলিয়াই দিব আৰু থিয় হৈ থকা শিশুসকলৰ ভিতৰৰ যিজন শিশুৱে বলটো ধৰিব পাৰে তেওঁ আকৌ বলটো ওপৰলৈ মাৰি পঠিয়াই খেলটো আগবঢ়াই নিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি অৰ্থাৎ পিছদিনাৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদিহে শিশুসকলে আনিব লাগে তাক কেনেকৈ শিশুসকলে সংগ্ৰহ কৰি আনিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পালা পৰালৈ অপেক্ষা কৰা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে শিশুসকলক সহায় কৰিব। | | | | |

# পঞ্চম সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সমাৱেশ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উক্ত দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | • শিশুসকলক আদৰণি • ডাঙৰ অঙ্গৰ বাবে ব্যায়াম • স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ • মুক্ত কথোপকথন • কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | প্ৰত্যেকজন শিশুৱে এজনে আনজনক নমস্কাৰ/কৰমৰ্দন কৰি সম্ভাষণ জনাব। শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠাতো নিশ্চিত কৰিব। | প্ৰাতঃকালীন ক্ৰিয়া-কলাপত শিশুৱে সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰিব। | প্ৰাতঃসভাত দিয়া নিৰ্দেশনাবোৰ প্ৰত্যেক শিশুৱে মানি চলিব জনাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰাৰ লগতে প্ৰত্যেক শিশুৱে প্ৰতিটো ক্ৰিয়া-কলাপতে যাতে আগভাগ লয় তাৰ প্ৰতি শিক্ষক/শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। | | |
| মুক্ত খেল (শিশুৱে নিজৰ পছন্দৰ দলীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱকৰ পৰা সংগ্ৰহ কৰা বিভিন্ন সামগ্ৰী, যেনে- ব্লক, লুডু, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট খেলসমূহত, (যেনে- কিতাপ কোণ, ব্লক কোণ) ৰ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষক-শিক্ষয়িত্ৰীয়ে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত যাতে আগ্ৰহৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- খেলা-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- ৰেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেকৈ অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা বাঞ্ছনীয়।

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সজাগতা আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিশুসকলক ৪/৫ জনীয়া দলত ভাগ কৰি প্ৰত্যেককে পৰিৱেশৰ কিছুমান বস্তু যেনে- শিলগুটি, টেঙৰ পাত, কাগজ, বটলৰ ঢাকন, শুকান ঠানি আদি সংগ্ৰহ কৰি প্ৰত্যেক দলৰ বাবে ৰখা পানীৰ পাত্ৰ (যেনে- চৰিয়া বা বাল্টিৰ পানীত) দি পৰ্যবেক্ষণ কৰি কোনবিধ পানীত ওপঙিছে আৰু কোনবিধ ডুবিছে প্ৰত্যেককে ক'বলৈ দিব। | পৰিৱেশত পোৱা কিছুমান বস্তু সংগ্ৰহ কৰি শিশুসকলক দেখুৱাৰ পাছত তাৰ পৰা কিছুমান বস্তু আতৰাই থ'ব। তাৰ পাছত শিশুসকলক বস্তু পুনৰ দেখুৱাই কি কি নাই ক'ব দিব। | শিশুসকলক হালধি গুড়ি, বগা ফাকু গুড়ি, মিহি মাটি, আটাগুড়ি দি ৪টা দলত ভগাই দিব। প্ৰত্যেক দলক গিলাচৰ পানীত মিহলাবলৈ দিব। অলপ সময় পাছত নিজৰ পানীৰ গিলাচটো পৰ্যবেক্ষণ কৰি কি দেখিছে সকলোকে সুধিব। প্ৰত্যেকটো দলৰ গিলাচকেইটা সংগ্ৰহ কৰি সকলোৰে দেখাৰ আৰু সুধিব। | শিশুসকলক উচ্চতাৰ ক্ৰম অনুসৰি চাপৰৰ পৰা ওখলৈ আৰু ওখৰ পৰা চাপৰলৈ এটা শাৰীত থিয় হ'বলৈ দিব (কমেও ৫ জন) শাৰী সৃষ্টিকৰণৰ বাবে শিশুসকলক মুকলিলৈ নি গছ-গছনি পৰ্যবেক্ষণ কৰি প্ৰত্যেককে ওখ চাপৰ গছবোৰ ক'বলৈ দিব। | এটা পানীৰ চৰিয়াত কেইটুকুৰামান স্পঞ্জ পেলাই থ'ব। তাৰ পাছত প্ৰত্যেক শিশুকে এটুকুৰাকৈ স্পঞ্জ লৈ খালী পাত্ৰত স্পঞ্জ টুকুৰা চেপি পানী পেলাবলৈ দি পুনৰ স্পঞ্জ টুকুৰা চৰিয়াৰ পানীত থ'বলৈ দিব। প্ৰত্যেকেই ক্ৰিয়া-কলাপটো কৰাৰ পাছত চৰিয়াৰ পানীৰ পৰিমাণ কমিলনে একেই আছে পৰ্যবেক্ষণ কৰি ক'বলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ, সৃজনশীল সৌন্দৰ্যবোধ আৰু সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | আঙুলিৰ মূৰত ৰং লগাই ছাপ দিবলৈ দিব তাৰ পাছত সুন্দৰ আকৃতি দিবলৈ সহায় কৰিব। মুক্তখেলৰ আৱশ্যকীয়তে শিশুসকলক সৌ-ঘটনা/প্ৰশ্নাৱলীবোৰ শাৰীৰিক ভংগীৰে আৰু ঠাইৰ ব্যৱহাৰ শিকাব। | অৰিগেমিঃ পুৰণি বাতৰি কাকত, তালোৱনী আদিৰ কাগজ ভাঁজ কৰি নাও, উৰাজাহাজ, ফুলৰ আহি শিশুসকলক সজাবলৈ দিব। | অৰিগেমিঃ শিশুসকলক কাগজ ভাঁজ কৰি নিজৰ পছন্দ অনুযায়ী আহি প্ৰস্তুত কৰিবলৈ দিব। প্ৰয়োজনত শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰি দিব। | ডাঙৰ কাগজত ত্ৰিকোণ ছবি ডাঙৰকৈ আঁকি দি শিশুসকলক পৰিসীমাৰ ভিতৰত সৰু সৰু খুৰলীয়া আকৃতি আঁকিবলৈ দিব। পাছত উক্ত আঁকা আকৃতিবোৰত ৰং কৰিবলৈ দিব। | শিশুসকলক মাটিৰ বা আটাৰ লাডুৰে বিভিন্ন বস্তু সাজিবলৈ দিব। যেনে- বল, ফল, পাত আদি। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ওপৰৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | প্ৰত্যেক শিশুকে পাচলিৰ নাম ক'বলৈ দিব। কেইটামানে কি কি পাচলি খাই ভাল পায় সুধিব। | কোনবোৰ পাচলি কেচাই খাই ভাল পাব পাৰি সেইবোৰৰ নাম শিশুসকলক ক'বলৈ দিব। | প্ৰত্যেকজন শিশুকে যিবোৰ পাচলিত গুটি থাকে সেইবোৰৰ নাম ক'বলৈ দিব। | শিশুসকলক মাটিৰ তলত হোৱা আৰু মাটিৰ ওপৰত হোৱা পাচলিৰ নাম সুধিব। | পাচলি খালে আমাৰ কি উপকাৰ হয়, কিয় খাব লাগে সেই বিষয়ে শিশুসকলে যি জানে ক'বলৈ দিব, প্ৰয়োজনত শিক্ষকে সহায় কৰিব। |
| | পঠন | কাৰ্যপত্ৰ ১৫ত থকা ছবিখন চাই কি কি পাচলি দেখিছে প্ৰত্যেকজন শিশুকে ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৫ত থকা কবিতাটো শিক্ষক/ শিক্ষয়িত্ৰীয়ে বাক্যবোৰ পঢ়া দেখুৱাই আঙুলি দি পঢ়ি, লগতে শিশুসকলেও তেওঁক অনুকৰণ কৰি পঢ়িব। | কাৰ্যপত্ৰ ১৫ৰ কবিতাটোত থকা হুলুল দিয়া শব্দবোৰ শিক্ষক/ শিক্ষয়িত্ৰীয়ে পঢ়ি যাব লগে লগে শিশুসকলেও পঢ়ি যাব। যেনে- বাগিচা-দেখিছা, ইমান-কিমান। শিক্ষক/ শিক্ষয়িত্ৰীয়ে নিজৰ ফালৰ পৰাও কিছুমান ছন্দ মিল থকা শব্দ ক'ব। | কাৰ্যপত্ৰ ১৫ৰ ছবি চাই প্ৰতিজন শিশুক দুটাকৈ বাক্য ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৬ৰ ছবি চাই অমিলটো বাছি উলিয়াব দিব। শিশুসকলক কিয় অমিল বুলি ক'লে কাৰণটো সুধিব। |
| | লিখন | কাৰ্যপত্ৰ ১৭ত থকা পাচলিৰ ছবিৰ ফুটবোৰ সংযোগ কৰিব দিব। | কাৰ্যপত্ৰ ১৭ত থকা পাচলিৰ ছবিত ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ১৭ত থকা পাচলিৰ ছবিত পৰ্টিকা কাগজৰ সৰু সৰু টুকুৰা কাটি লগাবলৈ দিব। | পাচলিৰ যিকোনো ছবি এটাত আঁকি দিব আৰু শিশুসকলক নিজৰ ৰুচিমতে/উপযোগী ৰঙেৰে আঁকিবলৈ দিব। | শিশুসকলে নিজৰ ৰুচি/ইচ্ছা অনুসৰি নিজৰ পছন্দমতে পাচলিৰ ছবি আঁকিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিক্ষক/ শিক্ষয়িত্ৰীয়ে শিশুসকলক শাৰী পাতি থিয় কৰাই দি শাৰীৰ প্ৰথমজন শিশুৰ হাতত এটা বল দিব। শিশুসকলৰ পৰা কিছু দূৰত মাটিত এটা বৃত্ত আঁকি দিব। প্ৰতিজন শিশুৱে এডাল নিৰ্দিষ্ট লাইনত থিয় হৈ বলটো বৃত্তটোৰ ভিতৰত পৰাকৈ দলিয়াবলৈ দিব। কোনোবাই নোৱাৰিলে পুনৰ মাৰিব দিব। | শিশুসকল বৃত্তাকাৰে থিয় হ'ব। শিক্ষক/ শিক্ষয়িত্ৰীয়ে চাপৰি/টিলিঙা বজাব আৰু তাৰ চেৱে চেৱে শিশুসকলে বৃত্তাকাৰে একে দিশতে দৌৰি থাকিব। চাপৰি/টিলিঙা বজোৱা বন্ধ হ'লে শিশুসকল লগচৰ কাষৰীয়াক ধৰি বহি পৰিব। ভুল কৰা শিশুজনে বৃত্তটোৰ বাহিৰত থিয় হ'ব। এইদৰে খেলটো খেলাই যাব। শেষত যিজন শিশু থাকিব তেওঁৱেই জয়ী হ'ব। | শিশুসকলক অৰ্ধবৃত্তাকাৰে থিয় কৰাই ল'ব। তাৰ পাছত শিক্ষক/ শিক্ষয়িত্ৰীৰ মাজত থিয় হৈ ভৰি দুখন লগ লগাই, বাকি নিজৰ দুয়োখন হাত এবাৰ দুয়োফালে, এবাৰ সন্মুখৰ ফালে, এবাৰ ওপৰলৈ চিধাকৈ মেলি দিব আৰু হাত দুখন তললৈ নিব। শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি শিশুসকলে কৰি যাব। | শিশুসকলক সহজ যোগাসন কৰিবলৈ দিব। | মাটিত এটা বৃত্ত আঁকি লৈ শিশুসকলক বৃত্তটোৰ পৰিসীমাত থিয় হ'বলৈ দিব। 'ভিতৰ' বুলি কোৱাৰ লগে লগে শিশুসকলে বৃত্তটোৰ ভিতৰলৈ আৰু 'বাহিৰ' বুলি ক'লে বাহিৰলৈ জাপ মাৰিব। কোনো শিশুৱে ভিতৰ বুলি ক'লে যদি বাহিৰলৈ জাপ মাৰে তেতিয়া সেই শিশুজন বৃত্তটোৰ পৰা বাহিৰলৈ গৈ বহি দিব আৰু খেলখন পৰ্যবেক্ষণ কৰিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষক/শিক্ষয়িত্ৰীৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে কি কি দিনাৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী বিচাৰি শিশুসকলে আনিব লাগে আৰু কোনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজনৰ অভ্যাস প্ৰতিদিনে কৰাব, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পাল অহালৈ বাটচোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | | |

# ষষ্ঠ সপ্তাহ

| অধিবেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সমাৱেশ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে ডাঙৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● জড়তা ভঙ্গৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | প্ৰত্যেকজন শিশুৱে এজনে-আনজনক নমস্কাৰ/সেলাম কৰি সম্ভাষণ জনাব। শিক্ষক/ শিক্ষয়িত্ৰী আৰু শিশুসকলৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠাটো নিশ্চিত কৰিব। | প্ৰাত্যহিক ক্ৰিয়া-কলাপত শিশুৱে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাটো শিক্ষক/ শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰিব। | প্ৰাতঃসমাৱেশত দিয়া নিৰ্দেশনাবোৰ প্ৰত্যেক শিশুৱে মানি চলিব পৰাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰাৰ লগতে প্ৰত্যেক শিশুৱে প্ৰতিটো ক্ৰিয়া-কলাপত যাতে আগ্ৰহেৰে ভাগ লয় তাৰ প্ৰতি শিক্ষক/শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। | | |
| মুক্ত খেল (শিশুৱে সৃজনী কৰা সকলীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱকক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, লুডু, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট কেন্দ্ৰসমূহত, (যেনে- কিতাপ কেন্দ্ৰ, ব্লক কেন্দ্ৰ) ৰাখিব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত নাইবা আগ্ৰহৰ কেন্দ্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ কৰা সা-সামগ্ৰীবোৰ সুশৃংখলিত থোৱাৰ বাবে যেনে- বেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা বাঞ্ছনীয়।

| | | | | | |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সজাগতা আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিশুসকলক বাহিৰলৈ লৈ যাব আৰু প্ৰত্যেককে গিলাচ এটাকৈ সম্পূৰ্ণকৈ বালি ভৰাই লৈ ১ গিলাচ.... ২ গিলাচকৈ মুখেৰে কৈ কৈ বালিৰে এটা বাল্টী/মগত সম্পূৰ্ণকৈ ভৰাবলৈ দিব। পিছত মগটো ভৰ্তি হ'বলৈ কেইটা গিলাচ বালি লাগিব সুধিব। | সহজে উপলব্ধ দুবিধকৈ সৰু-ডাঙৰ সামগ্ৰী লওক। যেনে- এটা ডাঙৰ বল-এটা সৰু বল, এটা ডাঙৰ বটল-এটা সৰু বটল, এটা ডাঙৰ বাল্টি-এটা সৰু বাল্টি আদি দুবিধ একে ধৰণৰ সামগ্ৰীৰ মাজত ডাঙৰ সৰু তুলনা কৰিবলৈ দিব। | একেধৰণৰ কিছুমান সৰু-ডাঙৰ পাত সংগ্ৰহ কৰি ক্ৰম অনুসৰি পাতবোৰ সৰুৰ পৰা ডাঙৰলৈ আৰু ডাঙৰৰ পৰা সৰুলৈ শিশুসকলক সজাবলৈ দিব। (কমেও ৫টা পাত) | শ্ৰেণীকোঠাত কি কি বস্তু কেইটা আছে ক'বলৈ দিব। | শিশুসকলক তিনিডাল সৰু ডাঙৰ পেঞ্চিল দিব। নিৰ্দিষ্ট পেঞ্চিল তিনিডাল সৰুৰ পৰা ডাঙৰলৈ একেটা শাৰীতে সজাবলৈ দিব। কিয় এনেদৰে সজালে, তুলনামূলক শব্দ ব্যৱহাৰ কৰি (যেনে-এইডাল, পেঞ্চিলতকৈ সেইডাল দীঘল) শিশুসকলক ক'বলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ: সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলক চিলা এখন আঁকি পৰিকল্পনা নাইবা ইচ্ছা/পছন্দ অনুযায়ী ৰং বোলাবলৈ দিব। | শিশুসকলক মাটি বা আটাৰ লাড়ুৰে ঘূৰণীয়া, ত্ৰিকোণীয়া, চতুষ্কোণীয়া আকৃতি সাজিবলৈ দিব আৰু কাগজত সেইবোৰ শুকুৱাই সংগ্ৰহ কৰি ৰাখিবলৈ শিকাব। | শিশুসকলক মাটি বা আটাৰ লাড়ুৰে কমলা, বিস্কুট, চকা, নিমখি, ৰবৰ আদি সাজিবলৈ দিব। | শিশুসকলক মাটি বা আটাৰ লাড়ুৰে মণিমালাৰ বাবে মণি বনাবলৈ দিব। প্ৰত্যেকেই ৪/৫ টাকৈ মণি বনাই শুকুৱাই ৰাখিব। পিছত ডাঠ ৰঙেৰে মণিবোৰ বিভিন্ন ৰং কৰিবলৈ দিব। | পুৰণি বাতৰি কাগজ পানীত তিয়াই হাতেৰে মোহাৰি মোহাৰি বল সাজিবলৈ দিব। শুকুৱাৰ পাছত ৰঙীন কাগজ সৰু সৰুকৈ ফালি বলবোৰত আঠা লগাবলৈ দিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ৬ জনৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | প্ৰত্যেক শিশুকে কিছুমান ফুলৰ নাম ক'বলৈ দিব। সিহঁতে কোনো ফুলবোৰ কি ৰঙৰ সুধিব। | কিছুমান গোন্ধ থকা আৰু গোন্ধ নথকা ফুলৰ নাম ক'বলৈ দিব। | ফুল আমাৰ কি কি কামত লাগে শিশুসকলক ক'বলৈ দিব। | প্ৰত্যেক শিশুক কিছুমান ঘৰচীয়া প্ৰাণীৰ নাম ক'বলৈ দিব আৰু নিজৰ প্ৰিয় ঘৰচীয়া প্ৰাণীৰ বিষয়ে দুটা বাক্য ক'বলৈ দিব। | ঘৰচীয়া প্ৰাণীয়ে আমাক কি কি কামত সহায় কৰে সুধিব। প্ৰয়োজন সাপেক্ষে কাৰ্যপত্ৰ ১১ৰ সহায় ল'ব। |
| | পঠন | কাৰ্যপত্ৰ ১৮ত থকা ছবিখন চাই প্ৰত্যেক শিশুকে কি কি দেখিছে ক'বলৈ দিব। | কাৰ্যপত্ৰ ১৮ত থকা ছবিখন চাই প্ৰত্যেক শিশুকে কি কি ফুল দেখিছে, ফুলবোৰৰ ৰং ক'বলৈ দিব। পানীত আৰু মাটিত হোৱা ফুলৰ নাম সুধিব। | কাৰ্যপত্ৰ ১৯ত থকা ছবিখন চাই প্ৰত্যেক শিশুকে কি কি প্ৰাণী দেখিছে ক'বলৈ দিব আৰু থকা প্ৰাণীবোৰৰ খাদ্যাভাস আৰু স্থানৰ বিষয়ে সুধিব। | কাৰ্যপত্ৰ ১৯ৰ ছবিত থকা প্ৰত্যেক প্ৰাণীৰ বিষয়ে প্ৰত্যেক শিশুক ১/২ শাৰী বাক্যত শুদ্ধকৈ ক'বলৈ দিব। | কাৰ্যপত্ৰৰ ২০ত থকা ছবি দুখনৰ মাজৰ পাঁচটা অমিলটো শিশুসকলক বিচাৰিবলৈ দিব আৰু কিয় অমিল প্ৰশ্ন সুধিব। |
| | লিখন | কাৰ্যপত্ৰ ২১(ক)ত থকা বিন্দুবোৰ কাঁড় চিনৰ নিৰ্দেশ অনুসৰি সংযোগ কৰি ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২১(খ)ত থকা বিন্দুবোৰ কাঁড় চিনৰ নিৰ্দেশ অনুসৰি সংযোগ কৰি ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২২ত থকা ফুলৰ ছবিত বিন্দু সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২২ত বিন্দু সংযোগ কৰা ফুলৰ ছবিৰ পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব। | বৰ্ডত ফুল এটা আঁকি দিব আৰু শিশুসকলক চাই চাই কপিত/কাগজত আঁকিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিশুসকলক অৰ্দ্ধবৃত্তাকাৰে থিয় কৰাব। শিক্ষক/শিক্ষয়িত্ৰীয়ে দলপতি হৈ শিশুসকলক কল্পনা কৰি কিছুমান কাৰ্য সৃজনীমূলকভাৱে কৰিব দিব। যেনে- বিদ্যালয়লৈ বেগাই দৌৰা, ফুলনিত পখিলা হোৱা, বগৰী পাৰা, গাড়ীক মাৰা আদি। | শিশুসকলক কিছুমান সহজ-সৰল ব্যায়াম কৰাই সেইবোৰ ব্যায়ামবোৰ অভ্যাস কৰিবলৈ দিব। | শিশুসকলক খুলামাঠিত থিয় হ'বলৈ দিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে বিভিন্ন চৰাইৰ নাম ক'ব- কাউৰী উৰে, ভাটৌ উৰে, পাৰ উৰে, আদি আৰু শিশুসকলে হাত দুখন উৰি যোৱাৰ দৰে অভিনয় কৰিব। চৰাইৰ নাম কৈ থকাৰ মাজতে শিক্ষকে ভুলকৈ 'গৰু উৰে' বুলি ক'ব আৰু যিজন শিশুৱে উৰাৰ দৰে অভিনয় কৰিব তেওঁ বহি যাব লাগিব। | শিশুসকলক হাঁহ, কুকুৰা, মেকুৰী আৰু ঘোঁৰা নামেৰে চাৰিটা ঘৰচীয়া প্ৰাণীৰ দলত ভাগ কৰিব। হাঁহ হোৱা দলটোৰ প্ৰত্যেকজন শিশুৱে পেক্ পেক্ কৰি, কুকুৰা হোৱা দলটোৱে কুকুৰুকু কৰি, মেকুৰী হোৱা দলটোৱে মেঁও মেঁও কৰি আৰু ঘোঁৰা হোৱা দলটোৱে খট্ খট্ কৰি শাৰীপাতি শ্ৰেণীকোঠাৰ ভিতৰত প্ৰথমতে এপাক ঘূৰিব আৰু এপাক প্ৰত্যেককে ঘূৰিবলৈ দি এইদৰে খেলটো খেলাই থাকিব। শিক্ষক/শিক্ষয়িত্ৰীয়ে খেলটো প্ৰথমে শিশুসকলক বুজাই দিব। | শিশুসকল বৃত্তাকাৰে পৰস্পৰে পৰস্পৰৰ হাতত ধৰি থিয় হ'ব। এজন শিশু মেকুৰী হৈ বৃত্তৰ ভিতৰত থাকিব আৰু আন এজন শিশু নিগনি হৈ বৃত্তৰ বাহিৰত থাকিব। মেকুৰীয়ে যিকোনো উপায়েৰে বৃত্তৰ বাহিৰলৈ গৈ নিগনিক ধৰিবলৈ চেষ্টা কৰিব আৰু পৰিধিত থিয় হৈ থকা শিশুসকলে মেকুৰীক বাহিৰলৈ ওলাবত বাধা দিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰিব অৰ্থাৎ পিছদিনাৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদি লাগে শিশুসকলে আনিব লাগে আৰু কেনেকৈ শিশুসকলে সজ্জিত হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পালি পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# সপ্তম সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সমাৱেশ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উত্তৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● জড়তা ভাঙিবৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | প্ৰত্যেকজন শিশুৱে একেলগে আনন্দৰে কাৰ্য কৰি সম্ভাষণ জনাব। শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠাটো নিশ্চিত কৰিব। | প্ৰতিসপ্তাহৰ ক্ৰিয়া-কলাপত শিশুৱে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰিব। | প্ৰাতঃসংগীত দিয়া নিৰ্দেশনাবোৰ প্ৰত্যেক শিশুৱে মানি চলিব তাক শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰাৰ লগতে প্ৰত্যেক শিশুৱে প্ৰতিটো ক্ৰিয়া-কলাপতে যাতে আগভাগ লৈ তাৰ প্ৰতি শিক্ষক/শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। প্ৰত্যেকেই প্ৰত্যেকক নাম লৈ মাতিব আৰু সহীৰি জনোৱাৰ অভ্যাস কৰোৱাব। | | |
| মুক্ত খেল (শিশুৱে নিজে বাছনি কৰা দলীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ ক্ষেত্ৰ, ব্লক ক্ষেত্ৰ) থওক। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। খেলৰ অন্তত পুনৰ নিৰ্দিষ্ট ক্ষেত্ৰত খেলৰ সামগ্ৰীসমূহ সজাই থ'বলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত নহ'লে আগ্ৰহৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ তথা সা-সামগ্ৰীবোৰ যথাস্থানত থোৱাৰ বাবে যেনে- ৰেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ তথ্য শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা বাঞ্চনীয়।

| | | | | | |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিক্ষকে শিশুসকলক বালি ধৰবলৈ দি প্ৰথমে বালিত ১ আৰু ২ সংখ্যাটো আঁকি দেখুৱাব আৰু শিশুসকলে তেওঁক অনুকৰণ কৰিব। | কাৰ্যপত্ৰ ২৩ত থকা ১ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২৪ত থকা ২ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | শিশুসকলক দুটা দলত ভাগ কৰি পৰিৱেশৰ পৰা এটা দলক পাত আৰু আনটো দলক শিলগুটি সংগ্ৰহ কৰিবলৈ দিব। কোঠাৰ মজিয়াত দুয়োটা দলক মত বিনিময় কৰি আৰু প্ৰয়োজন সাপেক্ষে সহপাঠীক সহায় কৰি পাত আৰু শিলগুটিৰ চানেকী কৰাব। | ● পানীভৰ্তি বটল — খালী বটল<br>● শিল — কাগজ<br>● বল — বেলুন<br>ওপৰত দিয়া প্ৰত্যেকটো যোৰৰ বস্তু দুটা দুখন হাতেৰে দাঙি ধৰি কোনটো গধুৰ কোনটো পাতল অনুভৱ কৰি চাবলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ, সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলক জুইশলাৰ বাকচ, বাঁহৰ কাঠি, কাঠৰ ব্লক আদিৰে গাড়ী, বেলগাড়ী বনাবলৈ দিব প্ৰত্যেক শিশুকে এই ক্ৰিয়া-কলাপত জড়িত কৰিব। | সমনীয়াই আঁকা ছবিকেইখনৰ ওপৰত সহজ সৰল শব্দ ব্যৱহাৰ কৰি বৰ্ণনা কৰিব দিব। | বীজ/গুটি আদিৰে ১ আকৃতিটো সজাবলৈ দিব | শিশুসকলক পুৰণি বাতৰি কাকতেৰে চকী বনাবলৈ দিব আৰু ওপৰত উঠাই দিবলৈ দিব। | শিশুসকলক মাটি বা আটাৰ লাডুৰে তেওঁলোকৰ পছন্দ অনুযায়ী আকাৰ দিবলৈ সহায় কৰিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ওচৰৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | আমি এঠাইৰ পৰা আন ঠাইলৈ কিহেৰে অহা-যোৱা কৰোঁ, শিশুসকল বিদ্যালয়লৈ কেনেকৈ আহে বা দূৰৈৰ কিবা ঠাইলৈ কিহৰ সহায়েৰে যায় সেই বিষয়ত বিভিন্ন যান-বাহনৰ ওপৰত আলোচনা কৰিব। | শিশুসকলে কি কি ধৰণৰ যান-বাহন দেখিছে সেই বিষয়ে তেওঁলোকৰ মাজত কথা-বতৰা হ'বলৈ দিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়েও ভাগ ল'ব। | যান-বাহনবোৰৰ বিভিন্ন শব্দবোৰ কেনেকুৱা? প্ৰত্যেক শিশুক যান-বাহনৰ নাম কৈ শব্দটো কৰি দেখুৱাব, যেনে- ৰেল- ধক্ ধক্, গাড়ী- ভোঁ-ভোঁ আদি। | যান-বাহনবোৰৰ বাবে আমাৰ কি সুবিধা হৈছে আৰু যান-বাহন নাথাকিলে আমাৰ কি হ'ব শিশুসকলক নিজৰ ভাষাত ক'বলৈ দি শিক্ষক/শিক্ষয়িত্ৰীয়ে বুজাই দিব। | শিশুসকলক যিকোনো ছবি দেখুৱাই তাৰ ওপৰত প্ৰশ্ন সুধিব। |
| | পঠন | কাৰ্যপত্ৰ ২৬, ২৭ত থকা ছবিখনত কি কি দেখিছে শিশুসকলক কৈ যাবলৈ দিব। | কাৰ্যপত্ৰ ২৬,২৭ত থকা কবিতাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে বাওঁফালৰ পৰা সোঁফাললৈ শব্দৰ তলত আঙুলি থৈ পঢ়ি যাব আৰু শিশুসকলেও শিক্ষক/শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ২৬, ২৭ত থকা ছবিখনত কি কি যান-বাহন দেখিছে আৰু সেই যান-বাহনবোৰ ক'ত ক'ত চলে শিশুসকলক চাই ক'বলৈ দিব। | কাৰ্যপত্ৰ ২৬, ২৭ত থকা কবিতাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে গাই শুনাব আৰু শিশুসকলকো গোৱাব। | কাৰ্যপত্ৰ ২৬, ২৭ত থকা কবিতাটোত শব্দবোৰ গাই আৰু লগতে শিশুসকলে অনুকৰণ কৰি গাব, যেনে- বাক্ বাক্, পিপ্ পিপ্, টিলিং টিলিং, ভুম্ ভুম্ আদি। |
| | লিখন | কাৰ্যপত্ৰ ২৫(ক)ত থকা নমুনাৰ বিন্দু সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২৫(খ)ত থকা চাৰেকি সম্পূৰ্ণ কৰিবলৈ দিব আৰু সেই ধৰণৰ আন সজ্জা অভ্যাস কৰোৱাব। | কাৰ্যপত্ৰ ২৮ত থকা (ক) নং চিত্ৰত দেখুওৱা দৰে (খ) নং চিত্ৰৰ ধৰণবোৰ সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২৯(ক)ত থকা ছবিখন বিন্দু সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ২৯(খ)ত থকা ছবিখন ৰং কৰিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিশুসকলক ৪/৫ দলত ভাগ কৰি শাৰী পাতি ৰেলৰ গাড়ীৰ শব্দ কৰি কৰি দৌৰি থাকিবলৈ দিব। শিক্ষক/শিক্ষয়িত্ৰীয়ে ৰঙা কাৰ্ড দেখুৱালে শিশুসকল ৰৈ যাব আৰু সেউজীয়া কাৰ্ড দেখুৱালে আকৌ দৌৰিবলৈ আৰম্ভ কৰিব। | এটা নিৰ্দিষ্ট দিশত প্ৰত্যেক শিশুক বল দলিয়াবলৈ দিব। এবাৰত নোৱাৰিলে আৰু অভ্যাস কৰিবলৈ দিব। | এটা নিৰ্দিষ্ট দিশত প্ৰত্যেক শিশুক ভৰিৰে বল কটিয়াবলৈ দিব। এবাৰত নোৱাৰিলে আৰু অভ্যাস কৰিবলৈ দিব। | জঁপিয়াই জঁপিয়াই আগলৈ নিৰ্দ্ধাৰিত স্থানলৈ যাব দিব। জঁপিয়াই জঁপিয়াই পাছলৈ নিৰ্দ্ধাৰিত স্থানলৈ যাব দিব। | ক্ৰিকেট খেলিবলৈ শিকাব আৰু খেলিবলৈ দিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেইদিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি অৰ্থাৎ পিছদিনাৰ বাবে প্ৰয়োজন হোৱা শিকন সামগ্ৰী যদিহে শিশুসকলে আনিব লাগে আৰু কেনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেইদিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমালোচনা, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পাল পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# অষ্টম সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উত্তৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● উচ্চতা অনুভৱ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | প্ৰত্যেকজন শিশুৰে একান্ত আন্তৰিক কৰমৰ্দন কৰি সম্ভাষণ জনাব শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলৰ মাজত ভাল সম্পৰ্ক গঢ়ি উঠাটো নিশ্চিত কৰিব। | প্ৰাতঃসভাৰ ক্ৰিয়া-কলাপত শিশুৰে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰিব। | প্ৰাতঃসভাত দিয়া নিৰ্দেশনাবোৰ প্ৰত্যেক শিশুৱে মানি চলিব পৰাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে নিশ্চিত কৰাৰ লগতে প্ৰত্যেক শিশুৱে প্ৰতিটো ক্ৰিয়া-কলাপতে যাতে আগভাগ লয় তাৰ প্ৰতি শিক্ষক/শিক্ষয়িত্ৰীয়ে লক্ষ্য ৰাখিব। | | |
| মুক্ত খেল (শিশুৱে সুবিধা অনুসৰি পছন্দনীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, পুতলা, ৰঙীন পেঞ্চিল, ৰঙীন কাগজ, কিতাপ আদি শ্ৰেণী কোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ ক্ষেত্ৰ, ব্লক ক্ষেত্ৰ) ৰাখিব। এই সামগ্ৰী বোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- প্ৰতিদিনে শিক্ষকে শিশুসকলক শ্ৰেণীকোঠাৰ ভিতৰত মুক্ত খেল খেলাৰ সুযোগ দিয়া উচিত যাতে আগ্ৰহৰ ক্ষেত্ৰসমূহত ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- খেল-ধেমালি/ক্ৰিয়া-কলাপ তথা সা-সামগ্ৰীবোৰ সুশৃংখলিত থোৱাৰ বাবে যেনে- ৰেক বা আলমাৰীত পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তোলা উচিত।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেকৈ অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অনিবাৰ্যভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰখা আৱশ্যকীয়।

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | বাহিৰত লৈ গৈ ৩ আৰু ৪ সংখ্যাটো আঁকি দেখুৱাব আৰু শিশুসকলে শিক্ষকক অনুকৰণ কৰিব। | কাৰ্যপত্ৰ ৩০৩ থকা ৩ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৩১৩ থকা ৪ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | শিশুসকলক ৩ আৰু ৪ সংখ্যাটো ফলিত লিখিবলৈ দিব। | পৰিৱেশত পোৱা পছন্দৰ পাত আৰু শিলগুটি সংগ্ৰহ কৰি চাৰিকৈ সাজিবলৈ দিব। যেনে- তিনিটা পাত, চাৰিটা শিলগুটি আকৌ তিনিটা পাত, চাৰিটা শিলগুটি এনেদৰে সজাই যাব। |
| কলাত্মক ক্ৰিয়া-কলাপত সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | বীজ/দাইল আদিৰে ২ আকৃতিটো সজাবলৈ দিব | বীজ/দাইল আদিৰে ৩ আকৃতিটো সজাবলৈ দিব | কাৰ্যপত্ৰ ৩২৩ থকা নাবিকলৰ ছবিটোত পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৩৩৩ থকা চৰাইৰ ছবিটো বিন্দু সংযোগ কৰি পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৩৪৩ থকা হাতিৰ ছবিটো বিন্দু সংযোগ কৰি পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিবেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে উত্তৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | শিশুসকলে কি কি বস্তু খাইছে তাৰ কি কি ফলৰ নাম প্ৰকাশ কৰিবলৈ দিব। | শব্দৰ পৰা ধ্বনি পৃথকীকৰণ যেনে- বল শব্দটো কৈ ব (ধ্বনি) কৈ এবাৰ হাত চাপৰি মাৰিব। ল ধ্বনি কৈ এবাৰ চাপৰি মাৰিব। এনেদৰে কল, ফল আদি ধ্বনি পৃথকীকৰণ শিকাব। | শিশুসকলে নিজৰ নামৰ শব্দ কৈ ধ্বনি পৃথক কৰিবলৈ চেষ্টা কৰিব। প্ৰয়োজনত শিক্ষক-শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | শিক্ষক-শিক্ষয়িত্ৰীয়ে তিনিটা বৰ্ণযুক্ত শব্দৰ ধ্বনিকেইটা পৃথকে পৃথকে উচ্চাৰণ কৰিব আৰু ধ্বনি কেইটা লগ লগাই কি শব্দ হ'ব শিশুক ক'বলৈ দিব যেনে- ক-ল-হ = কলহ, ম-ট-ৰ = মটৰ | শব্দৰ পৰা ধ্বনি পৃথকীকৰণ আৰু ধ্বনি লগ লগাই শব্দ গঠন ক্ৰিয়া-কলাপ দুটা অনুশীলন কৰাব। |
| | পঠন | কাৰ্যপত্ৰ ৩৫ত থকা ছবিখন চাই কি কি বস্তু দেখিছে শিশুসকলক ক'বলৈ দিব। | কাৰ্যপত্ৰ ৩৫ত থকা কবিতাটো শিক্ষক / শিক্ষয়িত্ৰীয়ে বাক্যফলকৰ পৰা দেখুৱাই শব্দৰ তলত আঙুলি থৈ পঢ়ি যাব আৰু শিশুসকলেও শিক্ষক/ শিক্ষয়িত্ৰীক অনুকৰণ কৰি পঢ়ি যাব। | কাৰ্যপত্ৰ ৩৫ত থকা কবিতাটো শিশুসকলক নিজে যেনেকৈ পাৰে পঢ়িবলৈ দিব আৰু ভুল হ'লে শুধৰাই দিব। | কাৰ্যপত্ৰ ৩৬ত থকা ছবিখনত কি কি চৰাই দেখিছে শিশুসকলক ক'বলৈ দিব। | কাৰ্যপত্ৰ ৩৬ত থকা ছবিখনত চৰাই প্ৰতিটো শিশুক এটা বাক্য ক'বলৈ দিব। |
| | লিখন | বালিঘৰলৈ নি ৫ আৰু ৬ সংখ্যাটো আঁকি দেখুৱাব আৰু শিশুসকলে শিক্ষকক অনুকৰণ কৰিব। | কাৰ্যপত্ৰ ৩৭ত থকা ৫ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৩৮ত থকা ৬ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | শিশুসকলক ১ পৰা ৬ লৈ সংখ্যাবোৰ লিখিবলৈ দিব। | শিশুসকলক ৫ পৰা ৬ লৈ সংখ্যাবোৰ লিখিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | এডাল ৰছী মজিয়াত টানি থৈ শিশুসকলক ৰছীডালৰ ওপৰেৰে ভাৰসাম্য ৰাখি খোজকাঢ়ি যাবলৈ দিব। এইটো লক্ষ্য ৰাখিব লাগিব যাতে ভৰি ৰছীৰ ওপৰত থাকে। | শিক্ষক/ শিক্ষয়িত্ৰীৰ নিৰ্দেশনা অনুযায়ী শিশুসকলে সহজ সৰল যোগাসন কৰিব। | শিশুসকলক সংগীতৰ তালে তালে নাচিবলৈ দিব। | শিশুসকলক জঁপিয়াই জঁপিয়াই আগলৈ যাবলৈ দিব। | শিশুসকলক জঁপিয়াই জঁপিয়াই পাছলৈ যাবলৈ দিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে শিক্ষকে শিশুসকলক প্ৰস্তুত কৰি অৰ্থাৎ পিছদিনাৰ বাবে প্ৰয়োজন হোৱা শিক্ষণ সামগ্ৰী নিজে শিশুসকলে আনিব লাগে তাক কেনেকৈ শিশুসকল সাজু হৈ আহিব সেই বিষয়ে জনাব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- ভাল কথা ক'ব, দিয়া, নিজৰ পাল পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# নৱম সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সমাৱেশ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উত্তৰ দকটিক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● ভক্তা অঙ্গৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ<br>শিক্ষক/শিক্ষয়িত্ৰীয়ে পৰিকল্পনা কৰি প্ৰতিদিনে কেইজনমান শিশুক কিছুমান বিষয়ত ক'বলৈ দিব যেনে-<br>● তেওঁলোকে বিদ্যালয়লৈ আহোঁতে কি কি দেখিবলৈ পাইছে?<br>● ঘৰত কোনে কি খাদ্য গ্ৰহণ কৰি আহিছে?<br>● তেওঁলোকৰ ঘৰত কোনে কি কাম কৰে? ইত্যাদি। | | | | |
| মুক্ত খেল (শিশুৱে সৰু দল বা সৰু দলীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, মুখা, পুতলা আদিৰ লগতে ৰঙীন পেঞ্চিল, কাগজ, কিতাপ আদি শ্ৰেণী কোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ কোণ, খেলৰ সামগ্ৰী থোৱা কোণ) থ'ব। এই সামগ্ৰী বোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- শিক্ষকে প্ৰতিদিনে শিশুসকলক তেওঁলোকৰ আগ্ৰহ অনুযায়ী মুক্ত খেল খেলাৰ আৰু ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- শিশুৱে মুক্ত খেল/ক্ৰিয়া-কলাপৰ অন্তত খেলাৰ সা-সামগ্ৰীবোৰ যথাস্থানত (খেলাৰ সামগ্ৰী থোৱাৰ ক্ষেত্ৰত) পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তুলিব।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰাখিব।

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্বন্ধীয় চিন্তাধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিক্ষক / শিক্ষয়িত্ৰীয়ে শিশুসকলক আজিৰ দিনটোৰ বতৰৰ বিষয়ে ক'বলৈ দিব প্ৰত্যেকজন শিশুৰ অংশগ্ৰহণ নিশ্চিত কৰিব। | তিনিখন ছবি ল'ব। প্ৰত্যেকখন ছবি ৫ টুকুৰা কৰি পাজল প্ৰস্তুত কৰি ল'ব। এতিয়া আটাইকেইখন ছবিৰ টুকুৰাবোৰ একেলগে মিহলাই থৈ দিব আৰু শিশুসকলক টুকুৰাবোৰ মিলাই ছবি কেইখন সম্পূৰ্ণ কৰিবলৈ দিব। | শিশুসকলৰ দ্বাৰা সংগ্ৰহ কৰা শিল আৰু পাত দুটা গোটত থৈ দিব প্ৰত্যেক শিশুৱে মিহলাই এটা পাত, দুটা শিল আকৌ এটা পাত দুটা শিল এনেদৰে থৈ সজাই সাজিবলৈ দিব। | কাৰ্যপত্ৰ ৩৩ত থকা ক্ৰিয়া-কলাপটো নিৰ্দেশনা অনুযায়ী শিশুসকলক কৰাব। | কাৰ্যপত্ৰ ৩৩ত থকা ছবিবোৰ গণনা কৰি নিৰ্দিষ্ট সংখ্যাটোৰ সৈতে আঁচ টানি মিলাবলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপত সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্ম পেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক ৰঙীন কাগজ হাতেৰে সৰু সৰুকৈ ফালি দিব। ফালি থোৱা টুকুৰাবোৰ সংগ্ৰহ কৰি থ'ব। | শিক্ষক / শিক্ষয়িত্ৰীয়ে কেইখনমান ডাঙৰ কাগজত আঠাৰে কলৰ/ফুলৰ আঁকি দিব। শিশুসকলক চাৰিজনীয়া দলত ভগাই কৰি ফালি থোৱা ৰঙীন কাগজৰ টুকুৰাবোৰ মিলাই আঠা লগাবলৈ দিব। | শিক্ষক / শিক্ষয়িত্ৰীয়ে শিশুসকলক পুৰণা কেলেণ্ডাৰ/আলোচনীৰ ছবি কাটি, ছবিবোৰ আঠা লগাই এলবাম প্ৰস্তুত কৰিবলৈ দিব। শিক্ষকৰ সহায় বাঞ্ছনীয়। | কাৰ্যপত্ৰ ৩১ত থকা ফাউণ্টেন ছবি দুখনৰ বিন্দুবোৰ সংযোগ কৰিবলৈ দিব আৰু নিজৰ পছন্দ মতে ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৩২ত থকা ঢোল বাটিটো ত'কে আমটো পাবা ক্ৰিয়া-কলাপটো নিৰ্দেশনা অনুযায়ী শিশুসকলক কৰাব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ডাঙৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | কাৰ্যপত্ৰ ৪৩ত থকা ছবিবোৰ চাই নামবোৰ ক'ব আৰু প্ৰত্যেকটো নামৰ প্ৰথম ধ্বনিটোৰ লগত চিনাকি কৰি দিব। পাছত শিশুসকলক এজন এজনকৈ ছবিবোৰ চাই নামবোৰ ক'বলৈ দিব। | কাৰ্যপত্ৰ ৪৪ত থকা 'নাকে ভাগে দাৰ্ভ ভাই' কবিতাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলৰ লগত গাব। পাছত শিশুসকলক নিজৰ নাক, চকু আৰু আঙুলি কেইটা ক'ত আছে গণি গণি ক'বলৈ দিব। | ৫ টা বাস্তৱ বস্তু দেখুৱাই শিশুসকলক সংখ্যাকেইটা কি কি গণনা কৰিবলৈ দিব। | শিশুসকলে প্ৰত্যেকেই নিজৰ নাম ক'ব আৰু নামৰ শেষৰ আখৰৰ ধ্বনিৰে আৰম্ভ হোৱা আৰু দুটা শব্দ ক'ব। প্ৰয়োজন সাপেক্ষে শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক সহায় কৰিব। | প্ৰত্যেক শিশুৱে 'ব' ৰে আৰম্ভ হোৱা দুটা শব্দ ক'বলৈ দিব। |
| | পঠন | কাৰ্যপত্ৰ ৪৪ত থকা 'নাকে ভাগে দাৰ্ভ আহা' কবিতাটো শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক দেখুৱাই অক্ষৰৰ তলে তলে আঙুলি দি পঢ়িব আৰু শিশুসকলে নিজৰ কাৰ্যপত্ৰত আঙুলি দি পঢ়ি যাব। | কাৰ্যপত্ৰ ৪৫ত থকা ছবিখনত কি কি দেখিছে সুধিব আৰু শিক্ষকে ছবিবোৰ চাই সাধুটো ক'ব। | কাৰ্যপত্ৰ ৪৫ত থকা ছবি সহ টো শিশুসকলক ক'বলৈ দিব আৰু শিক্ষকে প্ৰয়োজন অনুসৰি সহায় কৰিব। | কাৰ্যপত্ৰ ৪৩ত থকা ছবিবোৰ দেখুৱাই বস্তুবোৰৰ নামবোৰ শিশুসকলক পঢ়িবলৈ দিব। | কাৰ্যপত্ৰ ৪৩ত থকা ছবিবোৰ চাই বস্তুবোৰৰ বিষয়ে ক'বলৈ দিব যেনে- কমলা এটা ফল, পদুম এটা ফুল আদি। |
| | লিখন | বাকী থকা নি ৭, ৮, ৯ সংখ্যাকেইটা শিক্ষকে আঁকিব আৰু শিশুসকলে শিক্ষকক অনুকৰণ কৰিব। | কাৰ্যপত্ৰ ৪৬ত থকা ৭ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৪৭ত থকা ৮ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৪৮ত থকা ৯ সংখ্যাটোৰ বিন্দুবোৰ শিশুসকলক শুদ্ধ দিশত সংযোগ কৰি সম্পূৰ্ণ কৰিবলৈ দিব। | ৭, ৮, ৯ সংখ্যাকেইটা শিশুসকলক বালিত লিখিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক তেওঁলোকৰ বয়স অনুযায়ী সহজ যোগাসন কৰাব। | শিশুসকলক সঙ্গীতৰ তালে তালে নাচিবলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক বৃত্তাকাৰে থিয় কৰাব। শিক্ষক/শিক্ষয়িত্ৰী শিশুসকলক ভঁৰিওৱা বুলি ক'লে সিহঁতে এঠাইতে থৈপিয়াই থাকিব আৰু দৌৰা বুলি ক'লে বৃত্তাকাৰে দৌৰি থাকিব। | শিক্ষকে শিশুসকলক বৃত্তাকাৰে থিয় কৰাই 'পাৰ-পানী' খেলটো খেলাব। (অন্য খেলো খেলাব পাৰিব) | শিশুসকলৰ মাজত দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে যদিহে আনিবলগীয়া শিক্ষণ সামগ্ৰী থাকে, তেন্তে শিক্ষকে শিশুসকলক আনিবলৈ ক'ব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- অনবৰতে কথা নক'বা, নিজৰ পাল অহালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# দশম সপ্তাহ

| অধিৱেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উত্তৰ দকটোক পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● জড়তা ভঙাৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | শিক্ষক/শিক্ষয়িত্ৰীয়ে পৰিকল্পনা কৰি প্ৰতিদিনে কেইজনমান শিশুক কিছুমান বিষয়ত ক'বলৈ দিব যেনে-<br>● তেওঁলোকে বিদ্যালয়লৈ আহোঁতে কি কি দেখিবলৈ পাইছে?<br>● ঘৰত কোনে কি খাদ্য গ্ৰহণ কৰি আহিছে?<br>● তেওঁলোকৰ ঘৰত কোনে কি কাম কৰে? ইত্যাদি। | | | | |
| মুক্ত খেল (নিজ পচন্দ অনুসৰি শিশুসকলে নিজেই খেল খেলিব) ৫০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে-ব্লক, পুতলা, বল, মুখা, পুতলা আদিৰ লগতে ৰঙীন পেঞ্চিল, কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, (যেনে- কিতাপ ক্ষেত্ৰ, খেলৰ সামগ্ৰী থোৱা ক্ষেত্ৰ) ৰাখি এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- শিক্ষকে প্ৰতিদিনে শিশুসকলক তেওঁলোকৰ আগ্ৰহ অনুযায়ী মুক্ত খেল খেলাৰ আৰু ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- শিশুক মুক্ত খেল/ক্ৰিয়া-কলাপৰ অন্তত খেলৰ সা-সামগ্ৰীবোৰ যথাস্থানত (খেলৰ সামগ্ৰী থোৱাৰ ক্ষেত্ৰত) পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তুলিব।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰাখিব।

| | | | | | |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান/ সাংখ্যিকতা, পৰিৱেশ সম্পৰ্কত আৰু বিজ্ঞান সম্পৰ্কত চিন্তা ধাৰা (শিক্ষকে সূচনা কৰা) ৩০-৩৫ মিনিট | কাৰ্যপত্ৰ ৪৯ত থকা ছবিবোৰ গণনা কৰি শুদ্ধ সংখ্যাটোত ঘেৰ দিবলৈ সহায় কৰিব। সংখ্যাবোৰ গণনা কৰি কাৰ দিব। | কাৰ্যপত্ৰ ৫০ত থকা ছবিবোৰ গণনা কৰি শুদ্ধ সংখ্যাটোত ঘেৰ দিবলৈ সহায় কৰিব। ১০ৰ পৰা ১ লৈ সংখ্যাবোৰ গণনা কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৫১ত থকা ছবিবোৰ গণনা কৰি নিৰ্দিষ্ট সংখ্যাটোৰ সৈতে আঁচ টানি মিলাবলৈ দিব। | কাৰ্যপত্ৰ ৫২ত থকা ফল, জীৱ-জন্তু, যান-বাহন আদিৰ একে জাতীয় ছবিবোৰ আঁচ টানি মিলাবলৈ দিব। | কাৰ্যপত্ৰ ৫৩ত থকা প্ৰতিটো শাৰীৰ অমিল ছবিকেইখন বিচাৰি উলিয়াই ৰং বোলাবলৈ দিব। শিক্ষকে ছবিবোৰ কিয় অমিল সেই বিষয়ে আলোচনা কৰিব। |
| কলাত্মক ক্ৰিয়া-কলাপ: সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্মপেশীৰ বিকাশ ৩০-৩৫ মিনিট | কাৰ্যপত্ৰ ৫৪ত থকা কাৰ্যটো নিৰ্দেশ অনুযায়ী কৰাব। | কাৰ্যপত্ৰ ৫৫ত থকা মাছৰ ছবিখনৰ ১ৰ পৰা ১০লৈকে থকা বিন্দুবোৰ সংযোগ কৰি ৰং কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৫৬ত থকা কচুপাতৰ বিন্দুবোৰ সংযোগ কৰি ছবিখন সম্পূৰ্ণ কৰি ৰং বোলাবলৈ দিব। | কাৰ্যপত্ৰ ৫৭ত থকা সৰু চিলাৰ ছবিখনৰ চাই ডাঙৰ চিলাৰ ছবিখন সম্পূৰ্ণ কৰিবলৈ দিব। | কাৰ্যপত্ৰ ৫৮ত থকা ডাঙৰ চিলাৰ ছবিখনৰ বিন্দুবোৰ সংযোগ কৰি ৰং কৰিবলৈ দিব। |
| ঘোষণা বিৰতি (৫০ মিনিট) | | | | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে উক্ত দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলৰ প্ৰত্যেককে সুধিব যে তেওঁলোকৰ ঘৰৰ বাহিৰত ছবিখনৰ নিচিনা জেওৰা এডাল থাকিলেহেঁতেন তেতিয়া কি কৰিলেহেঁতেন। | শিক্ষক/শিক্ষয়িত্ৰীয়ে তিনিটা অক্ষৰৰ এটা শব্দ কৈ মাজৰ ধ্বনিটো লুকুৱাই দিব। তাৰ পিছত এনেধৰণৰ তিনিটা আখৰৰ বেলেগ বেলেগ শব্দ কৈ প্ৰত্যেক শিশুকে মাজৰ ধ্বনিটো উলিয়াবলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে 'কলম' কওঁতে এটা হাত চাপৰি মাৰি 'ক' আৰু এটা চাপৰি মাৰি 'ল' আৰু শেষত এটা চাপৰি মাৰি 'ম' ক'ব। এইদৰে 'কলম' শব্দটো কৈ আৰু এটা চাপৰি মাৰিব এইদৰে বেলেগ বেলেগ শব্দ ক'বলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে প্ৰথমে 'কল' শব্দটো কৈ তাৰ পিছত 'ম' আখৰটো লগাই 'কলম' শব্দটো ক'ব, ঠিক এইদৰে আন কিছুমান শব্দকে শিশুসকলক নিজৰ ফালৰ পৰাও ক'বলৈ দিব। | আগৰ দিনা ক্ৰিয়া-কলাপটো শিশুসকলক অভ্যাস কৰিবলৈ দিব আৰু শিশুসকলে নিজে নিজে অভ্যাস কৰিব। |
| | পঠন | শিক্ষক/শিক্ষয়িত্ৰীয়ে ছবিচাৰ্ট এখন বেৰত ওলমাই দি ছবিবোৰত আঙুলি দি দি কি আছে পঢ়ি যাব আৰু শিশুসকলক পঢ়ি যাবলৈ ক'ব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে বেৰত আঁৰি দিয়া ছবিচাৰ্টখনৰ ছবিবোৰত কি কি আছে শিশুসকলে আঙুলি দি দি সহপাঠীসকলৰ আগত ক'ব। | প্ৰত্যেক শিশুকে নিজৰ নামটো ক'বলৈ দি শিক্ষক/শিক্ষয়িত্ৰীয়ে বৰ্ডত নামটো লিখি দিব আৰু পঢ়ি শুনাব। তাৰ পিছত শিশুসকলক নামটো পঢ়িবলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক কাৰ্যপত্ৰ ৫১ত থকা 'ব' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'ব' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে শিশুসকলক কাৰ্যপত্ৰ ৬০ত থকা 'ৰ' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'ৰ' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। |
| | লিখন | ১ পৰা ৩ সংখ্যাকেইটা শিশুসকলক অংকিত লিখিবলৈ দিব। | ৪ পৰা ৬ সংখ্যাকেইটা শিশুসকলক অংকিত লিখিবলৈ দিব। | ৭ পৰা ৯ সংখ্যাকেইটা শিশুসকলক অংকিত লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৫১ থকা 'ব' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৬১ থকা 'ৰ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিক্ষকে বালিৰ এটাৰ পৰা এক/ডেৰ মিটাৰ দূৰত্বত আঁচ এডাল টানিব। শিশুসকলক এজন এজনকৈ আঁচ ডালত থিয় হৈ বলটো বালিটোৰ ভিতৰত পৰাকৈ দলিয়াবলৈ দিব। | শিশুসকলে বালিত বল দলিওৱা খেলটো খেলিব আৰু শিক্ষক/শিক্ষয়িত্ৰীয়ে বল দলিওৱাৰ দূৰত্বটো ক্ৰমাৎ বঢ়াই গৈ থাকিব। | শিক্ষকে বছী এডাল একা-বেঁকাকৈ মাটিত পেলাই থ'ব আৰু চকেৰে চিন দিব এতিয়া শিশুসকলক বছীডালৰ ওপৰেৰে বা মাটিত দিয়া চিনৰ ওপৰেৰে খোজকাঢ়ি যাবলৈ দিব। | শিশুসকলৰ মাজত ওলোটাই খোজ কঢ়াই দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। | শিশুসকলক বেলেগ বেলেগ সংগীত বজাই তালে তালে নাচিবলৈ দিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে যদিহে আনিবলগীয়া শিক্ষণ সামগ্ৰী থাকে, তেন্তে শিক্ষকে শিশুসকলক আনিবলৈ ক'ব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• স্বাস্থ্য-নিয়ম আৰু সামাজিক, যেনে- আবৰ্জনা দলিওৱা, নিজৰ পাল পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# একাদশ সপ্তাহ

| অধিবেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
| --- | --- | --- | --- | --- | --- |
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে উত্তৰ দলটোক পৰিচালনা কৰিব) ৩০ মিনিট | • শিশুসকলক আদৰণি • উচ্চতা অনুসৰি বাৰে ব্যায়াম • স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ • মুক্ত কথোপকথন • কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ<br>শিক্ষক/শিক্ষয়িত্ৰীয়ে পৰিকল্পনা কৰি প্ৰতিদিনে কেইজনমান শিশুক কিছুমান বিষয়ত কথা কবলৈ দিব যেনে-<br>• তেওঁলোকে বিদ্যালয়লৈ আহোঁতে কি কি দেখিবলৈ পাইছে?<br>• ঘৰত কোনে কি খাদ্য গ্ৰহণ কৰি আহিছে?<br>• তেওঁলোকৰ ঘৰত কোনে কি কাম কৰে? ইত্যাদি। | | | | |
| মুক্ত খেল (শিশুৱে সুচল কৰা সক্ৰিয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিৱেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, গুটি, বল, ৰছী, পুতলা আদিৰ লগতে ৰঙীন পেঞ্চিল, কাগজ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট কোণসমূহত, যেনে- কিতাপ কোণ, খেলৰ সামগ্ৰী থোৱা কোণ আদিত থ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |
| • শিক্ষকে প্ৰতিদিনে শিশুসকলক তেওঁলোকৰ আগ্ৰহ অনুযায়ী মুক্ত খেল খেলাৰ আৰু ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।<br>• শিক্ষকে মুক্ত খেল/ক্ৰিয়া-কলাপৰ অন্তত খেলৰ সা-সামগ্ৰীবোৰ যথাস্থানত (খেলৰ সামগ্ৰী থোৱাৰ কোণত) পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তুলিব।<br>• ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰাখিব। | | | | | |
| সংখ্যাৰ জ্ঞান, পৰিৱেশ সম্বন্ধীয় আৰু বিজ্ঞান সম্মত চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | শিশুসকলক সৰু সৰু দলত ভাগ কৰিব। প্ৰত্যেক দলকে সম্মুখত থকা সৰু পাত সংগ্ৰহ কৰি প্ৰতিটো দলকে ১ৰ পৰা ৫ লৈকে পাতবোৰ গোটাই সজাবলৈ দিব। | শিশুসকলক সৰু সৰু দলত ভাগ কৰিব। প্ৰত্যেক দলকে সম্মুখত থকা সৰু পাত সংগ্ৰহ কৰি প্ৰতিটো দলকে ৬ৰ পৰা ৯ লৈকে পাতবোৰ গোটাই সজাবলৈ দিব। | শিক্ষক আৰু অভিভাৱকসকলে ফল আৰু ফুলৰ ছবি সংগ্ৰহ কৰি আনি প্ৰত্যেক শিশুকে ফুল আৰু ফলৰ ছবি পৃথক কৰিবলৈ দিব লগতে পানীত ফুলা, মাটিত হোৱা ফুলবোৰো পৃথক কৰিবলৈ দিব। | শিক্ষক আৰু অভিভাৱকসকলে যান-বাহনৰ ছবি সংগ্ৰহ কৰি আনি প্ৰত্যেক শিশুকে মাটিত চলা, পানীত চলা আৰু আকাশত উৰা যান-বাহনবোৰ পৃথক কৰিব দিব। | শিক্ষক আৰু অভিভাৱকসকলে ঘৰচিৰিয়া আৰু পখীৰ প্ৰতীকী ছবি সংগ্ৰহ কৰি আনি প্ৰত্যেক শিশুকে ঘৰচিৰিয়া আৰু পখীৰ প্ৰতীকী ছবিবোৰ পৃথক কৰিবলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ, সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্ম পেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলক সৰু সৰু দলত ভাগ কৰিব। প্ৰত্যেক দলকে সম্মুখত থকা সৰু পাত সংগ্ৰহ কৰি প্ৰতিটো দলকে ১ৰ পৰা ৫ লৈকে পাতেৰে আকৃতি সাজিবলৈ দিব। | শিশুসকলক সৰু সৰু দলত ভাগ কৰিব। প্ৰত্যেক দলকে সম্মুখত থকা সৰু পাত সংগ্ৰহ কৰি প্ৰতিটো দলকে ৬ৰ পৰা ৯ লৈকে পাতেৰে আকৃতি সাজিবলৈ দিব। | পুৰণি কেলেণ্ডাৰৰ পিছফালৰ বগা কাগজত বিভিন্ন ছবিৰ আৰ্হি আঁকি শিশুসকলক দলত ভাগ কৰি ৰঙীন কাগজৰ টুকুৰা, পাত, গুটি আদি আঠাৰে লগাবলৈ দিব। | পুৰণি কেলেণ্ডাৰৰ পাছফালৰ বগা কাগজত বিভিন্ন ছবিৰ আৰ্হি আঁকি ভেণ্ডি, পিয়াজ আদি টুকুৰাকৈ কাটি, কটা মূৰত ৰং লগাই আঁকা ছবিত ছাপ মাৰিবলৈ দিব। | কাৰ্ডবৰ্ডত থকা গড়ালাউৰ ঠিকেতে পৰিসীমাৰ ভিতৰত ৰং কৰিবলৈ দিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে উত্তৰ দলত সূচনা কৰা) ৩০-৩৫ মিনিট | মৌখিক | শিক্ষকে শিশুসকলক শ্ৰেণীকোঠা পৰ্যবেক্ষণ কৰি কি কি সা-সামগ্ৰী দেখিবলৈ পাইছে ক'বলৈ দিব আৰু এনেকুৱা কি কি সামগ্ৰী নিজৰ ঘৰত আছে তাকো ক'বলৈ দিব। | শিক্ষক/শিক্ষয়িত্ৰীয়ে ছবিৰ জৰিয়তে ধ্বনি, ছড়া আদিৰ আৰু শব্দত থকা চিনাকি আখৰ চিনাক্ত কৰিবলৈ দিব। এই কাৰ্যত শিক্ষকে শিশুক সহায় কৰিব। | নখ, চুলি কিয় কাটিব লাগে প্ৰত্যেক শিশুকে ক'বলৈ দিব। | আমি পানী কি কি কামত ব্যৱহাৰ কৰোঁ প্ৰত্যেক শিশুকে ক'বলৈ দিব। | পুৰণি কেলেণ্ডাৰৰ পৰা কটা ফল, ফুল, পাচলি, ঘৰচীয়া প্ৰাণী, বনৰীয়া প্ৰাণী ছবি কাৰ্ড আঠা লগাই তলত নামবোৰ লিখি বৰ্ডত আঁৰি দিব। বৰ্ডৰ ওচৰলৈ নি শিশুসকলক নামবোৰ ক'বলৈ দিব। |
| | পঠন | শিশুসকলক কাৰ্যপত্ৰ ৬৩ ত থকা 'ক' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'ক' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। | শিশুসকলক কাৰ্যপত্ৰ ৬৫ ত থকা 'গ' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'গ' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। | শিশুসকলক কাৰ্যপত্ৰ ৬৭ত থকা 'ঙ' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'ঙ' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। | শিশুসকলক কাৰ্যপত্ৰ ৬৯ ত থকা 'ম' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'ম' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। | শিশুসকলক কাৰ্যপত্ৰ ৭১ত থকা 'হ' বৰ্ণটোৰে গঠিত শব্দবোৰ আঙুলি দি দি পঢ়ি শুনাব আৰু শিশুসকলকো লগে লগে ছবি চাই পঢ়ি যাবলৈ ক'ব আৰু 'হ' বৰ্ণত নিৰ্দেশনা অনুযায়ী ৰং দিবলৈ দিব। |
| | লিখন | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ-৬৪ ত থকা 'ক' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ-৬৬ ত থকা 'গ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৬৮ ত থকা 'ঙ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৭০ত থকা 'ম' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৭২ত থকা 'হ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০-৩৫ মিনিট | | শিশুসকলক শ্ৰেণীকোঠাৰ বাহিৰলৈ নি শাৰী পাতি থিয় কৰাব। প্ৰত্যেক শিশুকে নিৰ্দিষ্ট এটা স্থানৰ পৰা আন এটা স্থানলৈ দৌৰি গৈ পুনৰ আগৰ স্থানলৈ উভতি আহিবলৈ দিব। | শিশুসকলে ভৰি দুখন বহলকৈ মেলি শাৰীত থিয় হ'ব আৰু শাৰীত প্ৰথমজন শিশুৱে বল এটা সকলো শিশুৰ ভৰিৰ মাজেৰে গড়াই দি শেষজনলৈ পঠিয়াব। এতিয়া শেষৰ শিশুজনে বলটো হাতত লৈ দৌৰি আহি শাৰীৰ প্ৰথমত থিয় হৈ খেলটো পুনৰাবৃত্তি কৰিব। | শিশুসকলক দুটা দলত ভাগ কৰি এটা দলক বৃত্তৰ ভিতৰত আৰু আনটো দল বৃত্তৰ বাহিৰত থাকিব। বৃত্তৰ ভিতৰত থকা দলৰ সদস্যই এটা লক্ষ্য চুবলৈ দৌৰি যাব আৰু আনটো দলৰ সদস্যসকলে তেওঁলোকক চুবলৈ চেষ্টা কৰিব। এইদৰে খেলটোত দুয়ো দলক খেলাৰ সুযোগ দিব। | শিশুসকলক শ্ৰেণীকোঠাৰ বাহিৰলৈ নি বৃত্তাকাৰে থিয় কৰাব। তাৰ পাছত বৃত্তাকাৰে ঘূৰি ঘূৰি চাইকেল চলোৱাৰ দৰে অভিনয় কৰি চাইকেল চাইকেল খেলটো খেলা। এইদৰে মটৰ-গাড়ী, এৰোপ্লেন চলোৱাৰ অনুকৰণ খেলটো খেলাব পাৰে। | ২ মিটাৰমান দূৰত্বত দুটা বৃত্ত আঁকি দিব। এটা বৃত্তত মাটিৰ পাত্ৰৰ ভঙা টুকুৰা থ'ব। শিশুসকলে এজন এজনকৈ একে উশাহতে কুট্ কুট্ শব্দ কৰি টুকুৰাটো ভৰিৰে ঠেলি ঠেলি আনটো বৃত্তটোৰ ভিতৰত সুমুৱাব লাগিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে যদিহে আনিবলগীয়া শিক্ষণ সামগ্ৰী থাকে, তেন্তে শিক্ষকে শিশুসকলক আনিবলৈ ক'ব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পাল পৰালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক আয়ত্ত কৰাৰ বাবে সহায় কৰিব। | | | | |

# দ্বাদশ সপ্তাহ

| অধিৰেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সম্ভাষণ, প্ৰাৰ্থনা আৰু বৃত্তাকাৰ বৈঠক (শিক্ষকে ওপৰৰ দফাকেইটা পৰিচালনা কৰিব) ৩০ মিনিট | ● শিশুসকলক আদৰণি ● ভদ্ৰতা উত্তৰ বাবে ব্যায়াম ● স্বাস্থ্য আৰু চাফ-চিকুণতা নিৰীক্ষণ ● মুক্ত কথোপকথন ● কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | | | | |
| | শিক্ষক/শিক্ষয়িত্ৰীয়ে পৰিকল্পনা কৰি প্ৰতিদিনে কেইজনমান শিশুক কিছুমান বিষয়ত ক'বলৈ দিব যেনে-<br>● তেওঁলোকে বিদ্যালয়লৈ আহোঁতে কি কি দেখিবলৈ পাইছে?<br>● ঘৰত কোনে কি খাদ্য গ্ৰহণ কৰি আহিছে?<br>● তেওঁলোকৰ ঘৰত কোনে কি কাম কৰে? ইত্যাদি। | | | | |
| মুক্ত খেল (শিশুৱে দুটা বা তিনিটা দলীয় খেল) ৩০ মিনিট | শিক্ষক/শিক্ষয়িত্ৰীয়ে বিদ্যালয়ৰ পৰিবেশত উপলব্ধ আৰু অভিভাৱক তথা সমাজৰ পৰা সংগ্ৰহ কৰা খেলৰ সামগ্ৰী, যেনে- ব্লক, পুতুল, বল, মুখা, পুতলা আদিৰ লগতে কঠীন পেঞ্চিল, কাঞ্চ, কিতাপ আদি শ্ৰেণীকোঠাৰ নিৰ্দিষ্ট ক্ষেত্ৰসমূহত, যেনে- কিতাপ ক্ষেত্ৰ, খেলৰ সামগ্ৰী থোৱা ক্ষেত্ৰ আদিত থ'ব। এই সামগ্ৰীবোৰেৰে শিশুসকলক তেওঁলোকৰ পছন্দ অনুযায়ী খেলিবলৈ দিব। | | | | |
| | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল | মুক্ত খেল |

- শিক্ষকে প্ৰতিদিনে শিশুসকলক তেওঁলোকৰ আগ্ৰহ অনুযায়ী মুক্ত খেল খেলাৰ আৰু ক্ৰিয়া-কলাপ কৰাৰ সুযোগ দিব।
- শিশুৱে মুক্ত খেল/ক্ৰিয়া-কলাপৰ অন্তত খেলৰ সা-সামগ্ৰীবোৰ যথাস্থানত (খেলৰ সামগ্ৰী থোৱা ক্ষেত্ৰত) পৰিপাটিকৈ থোৱাৰ অভ্যাস শিশুসকলৰ মাজত গঢ়ি তুলিব।
- ক্ৰিয়া-কলাপত শিশুৱে কেনেদৰে অংশগ্ৰহণ কৰিছে, কেনেদৰে সামগ্ৰীসমূহ ব্যৱহাৰ কৰিছে আৰু তেওঁলোকে কেনেকৈ খেলিছে এইবোৰ কথা শিক্ষকে অবিৰতভাৱে পৰ্যবেক্ষণ কৰাৰ লগতে এইবোৰ লিপিবদ্ধ কৰি ৰাখিব।

| অধিৰেশন | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্ৰবাৰ |
|---|---|---|---|---|---|
| সংখ্যাৰ জ্ঞান, পৰিবেশ সম্পৰ্কীয় আৰু বিজ্ঞান সম্বন্ধে চিন্তা ধাৰা (শিক্ষকে পৰিচালনা কৰিব) ৩০-৩৫ মিনিট | দুটা ফৰাহীৰ এটাত ৬টা আলু আনটোত ৫টা বিলাহী থ'ব। প্ৰত্যেক শিশুকে কোনটো ফৰাহীত কিমান আছে ক'বলৈ দি কোনটো ফৰাহীত বেছি আছে ক'বলৈ দিব। | শিশুসকলক সৰু সৰু দলত ভাগ কৰি প্ৰত্যেকটো দলকে পাছলি গুটি, পাত, শিল আদি ব্যৱহাৰ কৰি ১ৰ পৰা ৯ সংখ্যাৰ আকৃতি একাদিক্ৰমে সজাবলৈ দিব। এই কাৰ্যত শিক্ষকে সহায় কৰিব। পিছত সংখ্যাকেইটা গণনা কৰিবলৈ দিব। | তিনিটা বেলেগ বেলেগ আকাৰৰ পাত্ৰত পানী ভৰ্তি কৰি কোনটো পাত্ৰত সকলোতকৈ বেছি আৰু কোনটো পাত্ৰত আটাইতকৈ কম পানী আছে প্ৰত্যেকজন শিশুক ক'বলৈ দিব। | গৰমৰ পৰা আৰু ঠাণ্ডাৰ পৰা ৰক্ষা পাবলৈ আমি কি কি উপায় অৱলম্বন কৰোঁ প্ৰত্যেক শিশুকে সুধিব। | চাৰিডাল নাৰিকল কাঠি এডালতকৈ আনডাল অলপ অলপ চুটিকৈ কাটি লওক এবাৰ দীঘলৰ পৰা চুটিলৈ আৰু আনবাৰ চুটিৰ পৰা দীঘললৈ শিশুসকলক সজাবলৈ দিব। |
| কলাত্মক ক্ৰিয়া-কলাপ সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশ, সূক্ষ্ম পেশীৰ বিকাশ ৩০-৩৫ মিনিট | শিশুসকলক নিজৰ পছন্দ মতে নমুনা সাজিবলৈ দিব। | দিয়াচলাইৰ কাঠিৰে বিভিন্ন নমুনা মুক্তভাৱে সাজিবলৈ দিব। | কাগজ ভাঁজ কৰি বিভিন্ন নমুনা সাজিবলৈ দিব। এই কাৰ্যত শিক্ষকে সহায় কৰিব। | নিজে ভাল পোৱা যিকোনো ছবি আঁকি ৰং কৰিবলৈ দিব। | নিজে ভাল পোৱা যিকোনো ছবি আঁকি ৰং কৰিবলৈ দিব। |
| খোৱাৰ বিৰতি (৩০ মিনিট) | | | | | |

| অধিৱেশন | | সোমবাৰ | মঙ্গলবাৰ | বুধবাৰ | বৃহস্পতিবাৰ | শুক্রবাৰ |
|---|---|---|---|---|---|---|
| ভাষা আৰু সাক্ষৰতাৰ দক্ষতা (শিক্ষকে ডাঙৰ দলত সূচনা কৰা) ৩০–৩৫ মিনিট | মৌখিক | শিক্ষক / শিক্ষয়িত্ৰীয়ে শিশুসকলক তেওঁলোকে ঘৰত পানী কেনেকৈ পায় সুধিব আৰু লগতে পানীৰ বিভিন্ন উৎসৰ বিষয়ে অৱগত কৰাব। | ঘৰত মা-দেউতাকক কি কি কামত সহায় কৰে প্ৰত্যেক শিশুকে সুধিব। | বিদ্যালয়লৈ আহি শিশুসকলে কি কি কাম কৰি ভাল পায় সেইবোৰ শিশুক ক'বলৈ দিব। | ডাঙৰ হৈ কি হ'ব আৰু কিয় হ'ব বিচাৰে প্ৰত্যেক শিশুকে ক'বলৈ দিব। | সমাজত সহায়কাৰী ব্যক্তিসকল যেনে- ডাক্তৰ, নৰ্চ, নাপিত, পুলিচ, মিস্ত্ৰি, চাফাই কৰ্মী আদিৰ বিষয়ে শিশুসকলক সুধিব। |
| | পঠন | কাৰ্যপত্ৰ ৭৩ত থকা ছবিবোৰ চাই নামবোৰ ক'বলৈ দিব আৰু প্ৰথম ধ্বনিটোৰ লগত চিনাকি কৰি দিব। | কাৰ্যপত্ৰ ৭৪ত থকা ছবিবোৰ চাই নামবোৰ ক'বলৈ দিব আৰু প্ৰথম ধ্বনিটোৰ লগত চিনাকি কৰি দিব। | প্ৰাকৃতিক দৃশ্য থকা ছবি এখন বৰ্ডত আঁৰি থ'ব। শিশুসকলক দুটা দলত ভাগ কৰি ছবিখনৰ বিষয়ে ক'বলৈ দিব। | শিক্ষকে নিজে বৰ্ডত এখন প্ৰাকৃতিক দৃশ্য অংকন কৰি ছবিখনত কি কি আছে শিশুসকলক ক'বলৈ দিব। | শিক্ষকে এটা সাধুকথা ক'ব আৰু পাছত শিশুসকলক সাধুটো নিজে ক'বলৈ দিব। |
| | লিখন | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৭৩ত থকা 'অ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | শিক্ষকে শিশুসকলক কাৰ্যপত্ৰ ৭৪ত থকা 'আ' বৰ্ণটোৰ বিন্দু সংযোগ কৰাব আৰু তলৰ শাৰীত বৰ্ণটো লিখিবলৈ দিব। | প্ৰত্যেক শিশুকে তেওঁলোকৰ নিজৰ নামৰ প্ৰথম বৰ্ণটো বৰ্ডত লিখিবলৈ শিক্ষক/শিক্ষয়িত্ৰীয়ে সহায় কৰিব। | ১ পৰা ৯ৰ ভিতৰত যিকোনো সংখ্যা ক'ব আৰু শিশুসকলক লিখিবলৈ দিব। প্ৰত্যেক শিশুৰ ওচৰত গৈ শিক্ষক / শিক্ষয়িত্ৰীয়ে পৰ্যবেক্ষণ কৰিব। | ক, গ, অ, আ, ম ভিতৰত যিকোনো বৰ্ণ ক'ব আৰু শিশুসকলক লিখিবলৈ দিব। প্ৰত্যেক শিশুৰ ওচৰত গৈ শিক্ষক / শিক্ষয়িত্ৰীয়ে পৰ্যবেক্ষণ কৰিব। |
| বাহিৰৰ খেল (স্থূলপেশীৰ বিকাশ) ৩০–৩৫ মিনিট | | শিক্ষকে শিশুসকলক বৃত্তাকাৰে থিয় কৰাই এজন শিশুৰ হাতত পাতল বল এটা দিব। শিক্ষকে শিশুসকলৰ নাম ক'ব আৰু সেইজনে শিশুৱে বলটো নাম লোৱা শিশুজনলৈ দলিয়াব। খেলটোত প্ৰত্যেক শিশুকে জড়িত কৰাব। | শিশুসকলক দুটা দলত ভাগ কৰি ৰছী টনা খেলটো খেলাব। | শিশুসকলৰ সাত-আঠজনমানক এশাৰীতে থিয় কৰাই দিব। এডাল বিপৰীত দিশত চিন দিয়া এটা নিৰ্দিষ্ট দূৰত্বলৈ তেওঁলোকক ভেকুলীৰ দৰে জাপ মাৰিবলৈ দিব। প্ৰত্যেক শিশুকে ক্ৰিয়া-কলাপটোত জড়িত কৰাব। | শিক্ষক / শিক্ষয়িত্ৰীৰ নিৰ্দেশনাত শিশুসকলে পেৰেড কৰিব। শিক্ষক / শিক্ষয়িত্ৰী দলপতি হ'ব। (লেফ্ট-ৰাইট, বাওঁ ঘোৰ-দাওঁ ঘোৰ আদি নিৰ্দেশনাৰে পেৰেড কৰাব) | শিশুসকলক সহজ যোগাসন কৰিবলৈ দিব। |
| বিদায় পৰ্ব ৩০ মিনিট | | • সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহৰ বিষয়ে শিক্ষকৰ সহায়ত শিশুসকলে পুনৰ আলোচনা কৰিব।<br>• পৰৱৰ্তী দিনৰ ক্ৰিয়া-কলাপৰ বাবে যদিহে আনিবলগীয়া শিক্ষণ সামগ্ৰী থাকে, তেন্তে শিক্ষকে শিশুসকলক আনিবলৈ ক'ব।<br>• সেই দিনটোত কৰা ক্ৰিয়া-কলাপসমূহ পিতৃ-মাতৃক ক'বলৈ শিশুসকলক উৎসাহিত কৰিব।<br>• আত্ম-নিয়ন্ত্ৰণ আৰু সমাযোজন, যেনে- আনৰ কথা মন দি শুনা, নিজৰ পাল অহালৈ বাট চোৱা আদি ব্যক্তিগত আৰু সামাজিক গুণবোৰ শিশুসকলক অভ্যস্ত কৰাব বাবে সহায় কৰিব। | | | | |

**শিশুৰ শিকনত পিতৃ-মাতৃ আৰু সমাজক জড়িত কৰা ঃ**

বিদ্যালয়লৈ অহাৰ পূৰ্বে পিতৃ-মাতৃয়ে হৈছে শিশুৰ প্ৰথম শিক্ষক। শিশুৰ শিক্ষা আৰু শিকনত পিতৃ-মাতৃ/অভিভাৱক আৰু সমাজৰ সহায় আৰু সমৰ্থনৰ যথেষ্ট গুৰুত্ব আছে। সেয়েহে, শিক্ষকসকলে পিতৃ-মাতৃ আৰু সম্প্ৰদায়ক জড়িত কৰিবলৈ এক সচেতন প্ৰয়াসেৰে তেওঁলোকৰ অংশগ্ৰহণৰ নিশ্চিত উপায়বোৰ উলিয়াই ল'ব লাগিব।

এই ক্ষেত্ৰত তলত দিয়া কৌশলসমূহ অনুসৰণ কৰিব পাৰে—

- পিতৃ-মাতৃ/অভিভাৱকৰ লগত নিয়মীয়াভাৱে আৰু বিশেষ প্ৰয়োজনত কথা-বতৰা পাতিব আৰু শিশুসকলৰ শিকন পৰ্যায়ৰ বিষয়ে অৱগত কৰাব। শিশুসকলৰ কৃতকাৰ্যতা আৰু যিবোৰ ক্ষেত্ৰত শিশুৰ অধিক যত্ন লোৱাৰ প্ৰয়োজন আছে সেই কথাও পিতৃ-মাতৃক/অভিভাৱকক অৱগত কৰাব।
- পিতৃ-মাতৃক/অভিভাৱকক বিদ্যালয়ৰ সংস্পৰ্শত থাকিবলৈ আৰু শিক্ষকসকলৰ লগত কথা-বতৰাত ফলপ্ৰসূভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।
- শিশুৰ শিকন উন্নত কৰাত আৰু উদ্দীপনামূলক ঘৰুৱা শিকন পৰিৱেশ গঢ়াত সমৰ্থন আগবঢ়োৱাত পিতৃ-মাতৃ/অভিভাৱক আৰু সমাজক সম্বল হিচাপে ব্যৱহাৰ কৰিব
- খোৱা পানী, প্ৰাথমিক বিদ্যালয়ৰ বাবে পৰ্যাপ্ত স্থান আৰু অন্যান্য সম্বলৰ ক্ষেত্ৰত সমৰ্থনৰ বাবে আলোচনা কৰিবলৈ আৰু সমাজৰ সহায়ৰ বাবে অহৰহ যোগাযোগ বা সংস্পৰ্শত থাকিব লাগিব
- স্থানীয় দুই এজন ব্যক্তি নাইবা বিভিন্ন বিভাগৰ দক্ষ ব্যক্তিক বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰূপে নিযুক্ত কৰিব পাৰে।

ইয়াৰ উপৰি নিম্নলিখিত কামবোৰ কৰিবলৈ পিতৃ-মাতৃসকলক শিক্ষকসকলে উৎসাহিত আৰু দিশ নিৰ্দেশনা দিয়া উচিত—

- শিশুক আৱেগিকভাৱে শক্তিশালী কৰি তুলিবলৈ পিতৃ-মাতৃয়ে শিশুৰ লগতে সময় কটাব আৰু শিশুক যিধৰণে গঢ়িব বিচাৰে পিতৃ-মাতৃয়ে তেনে আদৰ্শ আচৰণ প্ৰদৰ্শন কৰিব যাতে শিশুৱে অনুকৰণ কৰিব পাৰে।
- শিশুৰ পঢ়া-শুনাত জড়িত হ'ব আৰু তেওঁলোকৰ শিকন মনোগ্ৰাহী কৰি তোলাৰ বিভিন্ন উপায় উলিয়াব।
- শিশুৰ শাৰীৰিক বিকাশত গুৰুত্ব দিবলৈ খেল-ধেমালিৰ মাজেৰে পঢ়া-শুনা আৰু বিভিন্ন কাৰ্য যেনে- সাঁতোৰা, জঁপিওৱা, দৌৰা আদিত শিশুসকলক জড়িত কৰি ৰাখিব।
- দিনটোৰ যিকোনো সময় বা শোৱাৰ সময়ত শিশুসকলক একোটাকৈ কাহিনী শুনাব আৰু কাহিনীৰ লগত সম্পৰ্কিত প্ৰশ্নৰে তেওঁলোকৰ লগত কথা-বতৰা পাতিব যেনে- "কাহিনীটোত কিমানটা চৰিত্ৰ আছিল?" কাহিনীটোত মূল চৰিত্ৰ কোনটো আছিল?" "কোনে কি কৰিছিল?" আৰু "তেওঁৰ ঠাইত তুমি হ'লে কি কৰিলাহেঁতেন?"
- শিশুসকলক নিজে জনা নিজে সাজি কাহিনী ক'বলৈ দি আৰু কাহিনীটোৰ ছবি আঁকি বৰ্ণনা কৰিবলৈ উৎসাহিত কৰিব।
- কাহিনী/সাধু শুনাৰ পাছত শিশুটিক প্ৰশংসা কৰিব।
- সৃজনশীল খেল, ছবি অঁকা আৰু ছবি আঁকি ৰং কৰা আদিৰ পৰিচালনা কৰিব।

- শিক্ষক বা পিতৃ-মাতৃৰ তত্ত্বাৱধানত এটা নিৰ্দিষ্ট সময়ৰ বাবে শিশুসকলক কাহিনী, পদ্য নাইবা খেলৰ ভিডিঅ' চাবলৈ দি সেই বিষয়ে তেওঁলোকৰ লগত আলোচনা কৰা
- চৰিত্ৰাভিনয়, নাটক আৰু পুতলা নাচ প্ৰদৰ্শন আদিত শিশুসকল জড়িত নিশ্চিত কৰিব।
- মাটিৰে সামগ্ৰী সজা, বালি আৰু পানীৰ খেল আৰু শিল্প কৰ্ম আদিত জড়িত হ'বলৈ শিশুক উৎসাহিত কৰা।
- ঘৰত উপলব্ধ বিভিন্ন সামগ্ৰীৰে শিশুক ৰং, আকাৰ, শ্ৰেণীবিভাজন আদি শিকাত সহায় কৰা।
- ঘৰত থকা সামগ্ৰীসমূহৰ বিষয়ে শিশুসকলক সচেতন কৰা, বিশেষকৈ পাকঘৰৰ সা-সামগ্ৰীৰ বিষয়ে আৰু সেইবোৰক লৈ কোনো ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰা যেনে একেলগে থকা বেলেগ বেলেগ ৰঙৰ দাইলৰ ৰং অনুসৰি ভাগ কৰা, শাক-পাচলিৰ নাম কোৱা, আকৃতিৰ পৰ্যবেক্ষণ কৰা (টেবুল, আলমাৰী, গ্লাছ, বাটি আৰু প্লেট আদি) বিভিন্ন বস্তুৰ ৰঙ নিৰীক্ষণ, বিভিন্ন বস্তুৰ বৈশিষ্ট্য পৰ্যবেক্ষণ (গধুৰ-পাতল, গৰম-ঠাণ্ডা আদি) বিভিন্ন খাদ্যবস্তুৰ জুতি লোৱা, বিভিন্ন সা-সৰঞ্জামৰ ধ্বনি শুনি চিনাক্ত কৰা আৰু সামগ্ৰীৰ গণনা কৰা আদি কাৰ্য।
- প্ৰতিদিনে শিশুক "আজি বিদ্যালয়ত কি কৰিলা?" "আজি কি কাহিনী পঢ়িলা বা শুনিলা?" "তুমি আহাৰ কেতিয়া খালা?" এনে ধৰণৰ সাধাৰণ প্ৰশ্ন সুধিব।
- শিশুৰ টোকাবহী, কাৰ্যপত্ৰ নাইবা দিনলেখা প্ৰতিদিনে নিৰীক্ষণ কৰিব।
- সন্তানে কৰা ভাল কামৰ বাবে তেওঁলোকক প্ৰশংসা কৰিব
- শিশুসকলে ক'ত ভুল কৰিছে চাব আৰু ভুলৰ শুধৰণিৰ বাবে উপায় উলিয়াব।
- কোনো কথাৰ উত্তৰ দিবলৈ যদি শিশুসকল অপাৰগ হয় তেওঁলোকক ককায়েক, বায়েক, বন্ধু-বান্ধৱী নাইবা শিক্ষকৰ সহায় লৈ শিকিবলৈ উৎসাহিত কৰিব।

শিশুক বিদ্যালয়লৈ প্ৰস্তুত কৰাৰ গুৰুত্বৰ বিষয়ে পিতৃ-মাতৃ/অভিভাৱক বা সমাজক সজাগ কৰিবৰ বাবে বিভিন্ন ধৰণৰ কাৰ্য হাতত ল'ব পাৰে, যেনে সময়সূচী ক্ৰিয়া-কলাপত পিতৃ-মাতৃক/অভিভাৱকক জড়িত কৰা, সভা আৰু গৃহ পৰিদৰ্শনৰ জৰিয়তে পিতৃ-মাতৃ/অভিভাৱক আৰু শিক্ষকৰ ভাব বিনিময়, সজাগতা কাৰ্যসূচী আৰু সমাজে আয়োজন কৰা শিশুসকলৰ প্ৰস্তুতি মেলা আদি।


## পিতৃ-মাতৃ আৰু সমাজৰ মাজত সজাগতা সৃষ্টিৰ উপায় ঃ

প্ৰতিজন শিশুৰ আগ্ৰহৰ বিষয়ে জানিবলৈ পৰিয়ালৰ সৈতে যোগাযোগ ৰাখক আৰু পিতৃ-মাতৃয়ে ঘৰত শিশুসকলৰ বাবে কৰিবলগীয়া ক্ৰিয়া-কলাপ সম্বন্ধে পৰামৰ্শ দিয়ক।

প্ৰথম শ্ৰেণীত (গ্ৰেড-১)ত নামভৰ্তিৰ পূৰ্বে শিশু আৰু পিতৃ-মাতৃসকলক লৈ 'বিদ্যালয় প্ৰস্তুতিৰ মেলা' (School Readiness Mela)ৰ আয়োজন কৰক। শিশুৰ সৰ্বাত্মক বিকাশৰ লগত জড়িত বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপৰ আয়োজন কৰি পিতৃ-মাতৃসকলকো শিশুসকলৰ লগত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাব পাৰে। শিশুৰ ভৱিষ্যতৰ শিকন প্ৰয়োজন আৰু অৰ্হতাৰ বিকাশৰ বাবে উপযোগী হ'ব বুলি ভবা বিভিন্ন ক্ৰিয়া-কলাপ যেনে কাহিনী, নাটক, আলোচনা, বাহিৰত খেলা খেল, শিল্প কলা আদিত শিশুসকলৰ অংশগ্ৰহণৰ বেলিকা পিতৃ-মাতৃসকল সজাগ হ'ব পাৰে।

## দৈনিক বা সময়সূচীৰ ক্ৰিয়া-কলাপ/কাৰ্য ৰূপায়ণ কৰাৰ উপায়

দৈনিক কাৰ্যসূচী বা সময়সূচীৰ ক্ৰিয়া-কলাপৰ তালিকা আদান-প্ৰদান কৰিবৰ বাবে এই কাৰ্যসূচী বা সময়সূচীৰ ক্ৰিয়া-কলাপসমূহৰ পৰিকল্পনা কৰা অতি গুৰুত্বপূৰ্ণ। এই কাৰ্যৰ এটা স্পষ্ট ধাৰণা দিবৰ বাবে অৰ্থাৎ দিনটোত কি কৰিবলৈ বিচৰা হৈছে সেই বিষয়ে শিশু আৰু বিদ্যালয়লৈ অহা আন ব্যক্তিক স্পষ্টকৈ জনাবৰ বাবে এই দৈনিক ক্ৰিয়া-কলাপসমূহৰ সময়সূচীখন শ্ৰেণীকোঠাত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে শিশুসকলৰ লগতে বিদ্যালয়লৈ অহা ব্যক্তিকো দিনটোত কি হ'ব সেই বিষয়ে এটা স্পষ্ট ধাৰণা দিয়ে। (চিত্ৰ-৬)




*চিত্ৰ ৬ ঃ দৈনিক ক্ৰিয়া কলাপৰ তালিকা*

## লগ পায় সম্ভাষণ জনোৱা, ৰাতিপুৱাৰ বৃত্তাকাৰ বৈঠক আৰু মুক্ত ভাব বিনিময়

'লগ পায় সম্ভাষণ জনোৱা' (Greet and Meet) হৈছে শ্ৰেণী আৰম্ভ কৰাৰ আগতে শিক্ষকে কৰা কাৰ্য। শিক্ষকে শিশুসকলক শ্ৰেণীকোঠালৈ আদৰণি জনোৱা উচিত, তেওঁলোকক নাম ধৰি মতা আৰু শিশুসকলে নিৰাপত্তা, মৰম আৰু আপোন ভাব অনুভৱ কৰিব পৰাকৈ তেওঁলোকৰ লগত মুক্তভাৱে কথা-বতৰা পাতিব লাগে। বৃত্তাকাৰ নাইবা অৰ্ধবৃত্তাকাৰ বৈঠকৰ সময়ত শিশুসকল বৃত্তাকাৰে নাইবা অৰ্ধবৃত্তাকাৰে বহিব আৰু সহজে ঘূৰা-পকা কৰিব পৰাকৈ দুজনৰ মাজত যথেষ্ট ঠাই ৰাখিব। শিশুসকলে অসুবিধা নোহোৱাকৈ ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰাত ই সহায় কৰিব। দলীয় ক্ৰিয়া-কলাপ আৰু কাহিনী কথনৰ বেলিকাও বৃত্তাকাৰ বৈঠকৰ পৰিকল্পনা কৰিব পাৰে। এইবোৰ মুক্ত বা নিৰ্দেশিত কথোপকথনৰ জৰিয়তে হোৱা উচিত। নিৰ্দেশাত্মক কথোপকথন, শিক্ষকে সূচনা কৰা কোনো এটা বিষয়বস্তু সম্পৰ্কে হ'ব লাগিব। আনহাতে মুক্ত কথোপকথনত শিশুসকলক তেওঁলোকৰ দৈনিক অভিজ্ঞতাৰ লগত জড়িত যিকোনো বিষয়ৰ কথা পাতিবলৈ উৎসাহিত কৰা উচিত


কথোপকথনত অংশগ্ৰহণৰ দ্বাৰা শিশুসকলে আনৰ কথা শুনিবলৈ শিকে, সঠিকভাৱে সঁহাৰি জনাবলৈ আৰু নিজৰ ভাব প্ৰকাশ কৰিবলৈকো শিকে। সিহঁতে কথোপকথনৰ জৰিয়তে ধাৰণা গঠন কৰিবলৈকো শিকে। তলত দিয়া কথাকেইটা মনত ৰখা প্ৰয়োজন—

- শিশুসকলক মুক্ত প্ৰশ্ন সোধক 'কেনেকৈ' আৰু 'কিয়'। ইয়ে তেওঁলোকৰ চিন্তাক উদ্দীপিত কৰাত সহায় কৰিব।
- আমোদজনকভাৱে তলৰ ক্ৰিয়া-কলাপসমূহ পৰিচালনা কৰা—
  - বিভিন্ন প্ৰকাৰৰ গীত আৰু কবিতা/পদ্য পৰিৱেশন কৰক, এইবোৰৰ পুনৰাবৃত্তি কৰক আৰু নতুন নতুন গীত সংযোজন কৰক
  - নামৰ ফলক ব্যৱহাৰেৰে এটা শ্ৰেণীত উপস্থিতিৰ ক্ৰিয়া-কলাপ কৰিব, য'ত শিশুসকলে নিজৰ নামৰ কাৰ্ড চিনাক্ত কৰিব; যদিও তেওঁলোকে আনুষ্ঠানিকভাৱে পঢ়িবলৈ শিকা নাই

- এটা কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ কৰাৰ পাৰে। (বাকচত ইয়াৰ উদাহৰণ দিয়া হৈছে) য'ত বাৰ, তাৰিখ, বতৰ আদিৰ বিষয়ে কোৱাৰ এটা সুবিধা তেওঁলোকে লাভ কৰিব আৰু দিনটোত তেওঁলোকে কি কি কৰিব সেই বিষয়ে কোৱাৰো সুবিধা লাভ কৰিব।
  - ➢ শিশুৰ চুলি আৰু নখ চাই তেওঁলোকৰ ব্যক্তিগত পৰিচ্ছন্নতা পৰীক্ষা কৰিব আৰু লগতে চুলি আঁচোৰা, দাঁত ঘঁহা, গা-ধোৱা, হাত ধোৱা আদি কাৰ্যৰ গুৰুত্বৰ বিষয়েও আলোচনা কৰিব।
  - ➢ এটি প্ৰাৰ্থনাৰে বিদ্যালয়ৰ দিনটো আৰম্ভ কৰিব।
  - ➢ দিনটোৰ পৰৱৰ্তী সময়সূচীত ক্ৰিয়া-কলাপ স্থানান্তৰ কৰোঁতে গীত এটা বা সংকেত দেখুৱাই আৰম্ভ কৰাৰ পৰিকল্পনা কৰিব।

## কেলেণ্ডাৰ ক্ৰিয়া-কলাপ

এখন প্ৰদৰ্শন কৰিব পৰা বোৰ্ড বা চাৰ্টপেপাৰত কেলেণ্ডাৰ প্ৰস্তুত কৰিব য'ত তাৰিখ, মাহ আৰু বতৰৰ বিষয়ে দেখুৱাব পাৰি। (চিত্ৰ-৭) শিশুসকলে লগ পায় সম্ভাষণ জনোৱাৰ সময়ত চাৰ্ট/বোৰ্ডত থকা সপ্তাহৰ সেই দিনটোলৈ আঙুলি টোৱাই তাৰিখটো চিনাক্ত কৰিবলৈ শিশুসকলক কওক। বিদ্যালয়লৈ আহি তেওঁলোকক সোধক "আজি কি বাৰ?" "কালি কি বাৰ আছিল?" নাইবা "কাইলৈ কি বাৰ হ'ব?" যদি নিৰ্দিষ্ট দিনটোত বিশেষ ক্ৰিয়া-কলাপ থাকে তেন্তে এই বিষয়ে শিশুসকলক জনাওক। ইয়াৰ পাছত বতৰৰ চিত্ৰলৈ যাওক আৰু শিশুসকলক বতৰৰ ছবিখন চিনাক্ত কৰিবলৈ দিয়ক। বাহিৰৰ বতৰটোক ভিত্তি কৰি বা লক্ষ্য কৰি বতৰৰ চিত্ৰ চিনাক্ত কৰিবলৈ উৎসাহিত কৰক। সম্ভৱ হ'লে তেওঁলোকক খিৰিকী নাইবা বাহিৰলৈ আনি বতৰ নিৰীক্ষণ কৰিবলৈ দিয়ক। যদি বতৰটো সলনি হৈছে আগদিনাৰ বতৰটো কেনেকুৱা আছিল ভাবিবলৈ তেওঁলোকক উৎসাহিত কৰক। এইবাৰ মাহৰ আঙুলি টোৱাব আৰু শিশুসকলক চলিত মাহটো চিনাক্ত কৰিবলৈ দি মাহটোৰ নামটো সোধক। সেই মাহটোত উদ্‌যাপন হোৱা কোনো উৎসৱ আৰু কোনো শিশুৰ জন্মদিন আছে নেকি মন কৰিব। যদি কোনো শিশুৰ সেই মাহত জন্মদিন আছে তেন্তে তেওঁক শুভেচ্ছা জনাবলৈ অন্য শিশুসকলক ক'ব পাৰে। প্ৰতিটো সপ্তাহৰ পাছত নাইবা এটা পখেকৰ (১৪ দিন) পাছত শিশুসকলক সেই দিনাৰ নিৰ্দিষ্ট বতৰটো ৰ'দকাল (ৰ'দৰ) বতৰ নে ডাৱৰীয়া বতৰ নে বৰষুণৰ বতৰ এই বিষয়ে ধাৰণাৰ ভিত্তি কৰি চমুৰাই ক'বলৈ দিব




*চিত্ৰ-৭ কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপৰ চাৰ্ট*

**ক্রিয়া-কলাপৰ ক্ষেত্ৰত মুক্ত খেল ঃ**

মুক্ত খেলৰ ক্ৰিয়া-কলাপে শিশুক কি খেলিব বাছনি কৰা, সিদ্ধান্ত লোৱা, পৰস্পৰ বিনিময় কৰা, আনৰ অধিকাৰ আৰু দৃষ্টিভংগীক বুজি পোৱাত যথেষ্ট সুযোগ প্ৰদান কৰে। মুক্ত খেলে শিশুসকলক তেওঁলোকৰ আৱেগ আৰু অনুভূতি প্ৰকাশত সহায় কৰে। খেলৰ সামগ্ৰীবোৰ এজনে আনজনৰ লগত বিনিময় কৰা, নিজৰ পাল পৰালৈ বাট চাই যোগদান কৰা বুজা বুজিৰ মাজত চলা আদি সামাজিক দক্ষতাসমূহ শিকে। শিশুসকলে বিভিন্ন সামগ্ৰীৰ বিষয়ে উদ্ঘাটন কৰিবলৈ সুবিধা পাই আৰু ইয়াৰ জৰিয়তে সামগ্ৰীবোৰৰ বৈশিষ্ট্য উলিয়াব পাৰে লগতে তেওঁলোকৰ সামগ্ৰীৰ বিষয়ে থকা জ্ঞানেৰে কাল্পনিক খেল খেলিব পাৰে। এই ক্ৰিয়া-কলাপসমূহে সকলো শিশু বিদ্যালয়লৈ আহি পোৱা সময়খিনিলৈকে ইতিমধ্যে আহি পোৱা শিশুসকলক ব্যস্ত কৰি ৰখাত আৰু বিভিন্ন বয়সৰ শিশুক চম্ভালি ৰখাতো শিক্ষকক সহায় কৰে। সেয়েহে শিশুসকলৰ খেলা-ধূলা আৰু শিকনত সহায় কৰিবলৈ, শ্ৰেণীকোঠাটো ভালদৰে সুপৰিকল্পিতভাৱে শিকন বা ক্ৰিয়া-কলাপ ক্ষেত্ৰসমূহেৰে সুসজ্জিত কৰিব লাগে। কোঠাটোৰ সকলো অংশৰ পৰা দেখাকৈ শিকন ক্ৰিয়া-কলাপৰ ক্ষেত্ৰসমূহ সজাব লাগে। এনেদৰে ক্ষেত্ৰসমূহ সজালে সকলো শিশুকে শিক্ষকে পৰ্যবেক্ষণ কৰি থকা আৰু সিহঁতৰ সুৰক্ষা নিশ্চিত কৰাত সুবিধা হয়। শ্ৰেণীকোঠাৰ ঠাই যথোপযুক্ত নহলে ক্ষেত্ৰসমূহ সাল-সলনিকৈ সজাব পাৰে, যাতে শিশুসকলে প্ৰত্যেকটো ক্ষেত্ৰতে ক্ৰিয়া-কলাপ কৰিবলৈ সুবিধা পায়, প্ৰত্যেকটো শিশুৰ আগ্ৰহৰ ক্ষেত্ৰত প্ৰয়োজন অনুসৰি ভিন্ ভিন্ সামগ্ৰী হ'ব, মুক্ত খেলৰ বাবে তলত দিয়া দিশসমূহ মনত ৰাখিব—

- শিশুৰ আগ্ৰহ অনুসৰি যিটো ক্ষেত্ৰলৈ গৈ খেলিব/ক্ৰিয়া-কলাপ কৰিব খোজে যাবলৈ অনুমতি দিব।
- শিক্ষকে সকলোকেইটা ক্ষেত্ৰলৈ গৈ শিশুৰ লগত বিনিময় কৰিব আৰু খেলি থকা সময়ত শিশুক পৰ্যবেক্ষণ কৰিব।
- খেলৰ শেষত শিশুসকলক হাত-ভৰি পৰিস্কাৰকৈ ধুবলৈ দিব
- শিশুৰ লগত যদি কিবা খেলৰ সামগ্ৰী থাকে প্ৰদৰ্শন কৰিবলৈ আৰু খেলৰ সামগ্ৰীটোৰ বিষয়ে ক'বলৈ উৎসাহিত কৰিব।
- পৰৱৰ্তী ক্ৰিয়া-কলাপলৈ স্থানান্তৰণত এটি গীত বা সংকেতেৰে কৰাৰ আগতীয়াকৈ পৰিকল্পনা কৰিব পাৰে।

তলত প্ৰত্যেকটো ক্ৰিয়া-কলাপ বা শিশুৰ আগ্ৰহৰ ক্ষেত্ৰসমূহত মজুত থাকিবলগীয়া পৰামৰ্শমূলক সামগ্ৰীৰ বিষয়ে উল্লেখ কৰা হ'ল—

- কিতাপ ক্ষেত্ৰ— বয়স উপযোগী বিভিন্ন শিশু আলোচনী, তথ্যসম্বলিত কিতাপ, ছবি থকা কিতাপ, সাধু কিতাপ, ডাঙৰ কিতাপ (বিগ বুক), স্থানীয় লোককাহিনী, কমিকছ, শ্লেট, পেন্সিল আদি
- পুতলা নাইবা নাটিকাভিনয় ক্ষেত্ৰ— বিভিন্ন ধৰণৰ পুতলা, পুতলাৰ আচবাবপত্ৰ আৰু কাপোৰ, পুতলাৰ জোখৰ ৰন্ধন সামগ্ৰী (প্লেট, চামুচ, বাটি, পাত্ৰ আদি) আহাৰৰ নমুনা (মাটিৰে নিৰ্মিত শাক-পাচলি আৰু ফলমূল) পোছাক (স্কাৰ্ফ, টুপি, জেকেট, ষ্টল, সৰু শাৰী, কাপোৰৰ দীঘল টুকুৰা আদি) ফনি, আয়না, খাৰু, মালা, খোজ কাঢ়িবলৈ লোৱা লাখুটি, পুৰণা চছমা, বেয়া মবাইল বা কেমেৰা, এটা বাকচ, এটা আহাৰ খোৱা পাত্ৰ বাকচ আদি।
- বিজ্ঞান/আৱিষ্কাৰ ক্ষেত্ৰ— বিবৰ্ধক/আতচী কাচ, খোলা, গছপুলি, বীজ, চুম্বক, লোহাৰ সামগ্ৰী, ওজন জোখা স্কেল, তুলাচনী, জোখ-মাপ কৰা ফিটা নাইবা স্থানীয়ভাৱে উপলব্ধ যিকোনো সামগ্ৰী।

- ব্লক সজা গঢ়াৰ ক্ষেত্ৰ— ভিন্ ভিন্ ৰং, আকৃতি আৰু আকাৰৰ ব্লক যেনে- ভিতৰফালে ফোঁপোলা ব্লক, ইটোৰ লগত সিটো সংযোগ কৰিব পৰা ব্লক, স্পঞ্জ, প্লাষ্টিক, কাঠৰ ব্লক।
- সজা-গঢ়াৰ ক্ষেত্ৰ— সজা-গঢ়া কৰিব পৰা সামগ্ৰী যেনে- পাজল, মিলোৱা কাৰ্ড, সূতা ভৰাব পৰা ফুটা থকা কাৰ্ড, গুটি, ক্ৰমত সজাব পৰা আকৃতি, আকৃতি অনুযায়ী বহুৱাব পৰা সাচ কটা ফলক, খোলা, পৃথকীকৰণ কৰি ভাগ কৰিব পৰা সামগ্ৰী, ৰচী/প্লাষ্টিকৰ সূতা আৰু মণি, খেলনা যেনে- গাড়ী, ট্ৰাক/লৰি, প্ৰাণী, পুতলা, খোলা মেলা কৰিব পৰা খেলনা, ১ৰ পৰা ১০ সংখ্যালৈ গণিব, সংখ্যাবোৰৰ নাম আৰু পৰিমাণ জানিবলৈ ব্যৱহাৰ কৰা ১০ ডাল লাঠি যুক্ত এটা গাণিতিক সংখ্যাৰ ধাৰণা দিবলৈ ব্যৱহাৰ কৰা সঁজুলি, এবেকাচ আৰু পৰিৱেশৰ পৰা সংগ্ৰহ কৰা সামগ্ৰী যেনে- গছৰ পাত, অলপ ডাঙৰ শিল, শিলগুটি, গছৰ ঠাল ঠেঙুলী, ফুল আদি
- কলা ক্ষেত্ৰ— বিভিন্ন প্ৰকাৰৰ কাগজ (আঁচ টনা/আঁচ নটনা) পেঞ্চিল, ৰঙীন মম, পেঞ্চিল, মাৰ্কাৰ, শ্লেট, ৰঙীন চক পেঞ্চিল, কাপোৰৰ টুকুৰা, ৰং, ব্ৰাছ, ফিটা, আটা বা ময়দাৰ লডা বা মাটি, বেলনা, পুৰণা বাতৰিকাকত, আলোচনী, আইচক্ৰীমৰ লাঠি আৰু অন্যান্য স্থানীয়ভাৱে উপলব্ধ সামগ্ৰী।
- সংগীত আৰু অঙ্গ সঞ্চালনৰ ক্ষেত্ৰ— ঘণ্টা, বাঁহী, লাফ্লী, খঞ্জৰী, একতাৰা, তাঁৰযুক্ত বাদ্যযন্ত্ৰ, জুনুকা, ভিন্ ভিন্ ধাতুৰে তৈয়াৰী বাচন, খট্ খট্ শব্দ কৰা শিশুৰ খেলনা, স্থানীয় বাদ্যযন্ত্ৰ যেনে- সৰু ঢোল, পেপা, গগনা, তাল, টকা, সুতুলি, বাঁহী, ডবা আদি, গীত, কবিতা, পদ্য, কাহিনী আদি শুনিব পৰা বৈদ্যুতিক যন্ত্ৰ, বিভিন্ন কবিতা, পদ্য, গীতৰ ভি.চি.ডি., অভিনয় কৰিবলৈ প্ৰয়োজনীয় মঞ্চ সামগ্ৰী, যেনে- উৰনা, টুপী, স্কাৰ্ফ, ফিটা, সৰু শাৰী, পাগুৰি ইত্যাদি।

(উৎস ঃ প্ৰাক্ বিদ্যালয় শিক্ষাৰ বাবে নিৰ্দেশাৱলী NCERT, 2019c)

## সৃজনীশক্তি আৰু সৌন্দৰ্যবোধৰ বিকাশৰ বাবে কলা আৰু হস্তশিল্পৰ ক্ৰিয়া-কলাপ

চৰিত্ৰাভিনয়, সংগীত, নৃত্য, কলা আৰু হস্তশিল্পৰ দ্বাৰা বিকাশ হোৱা সৃজনশীলতা আৰু সৌন্দৰ্যবোধৰ অনুভূতিয়ে শিশুৰ সৃজনীশক্তিৰ প্ৰতিপালন কৰে। এই ক্ৰিয়া-কলাপবোৰে তেওঁলোকৰ অনুভৱ প্ৰকাশ কৰাত সুযোগ দিয়ে আৰু ভাববিনিময়ৰ দক্ষতাৰ বিকাশ কৰে। ই শিশুৰ পেশীয় সমন্বয় আৰু সঞ্চালন দক্ষতাৰ বিকাশ আৰু অনুশীলনত সহায় কৰে আৰু কোনো বস্তুৰ প্ৰতি নতুন দৃষ্টিভংগী গ্ৰহণৰ পথ মুকলি কৰে। ই পাছলৈ শিশুৰ আত্মবিশ্বাস বৃদ্ধি কৰে আৰু সিদ্ধান্ত গ্ৰহণ, সমস্যা সমাধান আৰু মননশীল চিন্তন দক্ষতাৰ অনুশীলনৰ এক সুবিধা প্ৰদান কৰে। সৃজনশীল আৰু সৌন্দৰ্যবোধৰ ক্ৰিয়া-কলাপে কল্পনা শক্তিৰ বিকাশ সাধন কৰে যিটো প্ৰাক্ লিখন দক্ষতাৰ বাবে গুৰুত্বপূৰ্ণ। বালি খেলা, পানী খেলা, মাটিৰ লডাৰে সামগ্ৰী সজা, ছবি অঁকা, ছবি আঁকি ৰঙা কৰা, কাগজ ফলা, কাগজ কটা, আঠা লগোৱা (কলাজ তৈয়াৰ কৰা) আদি কামবোৰৰ বাবে শিশুক সুযোগ প্ৰদান কৰা অতি গুৰুত্বপূৰ্ণ। বাস্তৱ জীৱনৰ বিষয় আৰু ঘটনাবোৰ বিভিন্ন ধৰণে প্ৰতিনিধিত্ব কৰিব পাৰে বুলি বুজাত ই শিশুক সহায় কৰিব। শিশুৱে অঁকা ছবি আৰু হাতেৰে সজা গঢ়া বস্তুবোৰ তেওঁলোকৰ চকুৰ সমান্তৰালকৈ বেৰত আৰি বা টেবুলত ৰখাৰ ব্যৱস্থা কৰা উচিত। এই কাৰ্যই শিশুসকলক অধিক সহযোগী বা অংশগ্ৰহণকাৰী হ'বলৈ উৎসাহিত কৰিব আৰু তেওঁলোকে কৰা ক্ৰিয়া-কলাপবোৰ সততে মনত পেলাই থাকিব। এই ক্ৰিয়া-কলাপবোৰে শিশুসকলৰ আত্মসন্মান আৰু আত্মবিশ্বাস গঢ়ি তোলে যিহেতু তেওঁলোকক কামৰ মৰ্যাদা প্ৰদান কৰা হৈছে।

## বাহিৰত খেলা খেল/বহিঃ খেল-ধেমালি ঃ

প্ৰতিদিনে অন্ততঃ ৩০ মিনিট সময় শিশুসকলক বাহিৰত খেলাৰ সুযোগ দিয়া প্ৰয়োজন। এইই কাৰ্যই তেওঁলোকক পৰিৱেশ উদ্‌ঘাটন কৰা, দলগত খেলা, ইজনে সিজনৰ লগত ভাব বিনিময় কৰাত সহায় কৰে আৰু স্থূলপেশীৰ সমন্বয় ৰক্ষা কৰি বিকাশ সাধন কৰে। বাহিৰৰ খেল আৰু ক্ৰিয়া-কলাপৰ বাবে যথোপযুক্ত ঠাইৰ আৱশ্যক। বাহিৰৰ খেল আৰু ক্ৰিয়া-কলাপসমূহ শিশুৱে নিজৰ পছন্দ অনুযায়ী খেলিব পাৰে, যেনে- বগাই যোৱা নাইবা খেলপথাৰৰ সামগ্ৰী অৰ্থাৎ বুলনা, পিচলা, ঢেকী খেলা খেল খেলিব পাৰে। আকৌ, 'সংগঠিত ক্ৰিয়া-কলাপ' যেনে- শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰি গতি কৰা আৰু 'ব্যাৱহাৰিক ক্ৰিয়া-কলাপ' যেনে- বাগিছা পতা, গাঁত খন্দা আৰু গছপুলি ৰোৱা আদি কৰিব পাৰে। বাহিৰৰ খেলৰ বাবে তলত দিয়া দিশসমূহ মনত ৰখা প্ৰয়োজন—

- বালি আৰু পানী খেলা ঠাই যাতে পৰিস্কাৰ আৰু নিৰাপদ হয় সেয়া নিশ্চিত কৰক।
- বাহিৰৰ খেলৰ সামগ্ৰীসমূহ সকলো শিশুৰ বাবে যথোপযুক্ত নহয়বা পৰ্যাপ্ত পৰিমানে আছে নে নাই নিশ্চিত কৰক।
- বাহিৰৰ খেল খেলোঁতে যাতে তেওঁলোকে দলীয়ভাৱে ভাব বিনিময় কৰাৰ সুযোগ পায় তাৰ বাবে পৰিকল্পনা কৰক।
- শিশুৰ লগত জড়িত হৈ খেলক
- সকলো শিশুৰে সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰক
- খেলপথাৰৰ লেতেৰা হোৱা ঠাইখিনি পৰিস্কাৰ কৰাটো নিশ্চিত কৰিব।
- পৰৱৰ্তী ক্ৰিয়া-কলাপলৈ স্থানান্তৰণৰ বাবে এটা গীত বা শাৰীপাতি যোৱাৰ পৰিকল্পনা কৰিব পাৰে।

## আহাৰ গ্ৰহণৰ সময়

আহাৰ গ্ৰহণ হৈছে দৈনিক বা সময়সূচীৰ ক্ৰিয়া-কলাপৰ এক গুৰুত্বপূৰ্ণ অংশ। এই সময়খিনিয়ে শিশুক তেওঁলোকৰ আহাৰ গ্ৰহণ, বিশ্ৰাম, লগতে সামাজিকীকৰণৰ সুবিধা প্ৰদান কৰে আহাৰৰ বাবে কমেও ৩০ মিনিট সময় ধাৰ্য কৰা উচিত। এই সময়খিনিত বিভিন্নধৰণৰ ক্ৰিয়া-কলাপ কৰিব পাৰি যেনে—

- আহাৰ গ্ৰহণৰ আগত আৰু পাছত হাত ধোৱা। বিশেষকৈ কভিড-১৯ৰ এই সময়ত হাত ধোৱাৰ ক্ষেত্ৰত শিশুসকলক বিশেষ তদাৰক কৰা প্ৰয়োজন
- সহপাঠীসকলৰ সৈতে একেলগে আহাৰ গ্ৰহণ কৰা
- আহাৰ নেপেলোৱাকৈ আৰু নষ্ট নকৰাকৈ নিজে নিজে খাবলৈ শিকা
- পুষ্টিকৰ আহাৰ, আহাৰৰ বিভিন্নতা আৰু স্বাস্থ্যসন্মত খাদ্য খোৱাৰ অভ্যাসৰ বিষয়ে কথা-বতৰা

## বিদায় পৰ্ব

এই বিদায় পৰ্বই দিনটোত কৰা বিভিন্ন ক্ৰিয়া-কলাপৰ পুনৰালোচনা কৰাৰ সুযোগ প্ৰদান কৰে। ৩০ মিনিটৰ বাবে এই সময় ধাৰ্য কৰা উচিত। এনেদৰে কৰিলে শিশুৱে তেওঁলোকৰ শিকনৰ বিষয়ে, তেওঁলোকৰ প্ৰিয় ক্ৰিয়া-কলাপৰ বিষয়ে আৰু সঠিকভাৱে বুজি নোপোৱা কোনো কথা বা ধাৰণাৰ বিষয়ে সমনীয়াৰ সৈতে আলোচনা কৰাৰ সুযোগ পাব। বিদায় পৰ্বই দিনটোৰ ক্ৰিয়া-কলাপ শেষ কৰি আনন্দ মনেৰে ঘৰলৈ উভটি যোৱাটো নিশ্চিত কৰে আৰু পৰৱৰ্তী দিনৰ কাৰ্যসূচীৰ বাবে

শিশুসকলক প্ৰস্তুত কৰে। বিদায় পৰ্বৰ ক্ৰিয়া-কলাপ পৰিচালনা কৰোঁতে তলৰ কথাকেইটাৰ প্ৰতি মন দিয়া প্ৰয়োজন—

- ক্ৰিয়া-কলাপৰ ব্যৱস্থাপনা কৰোঁতে শিশুৰ লগত একে ধৰণে কঠ বা ঢাবিত একেলগে বহিব
- প্ৰতিজন শিশুকে প্ৰশ্ন সোধাৰ সুযোগ প্ৰদান কৰিব আৰু শিশুৰ দিনটোৰ নিজা অভিজ্ঞতাৰ বিষয়ে ক'বলৈ দিব
- প্ৰতিজন শিশুৰ বাবে এখন দিনলেখা ৰাখক আৰু পিতৃ-মাতৃৰ লগত দিনলেখাৰ টোকা বিনিময় কৰক
- বিদায় পৰ্বৰ গীত এটা পৰিবেশন কৰক

**মনত ৰখা উচিত**

সাক্ষৰতা আৰু বুনিয়াদী সাংখ্যিকতা জ্ঞানৰ ভেঁটি গঢ়াটো ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ বাবে এটা বিবেচনাৰ বিষয়। বুনিয়াদী সাক্ষৰতা আৰু সাংখিকতাৰ ক্ৰিয়া-কলাপসমূহৰ ৰূপায়ণ প্ৰক্ৰিয়া আৰু সমন্বিত মুখ্য পাৰদৰ্শিতা/দক্ষতা/অৰ্হতাসমূহক ভালদৰে বুজিবৰ বাবে সাৱধানতা অৱলম্বন কৰা প্ৰয়োজন। সতৰ্কতাৰ মূল অৰ্হতাসমূহ বুজি লৈ প্ৰাক্-সাক্ষৰতা আৰু সাংখিকতা জ্ঞানৰ ক্ৰিয়া-কলাপবোৰ ৰূপায়ণত সাৱধানতা অৱলম্বন কৰাটো প্ৰয়োজন। তলত এই বিষয়ে বিতংভাৱে দিয়া হৈছে

**ভাষা আৰু সাক্ষৰতা দক্ষতা ঃ**

সাক্ষৰতাই পঢ়িব আৰু লিখিব জনাৰ উপৰি অধিক দিশ সামৰি লয়। কি পঢ়িছে নাইবা কি কৈছে সেইটো অৰ্থপূৰ্ণ কৰিবৰ বাবে, লগতে মননশীল চিন্তা আৰু নিজকে সঠিকৰূপত প্ৰকাশ কৰাৰ বাবে দক্ষতা আৰু সামৰ্থৰ প্ৰয়োজন। সাক্ষৰতা হৈছে আমি আমাৰ চৌপাশৰ পৃথিৱীখনৰ লগত কেনেকৈ জড়িত হৈ আছো তাক সঠিকভাৱে বুজি পোৱা। বিদ্যালয়লৈ অহাৰ আগলৈকে শিশুৰ ভাষাৰ কোনো দক্ষতা নাথাকে বুলি এটা সাধাৰণ বিশ্বাস আছে। শিশুসকল বিদ্যালয়লৈ আহোঁতে ভাষাৰ বিভিন্ন অভিজ্ঞতা লৈ আহে আৰু অংগ-ভংগী, শব্দ বা কিছুমান বাক্যৰ দ্বাৰা বিভিন্ন ধৰণে ভাব বিনিময়ত সামৰ্থ হয়। তেওঁলোকে ক'ত কি ভাষা ব্যৱহাৰ কৰিব জনাটোৱে তেওঁলোকক পৃথিৱীখনৰ বিষয়ে জনাত সহায় কৰে আৰু শৈশৱকালিন ভাষাৰ বিকাশৰ দিশত আগবঢ়াই নিয়ে। এইখিনিতে শিক্ষকসকলৰ ভূমিকা হৈছে তেওঁলোকে শ্ৰেণীকোঠাৰ পৰিৱেশ এনেধৰণেৰে গঢ়িব লাগিব যাতে শিশুসকলে ভাষা শিকনৰ লগত সম্পৰ্কিত বিভিন্ন মূল অৰ্হতাৰ অভিজ্ঞতা আহৰণ কৰিব পাৰে আৰু শিশুৰ ভাষাৰ বিকাশক এক সংগঠিত আৰু পৰিকল্পিত ৰূপত আগবঢ়াই নিয়াত সহায় কৰিব পাৰে। (ভাষা আৰু সাক্ষৰতা দক্ষতাত ব্যৱহৃত পৰিভাষাৰ বাবে পৰিশিষ্ট-৩ত দিয়া হৈছে)

## (ক) মৌখিক ভাষাৰ বিকাশ

শিশুৱে পঠন আৰু লিখন শিকাৰ পূৰ্বে শ্ৰৱণ আৰু কথনৰ দ্বাৰাই ভাষা শিকে। তেওঁলোকে বিদ্যালয়লৈ অহাৰ আগতেই চৌপাশৰ পৰিৱেশৰ পৰা আহৰণ কৰা শব্দৰে পুষ্ট হৈ আহে। শ্ৰৱণ আৰু কথনৰ মাধ্যমেৰে ভাষাৰ অভিজ্ঞতা প্ৰদান কৰোটো শ্ৰেণীকোঠাৰ বাবে গুৰুত্বপূৰ্ণ। শৈশৱকালত শিশুৰ মৌখিক ভাষা বিকাশৰ বাবে গুৰুত্ব দিবলগীয়া কিছুমান উপায়—

- শ্ৰেণীকোঠাত কথা পাতিবৰ বাবে শিশুক সুযোগ প্ৰদান কৰা
- শিশুৱে ঘৰুৱা ভাষা বা মাতৃভাষাত কথাবোৰ ভাবে আৰু কেতিয়াবা ভাবোঁতে আৰু প্ৰকাশ কৰোঁতে নিজৰ ভাষাৰ শব্দ ব্যৱহাৰ কৰে। সেয়েহে শিশুক নিৰ্দেশনাৰ ভাষা শিকাবলৈ শিশুৰ ঘৰুৱা ভাষা বা মাতৃভাষাক সেতু হিচাপে ব্যৱহাৰ কৰাটো গুৰুত্বপূৰ্ণ

- কথোপকথন, আলোচনা, অভিজ্ঞতাৰ বিনিময়, অনুভূতি আৰু ধাৰণা, প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া, সাধাৰণ নিৰ্দেশনাৰ প্ৰয়োগ আদি ক্ৰিয়া-কলাপবোৰ কৰা
- শিশুক পদ্য আৰু গীত গাবলৈ দিয়া, ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিয়া, খেল খেলা, নাটক বা চৰিত্ৰাভিনয়ত জড়িত কৰা সংলাপ দিয়া
- শিক্ষকে নতুন নতুন শব্দ শিকোৱাৰ লগতে সেই শব্দবোৰ কেনেকৈ প্ৰকাশ কৰিব লাগে শিকাই শিশুৰ শব্দ ভাণ্ডাৰ বৃদ্ধি কৰা

**ভাষাৰ দক্ষতা বিকাশৰ বাবে ল'বলগীয়া সম্বলসমূহ**

- ➢ শিশু সাহিত্য
- ➢ শ্ৰেণীকোঠাত ভাষাৰ ক্ষেত্ৰ
- ➢ কাৰ্যপত্ৰ
- ➢ খেল আৰু ক্ৰিয়া-কলাপ
- ➢ সাধু/কাহিনী, কবিতা, ছন্দৰ মিল থকা পদ্য, গীত
- ➢ ছপা সমৃদ্ধ পৰিৱেশ
- ➢ নাটক আৰু চৰিত্ৰাভিনয়

## (খ) উত্থিত পঠনৰ বিকাশ

শিশুৱে পঢ়িবলৈ প্ৰস্তুত হোৱাৰ লগে লগে তেওঁলোকে ছপা আখৰনো দেখিবলৈ কেনেকুৱা সেইবিষয়ে পৰিচিত হ'ব লাগিব। ইয়াৰ লগতে এই আখৰবোৰৰ লগত ধ্বনি কেনেকৈ সংযুক্ত হৈ থাকে আৰু ছপা আখৰবোৰেনো কেনেকৈ অৰ্থ প্ৰকাশ কৰে এই সকলোবোৰ কথাৰ লগত সহজভাৱে পৰিচিত হোৱা দৰকাৰ।

## ছপা সজাগতা আৰু কিতাপ ভালপোৱা

সাক্ষৰতাত আনুষ্ঠানিক নিৰ্দেশনাৰ বাবে শিশুসকল সাজু হোৱাৰ লগে লগে অন্ততঃ পঠন আৰম্ভ কৰাত সহায় হোৱাকৈ ছপা আখৰৰ লগত কি ধাৰণা সংযুক্ত হৈ আছে সেই বিষয়ে সাধাৰণ ধাৰণাৰ বিকাশ সাধন হোৱা প্ৰয়োজন। শিশুসকলৰ বাবে ভালকৈ বান্ধোৱা আৰু সহজে চম্ভালিব পৰা কিতাপ সহজলভ্য কৰি তোলাটো গুৰুত্বপূৰ্ণ কথা। ইয়াৰ লগত জড়িত ধাৰণা কিছুমান তলত দিয়া হ'ল—

- শিশুসকলে কিতাপ এখনৰ পৃষ্ঠাসমূহ প্ৰথমৰ পৰা পিছৰ পৃষ্ঠালৈ লুটিয়াবলৈ, সঠিকভাৱে কিতাপ এখন ধৰিবলৈ আৰু পঢ়াৰ ভাও জুৰিবলৈ যেতিয়া সুযোগ পাব তেতিয়াই তেওঁলোকৰ ছপা আখৰৰ নিয়মাৱলীৰ সৈতে সংযোগ স্থাপন হ'ব। ছপা আখৰ আৰু ছবিৰ যে অৰ্থ থাকে, কিতাপ যে পঢ়িবৰ বাবেহে লগতে মৌখিক ভাষাক যে লিখিব পাৰি আৰু তাৰপাছত যে পঢ়িব পাৰি এই কথাও তেওঁলোকে বুজি পোৱা হয়।
- শব্দ আৰু বাক্যৰ মাজত ব্যৱধান, বিৰাম চিহ্ন, প্ৰতিদিনে ব্যৱহাৰ কৰা বস্তুবোৰৰ সম্পৰ্কে থকা প্ৰতীক আৰু নাম ফলক থকা, কিতাপৰ নাম, লেখক, ছবি, বৰ্ণনা, সন্মুখৰ পৃষ্ঠা, শেষৰ পৃষ্ঠা আদিৰ বিষয়ে যেতিয়া শিশু সজাগ হয় তেতিয়াই প্ৰকৃততে কিতাপ আৰু ছপাৰ ধাৰণাৰ বিকাশ হয়। 'এই কিতাপখনৰ বেটুপাত ক'ত?' 'এই পৃষ্ঠাৰ কোনখিনিৰ পৰা মই পঢ়া আৰম্ভ কৰা উচিত?' 'এই বাক্যটো ক'ৰপৰা আৰম্ভ হৈছে আৰু ক'ত শেষ হৈছে?' এনেধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰি শিশুৰ মনত কিতাপ আৰু ছপাৰ ধাৰণা দৃঢ় কৰিব পাৰি

ছপা সজাগতা তেতিয়াহে হয় যেতিয়া শিশুৰ বাবে পৰিৱেশ ছপা সমৃদ্ধ হয়, অৰ্থাৎ শিশুৰে চৌপাশে সহজতে যেতিয়া ছপা আখৰ দেখা পায়  নিম্নোক্ত দিশসমূহৰ জৰিয়তে এই কাৰ্য কৰিব পাৰি—

- শ্ৰেণীকোঠাৰ সকলো সামগ্ৰী যেনে- 'দুৱাৰ', 'খিৰিকী', 'আলমাৰী' আদিত ফলক লগোৱা। চুম্বক লগোৱা আখৰ, স্পঞ্জৰ আখৰ আৰু আখৰৰ ব্লক ভাষাৰ শিকনৰ বাবে নিৰ্ধাৰিত কৰা ক্ষেত্ৰত পৰ্যাপ্ত পৰিমাণে ৰখা।
- ডাঙৰ কিতাপৰ ব্যৱহাৰ (বাক্যাংশৰ পুনঃ পুনঃ ব্যৱহাৰ আৰু ডাঙৰ ছপা আখৰৰ কাহিনী/সাধুৰ কিতাপ)
- শ্ৰেণীকোঠাৰ বেৰত নিতৌ নতুন শব্দ সংযোগ কৰি শব্দৰ দেৱাল গঢ়া।
- শিশুৱে সহজে দেখা পোৱাকৈ চকুৰ সমান্তৰাল বিষয়বস্তুৰ লগত সংগতি ৰাখি নাম ফলক থকা চাৰ্ট আৰু পোষ্টাৰ ওলোমাই থ'ব লাগে।
- শিশুসকলক দৈনিক ব্যৱহাৰ কৰা ছপা সামগ্ৰী, যেনে- বৰ্ডত লিখা উপস্থিতিৰ তালিকা, কেলেণ্ডাৰ আদিৰ লগত শিক্ষকে মৌখিকভাৱে জড়িত কৰাব আৰু উল্লিখিত কাৰ্য দুটা প্ৰতিদিনে উপস্থিতি আৰু কেলেণ্ডাৰ অনুসৰি কৰাব।

- **শব্দ আৰু শব্দাংশৰ প্ৰতি সজাগতা ঃ** শব্দ নাইবা শব্দাংশৰ গণনা কৰা নাইবা পৃথক কৰা
- **কোনটো শব্দ বেছি দীঘল শিশুৱে ক'ব পৰা ঃ** গৰু নে ছাগলী, হাতী নে মেকুৰী
- **ছন্দৰ মিল থকা ঃ** একে স্বৰত উচ্চাৰণ কৰিব পৰা যেনে- বল-কল-ফল, (শিক্ষকে কোৱা শব্দবোৰ শুনি শিশুসকলে একেধৰণে ক'ব আৰু এনেধৰণৰ বেলেগ বেলেগ শব্দ ক'ব)
- **সংমিশ্ৰণ আৰু বিভাজন ঃ** শিশুসকলে এটা শব্দ সৃষ্টি কৰিবলৈ ধ্বনি একেলগ কৰিব পাৰে যেনে- মা  লা – মালা নতুবা এটা শব্দক ভিন্ন ধ্বনিলৈ ভাঙিব পাৰে, যেনে- মালা। ইয়াক ভাঙিলে হ'ব মা আৰু লা।
- **আদি, মধ্য আৰু অন্ত্য ধ্বনিৰ চিনাক্তকৰণ ঃ** একেই ধ্বনিৰে আৰম্ভ হোৱা শব্দৰ চিনাক্তকৰণ। বেলুন শব্দৰ প্ৰাৰম্ভিক ধ্বনিৰ দৰে তলৰ কোনটো শব্দ উচ্চাৰণ হয় ?— বেঙেনা, পানী, জাহাজ।
- **ধ্বনি আৰু শব্দাংশৰ সাল-সলনিৰ খেল ঃ** এটা শব্দৰ ধ্বনি বা এটা বৰ্ণ বা সাল সলনি আঁতৰাই দি নতুন শব্দৰ সৃষ্টি কৰা যেনে- 'দোকান'। ইয়াত 'দো'টো আঁতৰাই দিলে ই হ'ব 'কান'। আকৌ প্ৰথম বৰ্ণৰ সলনি কৰিহে নতুন শব্দৰ সৃষ্টি কৰিব পাৰি যেনে— জল-ফল-কল-বল ইত্যাদি।

## ধ্বনি সজাগতা ঃ

ধ্বনি সজাগতা হৈছে শব্দ, বৰ্ণ, শব্দাংশ, শেষৰ শব্দৰ ধ্বনিৰ মিল থকা পদা, ধ্বনিৰ দ্বাৰা যে এটা ভাষাৰ সৃষ্টি হয় তাৰ স্বীকৃতি। সমধ্বনি যুক্ত শব্দৰ প্ৰতি সজাগতা হৈছে শিশুৰ সেই দক্ষতা যি প্ৰতিটো কথা বতৰাত ধ্বনি শুনে, ধ্বনিৰ শ্ৰেণীবিভাজন আৰু ইয়াৰ ইফাল-সিফাল কৰি তাৰ অৰ্থ বুজে। এই জ্ঞান আৰম্ভণিতে মৌখিক ভাষাতে হয়, শিশুসকলে ধ্বনি সজাগতাৰ প্ৰদৰ্শন কৰোঁতে বৰ্ণবোৰৰ নাম নাইবা সেই বৰ্ণবোৰৰ ধ্বনি সম্পৰ্ক আদি জনাৰ প্ৰয়োজন তেওঁলোকৰ নাই। (সমধ্বনিযুক্ত আৰু ধ্বনি সজাগতা সম্পৰ্কে শ্ৰেণীৰ ক্ৰিয়া-কলাপৰ বাবে বাকচত প্ৰসংগ দিয়া হৈছে)

## ধ্বনি আৰু চিহ্নৰ সম্বন্ধ আৰু শব্দ চিনি পোৱা ঃ

ধ্বনি আৰু চিহ্নৰ সম্বন্ধবোধে শিশুসকলক আখৰ স্পষ্টকৈ বুজাত আৰু ছপা আখৰ বোধগম্য কৰাত সহায় কৰে শিশুৱে সঘনাই পাই থকা শব্দবোৰ পঢ়িব নাজানিলেও সেইবোৰ দেখিয়েই চিনাক্ত কৰিবলৈ শিকে। এইধৰণৰ পঠনক প্ৰতীক পঠন বুলি জনা যায় য'ত শিশুৱে কেৱল চকুৰে চাই শব্দ পঢ়িবলৈ শিকে আৰু ইয়াক 'দৃষ্টিগোচৰ শব্দ' বুলি কোৱা হয়। এই শব্দবোৰ সাধাৰণ কথা বতৰাত ব্যৱহাৰ হয়। আখৰ চিনি পোৱাৰ আগতেই এই শব্দবোৰৰ লগত শিশুসকলৰ পৰিচয় হয়। উদাহৰণস্বৰূপে, যেতিয়া শিশুসকলে ক-ল-ম শব্দটোৰ আখৰবোৰ চিনি পাব তেতিয়া পৰিৱেশত দেখি থকা আন আন শব্দও চিনাক্ত কৰিব পাৰিব, যেনে- বিস্কুট, চাবোন, হালধি আদি

## সাহিত্য সজাগতা ঃ

সৰুৰে পৰা শিশুক ভাল সাহিত্যৰ লগত পৰিচয় কৰোৱাটো অতি গুৰুত্বপূৰ্ণ কিতাপ, কাহিনী/ সাধু আৰু পদ্য আদিৰ জৰিয়তে শিশুৱে তেওঁলোকৰ চৌপাশৰ পৃথিৱীখনৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰে। সাধাৰণ ছবিৰ কিতাপেও শিশুক বিভিন্ন ধৰণে বুজি শিকাত সহায় কৰে। কথিত আৰু লিখিত ভাষাৰ অৰ্থ উলিওৱা আৰু বুজি পোৱাই হৈছে বোধ দক্ষতা। কোনো এটা পাঠত থকা শব্দবোৰতে কেৱল ইয়াৰ অৰ্থ নিহিত হৈ নাথাকে বৰঞ্চ অৰ্থ উদ্ধাৰৰ প্ৰক্ৰিয়াতো ই নিহিত হৈ থাকে।

## (গ) উত্থিত লিখন ঃ

শিশুৱে কৰা আঁক-বাঁক, ছবি আৰু বানানৰ উদ্ভাৱনৰ জৰিয়তে তেওঁলোকে চৌপাশৰ ভৌতিক আৰু সামাজিক পৃথিৱীখনক প্ৰতিনিধিত্ব কৰিবলৈ আৰম্ভ কৰাৰ পৰাই শিশুৰ লিখন আৰম্ভ হয়। এনেদৰে লিখনৰ বিকাশ হোৱাই হৈছে উত্থিত লিখন। ফলপ্ৰসূ বিনিময় কৰী হ'বলৈ লিখিত ৰূপত নিজৰ ভাব প্ৰকাশ কৰাটো শিশুৰ বিকাশৰ ধাৰাবাহিকতাৰ ক্ৰম। শিশুৱে শুদ্ধ বানানেৰে সঠিককৈ লিখিবলৈ শিকাৰ পাছতহে শিশুৰ লিখন আৰম্ভ হয় বুলি এটা ভুল ধাৰণা সকলোৰে আছে। অন্যৰ লগত হোৱা তেওঁলোকৰ অভিজ্ঞতাৰ লগত সংযোগ আৰু বিনিময় কৰি এনে উত্থিত লিখন কাৰ্য কৰা শিশুৱে তেওঁলোকৰ লেখাৰ বিষয়ে কয়। শিশুৱে এনেদৰে লিখিবলৈ চেষ্টা কৰা কাৰ্যক শিক্ষকসকলে তলত দিয়াধৰণে সমৰ্থন দিব পাৰে

- শিশুৱে কি লিখিছে, আঁকিছে বা আঁক-বাঁক কৰিছে সেই বিষয়ে তেওঁলোকক সোধা,
- শিক্ষকে কি ভাবিছে সেই বিষয়ে শিশুসকলক দেখুৱাই তেওঁলোকৰ বাবে লিখন প্ৰক্ৰিয়াৰ আৰ্হি প্ৰস্তুত কৰা,
- লিখনৰ সঠিক সঁজুলি যেনে, পেঞ্চিল, চক, মাৰ্কাৰ আদি ব্যৱহাৰ কৰিবলৈ শিশুক উৎসাহিত কৰা,
- শিশুসকলক ছবি আঁকি ছবিখনৰ বিষয়ে আঁক-বাঁক কৰি ক'বলৈ দিয়া.
- নিজৰ আগ্ৰহ থকা বিষয়টোৰ বিষয়ে লিখিবলৈ শিশুক পৰামৰ্শ দিয়া.
- বহু সময় আঁক-বাঁক কৰাৰ পাছত ই কোনো বৰ্ণৰ ৰূপ ল'ব পাৰে আৰু তেওঁলোকে নিজাকৈ কিছুমান বানান উদ্ভাৱন কৰি লিখিব পাৰে, যেনে- ইংৰাজীত Cat শব্দটো লিখোঁতে Kt, সেইদৰে Book লিখোতে Bk বুলি লিখে আৰু অসমীয়াত মেলা লিখোঁতে মেৰা, আম লিখোঁতে আন বুলি লিখে। শিশুসকলে এইদৰে কৰা প্ৰচেষ্টাক উৎসাহিত কৰিব লাগে
- শিক্ষকে এই কথা বুজি পোৱাটো অতি প্ৰয়োজনীয় যে শিশুৱে প্ৰচলিত ৰূপত লিখিবলৈ কেইবা বছৰো লাগিব পাৰে।

## বুনিয়াদী ভাষা আৰু সাক্ষৰতাৰ দক্ষতা বিকাশত সহায়ক কৌশলসমূহ ঃ

শ্ৰেণীকোঠাত শিক্ষণ-শিকনৰ বিভিন্ন কৌশল ব্যৱহাৰ কৰি শিশুৰ ভাষা আৰু সাক্ষৰতাৰ বিকাশত সহায় কৰিব পাৰি প্ৰতিটো শিক্ষণ-শিকন কৌশলতেই শিক্ষক আৰু শিশুৱে বিভিন্ন ধৰণে জড়িত হোৱাৰ প্ৰয়োজনীয়তা আছে। ইয়াক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

- **শিক্ষকে পৰিচালনা কৰা ঃ** এই ক্ৰিয়া-কলাপসমূহ শিক্ষকে পৰিচালনা কৰিব। শিক্ষকে সম্পূৰ্ণ শ্ৰেণীটো লৈয়ো কৰিব পাৰে নাইবা ব্যক্তিগতভাৱে সমৰ্থন দিবলগীয়া শিশুক লৈয়ো কৰিব পাৰে। শিশুসকলে পৰ্যৱেক্ষণ, অংশগ্ৰহণ আৰু তাৰ পৰা শিকিব পৰাকৈ শিক্ষকে শিশুৰ বাবে বিভিন্ন কৌশল প্ৰদৰ্শনেৰে ক্ৰিয়া-কলাপসমূহ কৰিব। ক্ৰিয়া-কলাপবোৰ এনে হোৱা উচিত য'ত শিশুসকলে পৰ্যবেক্ষণ আৰু অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ কৌশলেৰে শিকিব পাৰিব।
- **অংশীদাৰী শিকন ঃ** শিক্ষক আৰু শিশুসকলে একেলগে এই ক্ৰিয়া-কলাপ কৰিব। এনে অংশীদাৰী ক্ৰিয়া-কলাপত কথন, পঠন নাইবা লিখনৰ প্ৰতি শিশুৱে কৰা চেষ্টাক শিক্ষকে সক্ৰিয়ভাৱে সমৰ্থন দিব।
- **শিশুৱে পৰিচালনা কৰা ঃ** সহপাঠী এজনৰ লগত নাইবা সৰু দলত শিক্ষকৰ সহায় নোলোৱাকৈ স্বতন্ত্ৰভাৱে শিশুৱে এই ক্ৰিয়া-কলাপ কৰিব। শিক্ষকে আঁতৰৰ পৰা শিশুসকলক পৰ্যৱেক্ষণ কৰিব আৰু প্ৰয়োজন সাপেক্ষেহে সহায়ৰ হাত আগবঢ়াব।

## কাহিনী/সাধু কোৱা ঃ

নিজৰ ভাল লগা সাধু বা কাহিনী বাৰে বাৰে শুনি শিশুৱে ভাল পায়। সেয়েহে অভিজ্ঞতা অৰ্জনৰ হেতু কিছুমান সাধু/কাহিনী বাৰে বাৰে শিশুক ক'ব পাৰি। কাহিনী/সাধু কোৱাৰ বিভিন্ন ধৰণ আছে, এনে কাহিনী কথনৰ সময়ত কিছু কথা মনত ৰখা ভাল

- কাহিনী বা সাধু চুটি আৰু ইয়াৰ ভাষা সৰল হ'ব লাগে
- কাহিনীত সন্নিৱিষ্ট কৰিব খোজা কোনো ঘটনা শিশুৰ চৌপাশৰ পৰিৱেশৰ হ'ব লাগে, যাতে কাহিনীৰ কিছু অংশ তেওঁলোকৰ দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ সৈতে সংযোগ কৰিব পাৰে।
- কাহিনী কোৱাৰ সময়ত যদি ছবি বা সহায়ক সামগ্ৰী, যেনে- পুতলা, লাখুটি, জাকৈ, ঝাড়ু আদি ব্যৱহাৰ কৰে তেন্তে সামান্য ওখ হৈ বহি, থিয় হৈ বা সহায়ক সামগ্ৰী এনেদৰে ব্যৱহাৰ কৰিব যাতে শিশুসকলৰ দৃষ্টিগোচৰ হয়।
- কিতাপৰ পৰা কাহিনী বা সাধু কোৱাৰ পাছত সেই কিতাপখন শ্ৰেণীৰ 'কিতাপ ক্ষেত্ৰ'ত থৈ আহিব লাগে যাতে শিশুসকলে পাছত সেই কিতাপ বা কাহিনীটো পুনৰ চোৱাৰ সুযোগ পায়
- শিশুসকলক নিজৰ কথাৰে সাধু বা কাহিনীটো পুনৰ ক'বলৈ উৎসাহিত কৰিব লাগে নাইবা কাহিনীটো সম্পৰ্কে আঁকিবলৈ বা লিখিবলৈ দিব লাগে।
- কাহিনী বা সাধু শিশুসকলক নিজে সাজি ক'বলৈ উৎসাহিত কৰিব লাগে
- সাধু বা কাহিনীৰ চৰিত্ৰসমূহ অভিনয় কৰিবলৈ দিব লাগে আৰু চৰিত্ৰাভিনয় বা নাটক কৰোঁতে প্ৰকৃত বস্তু বা কৃত্ৰিম বস্তু ব্যৱহাৰ কৰিবলৈ শিশুসকলক দিব লাগে

**চৰিত্ৰাভিনয় বা কাহিনীৰ নাট্যৰূপ ঃ**

শিশুৱে কৰা বা জনা বিভিন্ন দিশৰ প্ৰদৰ্শনৰ বাবে চৰিত্ৰাভিনয় বা নাট্যাভিনয় এটা ভাল উপায়। শ্ৰেণীকোঠাত নাটক বা অভিনয়ৰ ক্ষেত্ৰত এনেবোৰ ক্ৰিয়া-কলাপ কৰিব পাৰে। শিশুসকলক নিজা শব্দ, অংগ-ভংগীৰে চৰিত্ৰাভিনয় নাইবা নাটক প্ৰদৰ্শন কৰিবলৈ দিব।

**মনত ৰখা উচিত**

কাহিনী/সাধু কোৱা, চৰিত্ৰাভিনয়, নাটক কৰা এইবোৰ কাৰ্যই বিভিন্ন অৰ্হতাৰ বিকাশত সহায় কৰে। সেয়েহে, ভাষা আৰু সাক্ষৰতাক আগবঢ়াই নিবৰ বাবে এইটো শাখাত চৰিত্ৰাভিনয় আৰু নাট্যাভিনয়ক বিশেষভাৱে অন্তৰ্ভুক্ত কৰা হৈছে।

**আদৰ্শ পঠন ঃ**

এজন দক্ষ শিকাৰুৱে ব্যৱহাৰ কৰাৰ দৰে শিক্ষকসকলে আদৰ্শ পঠন কৌশলসমূহ প্ৰদৰ্শন কৰে যাতে শিশুসকলে পৰ্যবেক্ষণৰ দ্বাৰা শিকিব পাৰে। শিক্ষকে পঠন নাইবা লিখনৰ বিভিন্ন কৌশল ব্যৱহাৰ কৰোঁতে ডাঙৰকৈ কোৱাৰ বাবে ভাবিব, যেনে—

- যেতিয়া শিক্ষকে আদৰ্শ পঠনৰ বাবে ডাঙৰকৈ পঢ়ি তেতিয়া শব্দৰ তলে তলে তেওঁৰ আঙুলি থৈ যাব, বাওঁফালৰ পৰা সোঁফাললৈ আৰু কমাত অলপ সময় বৈ দাৰিত বৈ দি পঠনৰ আৰ্হি প্ৰদৰ্শন কৰিব। লগতে প্ৰশ্নবোধক চিনৰ প্ৰতি শিশুৰ মনোযোগ আকৰ্ষণ কৰিব।
- কিতাপ এখন কেনেকৈ ধৰিব লাগে, কেনেদৰে এটা বাক্য পঢ়িব লাগে, বিভিন্ন লিখন সঁজুলি ব্যৱহাৰ কৰি কেনেকৈ লিখিব পাৰি এই কথাবোৰ শিক্ষক এজনে আৰ্হি হিচাপে প্ৰদৰ্শন কৰিব পাৰে

**সৰৱ পঠন ঃ**

সৰৱ পঠন হৈছে এক শিক্ষণ কৌশল য'ত শিক্ষক, পিতৃ-মাতৃ নাইবা সহায়কাৰীসকলে শিশুৰ আগত ডাঙৰকৈ কিতাপ পঢ়ে। পঢ়োঁতে ভাষাৰ শব্দবোৰ কিদৰে উচ্চাৰিত হয় সেইবিষয়ে শিশুৱে বুজাত ই সহায় কৰে। ইয়াৰ লগতে স্বৰৰ সাল-সলনি আৰু প্ৰকাশভংগীৰ বিষয়েও শিশুৱে শিকাৰ সুযোগ পায়। সৰৱ পঠনে শিশুক অৰ্থ উলিওৱা ভাষাৰ ব্যৱহাৰ, শব্দভাণ্ডাৰ, নতুন ধাৰণা আৰু গুণগত সাহিত্যৰ লগত পৰিচয় কৰায়। সৰৱ পঠন কৰাৰ সময়ত আমি পঢ়ি যোৱাৰ লগে লগে কেনেকৈ চিন্তা কৰোঁ, তাক প্ৰকাশ ভংগীৰে প্ৰদৰ্শন কৰিব।

ডাঙৰকৈ পঢ়োঁতে তলত দিয়া কথা কেইটা মনত ৰখা উচিত—

- বয়সোপযোগী ডাঙৰ কিতাপ (বিগ বুক) ব্যৱহাৰ কৰিব, যিবোৰত চৰিত্ৰ, ঘটনা, ভাষা আৰু ছবিৰ প্ৰাণৱন্ত উপস্থাপন থাকে (পাঠ্যপুথি ব্যৱহাৰ নকৰিব)।
- সৰৱ পঠন কৰাৰ আৰম্ভণিতে শিক্ষকে পঢ়ি যাওঁতে ক'ত ৰব, কোনখিনিত জোৰ দিব, ক'ত প্ৰশ্ন সুধিব আৰু শিশুৰ সঁহাৰি কেনেকৈ উলিয়াব এই বিষয়ে পৰিকল্পনা কৰি সিদ্ধান্ত ল'ব

- মুকলি আৰু শান্ত পৰিৱেশত সৰৱ পঠন পৰিচালনা কৰিব আৰু শিশুৱে যাতে কিতাপ আৰু শিক্ষকক দেখি থাকে সেয়া নিশ্চিত কৰিব।
- ছবিবোৰ পৰ্যবেক্ষণৰ বাবে শিশুসকলক সময় দিব, প্ৰশ্ন সুধিব আৰু কাহিনীটোত কি হৈ আছে বা পৰৱৰ্তী পৰ্যায়ত কি হ'ব পাৰে এইবোৰৰ বিষয়ে ক'বলৈ দিব আৰু পাছত কাহিনীটোৰ বিষয়ে শিশুসকলৰ লগত আলোচনা কৰিব।

## অংশীদাৰী পঠন ঃ

অংশীদাৰী পঠনত শিক্ষক আৰু শিশুৱে একেলগে পাঠ পঢ়ে অংশীদাৰী পঠনৰ বাবে সাধাৰণতে 'ডাঙৰ কিতাপ' (বিগ্ বুক) ব্যৱহাৰ কৰা হয়। শিক্ষকে যেতিয়া পাঠ পঢ়ি যায় তেতিয়া শিশুসকলে ছবি চাই মনত অহা কোনো এটা শব্দ কৈ, দৃষ্টিগোচৰ হোৱা শব্দ কৈ নাইবা মনত পৰা শব্দ কৈ যোগদান কৰে। এই ক্ৰিয়া-কলাপৰ মাধ্যমেৰে শিশুৰ ছপা আখৰ সম্বন্ধে ধাৰণাৰ বিকাশ আৰম্ভ হয়। অংশীদাৰী পঠনত তলৰ কথাকেইটা মনত ৰখা উচিত—

- নিৰ্বাচিত পাঠৰ ছপা আখৰবোৰ ডাঙৰ হোৱা প্ৰয়োজন আৰু দূৰৈৰ পৰাও সহজে পঢ়িব পৰাও হোৱা আৱশ্যক।
- ডাঙৰ কিতাপ (বিগ বুক), কবিতা, চুটি কাহিনী নাইবা শিশুৰ কোনো লেখা অংশীদাৰী পঠনৰ সময়ত পঢ়িব পাৰে।
- পঢ়ি যাওঁতে প্ৰতিটো শব্দৰ তলে তলে আঙুলি থৈ দেখুৱাই যাব।
- প্ৰতিটো পাঠ কেইবাবাৰো ডাঙৰকৈ পঢ়িব যাতে শিশুসকলে অংশগ্ৰহণ কৰিব পাৰে।

## অংশীদাৰী লিখন ঃ

শিশুৱে অবিৰতভাৱে লাভ কৰা এক ছপা সমৃদ্ধ পৰিৱেশৰ পৰাই শিশুৰ লিখনৰ প্ৰতি জ্ঞান আৰু আগ্ৰহ জন্মে আৰু লিখনৰ লগত সম্পৰ্কিত ক্ৰিয়া-কলাপ যেনে- তালিকা প্ৰস্তুত, উপস্থিতি চিহ্নিত কৰা (marking attendance) আদিৰ পৰাও শিশুৰ লিখন আগ্ৰহ জন্মে অংশীদাৰী লিখনত শিশু আৰু শিক্ষকে তলত দিয়া প্ৰক্ৰিয়াসমূহ অনুসৰণ কৰি একেলগে লিখাৰ বাবে পাঠ প্ৰস্তুত কৰিব।

- শিশুৱে কি লিখিব সেয়া তেওঁলোকে নিজেই সিদ্ধান্ত ল'ব পাৰে আৰু শিক্ষকে সেয়া ব'ৰ্ড বা ডাঙৰ পোষ্টাৰত লিখিব। কাহিনী/সাধু, তালিকা প্ৰস্তুত, কোনো উৎসৱ বা ঘটনাৰ বৰ্ণনা আদি অংশীদাৰী লিখনৰ ক্ৰিয়া-কলাপ হ'ব পাৰে।
- শিক্ষকে লিপি প্ৰস্তুতকৰ্তা আৰু স্মাৰক হৈ শিশুসকলক প্ৰশ্ন সুধি শিশুৰ পৰা আদায় কৰা তথ্যৰে অৰ্থপূৰ্ণ পাঠ প্ৰস্তুত কৰি ল'ব পাৰে।
- শিশুৱে লিখি যাওঁতে শিক্ষকে দাৰি, কমা, প্ৰশ্নবোধক চিহ্ন আদি যতি বিৰাম চিহ্নৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাব পাৰে
- এনেধৰণৰ লেখাসমূহৰ উদ্দেশ্য হৈছে শিশুসকলক তেওঁলোকৰ লিখিত শব্দৰ সৈতে জড়িত কৰা আৰু তেওঁলোকক বৰ্তমান পৰ্যায়ৰ পৰা পৰৱৰ্তী পৰ্যায়ৰ লিখনত সহায় কৰা

## নিৰ্দেশাত্মক পঠন ঃ

নিৰ্দেশাত্মক পঠনত শিক্ষকৰ সহায়ত শিশুৱে পঢ়ে। সৰৱ পঠন নাইবা অংশীদাৰী পঠনত শিক্ষকে প্ৰয়োগ কৰা আৰ্হি আৰু কৌশলসমূহ দৃঢ়ীকৰণ আৰু অনুশীলনৰ বাবে নিৰ্দেশাত্মক পঠনে সহায় কৰে।

শিশুসকলক ফলপ্ৰসূভাৱে পঠনৰ নিৰ্দেশনা দিবলৈ হ'লে শিক্ষকসকলে তলৰ কথাকেইটা মনত ৰখা উচিত।

- একে পঠন স্তৰৰ শিশুসকলৰ মাজত সৰু সৰু দল গঠন কৰক অৰ্থাৎ যিসকল শিশুৱে কেৱল 'ছবি পঠন' হে কৰিব পাৰে তেওঁলোকক একেলগ কৰি এটা দল, আকৌ যিসকলে কিছুমান সাধাৰণ শব্দ চিনাক্ত কৰিব পাৰে তেওঁলোকক একেলগ কৰি এটা দল আদি
- এনেকুৱা পাঠ নিৰ্বাচন কৰক, যিটো পাঠৰ লগত শিশুসকল ইতিমধ্যেই পৰিচিত আৰু তেওঁলোকৰ পঠন স্তৰৰ অৰ্থাৎ, তেওঁলোকক সামান্য সমৰ্থন দিলেই পঢ়িব পৰা পাঠ হয়।
- সকলো শিশুকে এটা দলত একে সময়তে, একেটা পাঠ পঢ়িবৰ বাবে উৎসাহিত কৰক।

**ছবি পঠন ঃ**

শিশুসকলক কাহিনী/সাধু কিতাপৰ ছবিবোৰ পঢ়িবলৈ উৎসাহিত কৰিব লাগে। শিশুসকলক এনেধৰণৰ কিতাপ যোগান ধৰিব লাগে, য'ত ঘটনা আৰু কৰি থকা কাৰ্যবোৰ ক্ৰমত থাকে। যদি ছবিখনত বিভিন্ন ধৰণৰ আমোদজনক কাৰ্য আৰু অংগ-ভংগীৰ দৃশ্য থাকে, শিশুসকলক সেই ছবিখন এটা কাহিনী/সাধু সজাত সহায় কৰে

## স্বতন্ত্ৰ পঠন ঃ

স্বতন্ত্ৰ পঠনৰ সুযোগে শিশুসকলক নিজৰ বাবে নীৰৱ পঠনৰ অভ্যাস গঢ়াত সহায় কৰে। শিশুসকলে আনন্দৰ বাবে পাঠটো পঢ়ি চিন্তন কৰা আৰু পাঠটোৰ পৰা অভিজ্ঞতা আহৰণ কৰিবলৈ আৰম্ভ কৰে।

## আদৰ্শ লিখন ঃ

আদৰ্শ লিখন হৈছে শিশুৰ বাবে লিখন প্ৰক্ৰিয়া। শিশুৱে কি আঁকিছে বা আঁক-বাঁক কৰিছে শিক্ষকে সুধিব আৰু তেওঁলোকে লিখাৰ কাষতে বা তলত শিক্ষকে লিখি দিব। এইটোৱে শিশুসকলক দেখুৱাত সহায় কৰে কেনেকৈ এজনে প্ৰচলিত নিয়ম অনুসৰি লিখে, যেনে- বাওঁফালৰ পৰা সোঁফাললৈ আৰু বাক্যৰ শেষত দাৰি ব্যৱহাৰ কৰে। এইটোৰ দ্বাৰা শিক্ষকে এটা আৰ্হি শিশুসকলৰ আগত দাঙি ধৰে যে কেনেকৈ তেওঁলোকে নিজৰ অভিজ্ঞতা আৰু অনুভূতি বৰ্ণনা কৰি পাঠ লিখিব আৰু কবিতা ৰচনা কৰিব পাৰিব। আদৰ্শ লিখনৰ বাবে তলৰ স্তৰকেইটা অনুসৰণ কৰা উচিত

- শিশুৰ আগ্ৰহৰ বিষয়বস্তুক লৈ শিক্ষক আৰু শিশুৱে কথোপকথন কৰিব পাৰে।
- শিশুৰ লেখাক ভিত্তি কৰি শিক্ষকে তেওঁলোকক প্ৰশ্ন সুধিব পাৰে
- শিক্ষকজনে লিখি যাওঁতে, তেওঁ কেনেকৈ লিখিছে আৰু তেওঁৰ লিখাবোৰ প্ৰচলিত ৰূপত কেনে দেখা গৈছে সেইটো পৰ্যবেক্ষণ কৰিবলৈ শিশুসকলক সময় আৰু কʼবলৈ সুবিধা প্ৰদান কৰিব।

## স্বতন্ত্ৰ লিখন ঃ

শিশুৱে আৰম্ভণিৰ পৰা শেষলৈকে নিজৰ পাঠ নিজে লিখি প্ৰস্তুত কৰে। তেওঁলোকে উদীয়মান সাক্ষৰতাৰ অভিজ্ঞতাৰ পৰা লাভ কৰা জ্ঞান আৰু কৌশল ব্যৱহাৰ কৰি আঁকে।

শিক্ষকে শিশুসকলক লিখিবৰ বাবে ঠাই, সঁজুলি আৰু উৎসাহ যোগায়। শিশুসকলৰ ছবি বা লেখা সম্পৰ্কে শিক্ষকে তেওঁলোকক প্ৰশ্ন সুধিব পাৰে আৰু প্ৰয়োজন সাপেক্ষে বুজাই দিব পাৰে। এনেধৰণৰ অভিজ্ঞতাত শিক্ষক আদৰ্শ হ'ব পাৰে আৰু প্ৰতিজন শিশুৰ প্ৰয়োজনৰ ভিত্তিত বিভিন্ন স্তৰত সহায় আগবঢ়াব পাৰে।

## সাংখ্যিকতা বিকাশ, পৰিৱেশ সজাগতা আৰু বিজ্ঞানসন্মত চিন্তাধাৰা—

### (ক) সাংখ্যিকতা বিকাশৰ বাবে ক্ৰিয়া-কলাপ ঃ

সাংখ্যিকতাৰ লগত সাম্প্ৰতিক জটিল সমাজ ব্যৱস্থাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰ কৰা সমস্যা সমাধানৰ দক্ষতা আৰু গাণিতিক বোধৰ ব্যৱহাৰৰ সামৰ্থতা জড়িত হৈ আছে। এই দক্ষতা অৰ্জনৰ বাবে এজন শিশুক প্ৰয়োজন হয় চিন্তা কৰিব পৰা গুণ আৰু পৰিমাণগত ৰূপত বিনিময় (Quantitatively Communicate) কৰাৰ দক্ষতা যাতে তথ্যৰ ধাৰণা, স্থানিক সজাগতা, চানেকি বোধগম্য হোৱা, ক্ৰম জনা আৰু পৰিস্থিতি বুজি গাণিতিক যুক্তিযুক্ততাৰে সমস্যা সমাধান কৰা। এই দক্ষতাসমূহে সমস্যা সমাধান, যুক্তিযুক্ততা, ভাব-বিনিময়, সংযোগ আৰু প্ৰতিনিধিত্বক সামৰি লয়। কোনো বস্তু গণনা কৰিবলৈ লোৱা নাইবা সংখ্যা বোধগম্য হোৱাৰ আগতে শিশুৱে শ্ৰেণীবিভাজন, ক্ৰম, একক সংযোজন আৰু সংখ্যাৰ নাম জানিবলৈ সক্ষম হোৱা প্ৰয়োজন। ছবি কাৰ্ড, নিৰ্দিষ্ট সামগ্ৰীৰে মিলোৱা, বাছি পৃথক কৰা, শ্ৰেণীবিভাজন কৰা, ক্ৰমত সজোৱা, বাস্তৱ বস্তুৰে চানেকি সজা আদিত জড়িত ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰাটো সেয়েহে শিশুৰ বাবে প্ৰয়োজন। অৰ্থপূৰ্ণ গণনা, যেনে কিমানজন শিশু উপস্থিত আছে, অৰ্থাৎ শিশুৰ নাম থকা ফলক কেইখন বৈ গল, গণনাৰ কথাৰে লিখা পদ্য আৰু কাহিনীৰ মাধ্যম ইত্যাদিৰে গণনাত শিশুক জড়িত কৰাব লাগে। (সংখিকতা দক্ষতাৰ বাবে পৰিশিষ্ট-৩ দিয়া হৈছে)

**সংখ্যা জ্ঞান/গণনা সমৃদ্ধপৰিৱেশ এটা কেনেকৈ গঢ়িব ঃ**

প্ৰাক্‌সাংখ্যিকতাৰ দৈনিক সময়সূচী (Early Numeracy Programme)ক সতেজ, জড়িত হ'ব পৰা আৰু খেলৰ ক্ৰিয়া-কলাপেৰে পৰিপূৰ্ণ কৰিবৰ বাবে উপযুক্তভাৱে সজোৱা শ্ৰেণীকোঠাৰ প্ৰয়োজন হ'ব য'ত—

- গণিত আৰু সংখ্যাৰ সুন্দৰ সম্বলপূৰ্ণ ক্ষেত্ৰ য'ত থাক থাককৈ সজোৱা উপকৰণ থাকে; শিশুৱে বাছি পৃথক কৰা বা মিলাবলৈ বিভিন্ন ধৰণৰ আকৃতি আৰু ৰঙৰ সামগ্ৰী যেনে- জোখ লোৱা ফিটা, কলম, কাগজ, স্কেল, কেলকুলেটৰ আৰু চুম্বকীয় সংখ্যা (magnetic number) আদি থাকে।
- ইতিমধ্যে সাংখিকতা ক্ৰিয়া-কলাপ আৰু ইয়াৰ ফলাফসমূহ সকলোৰে দৃষ্টিগোচৰ হোৱাকৈ শ্ৰেণীকোঠাত আৰি থোৱা থাকে।

### (খ) পৰিৱেশ সজাগতা আৰু বিজ্ঞানসন্মত চিন্তাধাৰাৰ বিকাশৰ বাবে ক্ৰিয়া-কলাপ ঃ

শিশুসকল স্বভাৱিকতে অনুসন্ধিৎসু আৰু তেওঁলোকে পৃথিৱীখনৰ অৰ্থ ব্যাখ্যা কৰা আৰু সঁহাৰি জনোৱাৰ আন্তৰিক সামৰ্থতা লৈয়ে জন্ম গ্ৰহণ কৰে। ভৌতিক, সামাজিক আৰু আৰু প্ৰাকৃতিক পৰিৱেশৰ সৈতে শিশুৰ সৈতে শিশুৰ পোনপটীয়া সংযোগ আৰু অভিজ্ঞতাৰ আধাৰতেই এই জন্মগত সামৰ্থ শক্তিশালী বা দৃঢ় হয়। জ্যেষ্ঠ ব্যক্তিৰ লগত কৰা ভাব বিনিময় আৰু চৌপাশৰ পৰিৱেশৰ লগত কৰা আদান-প্ৰদানৰ জৰিয়তে শিশুৰ প্ৰাক্-শিকন ক্ৰমাৎ দৃঢ় হয়  শিশুসকলৰ ধাৰণা গঠন কৰাত ভাষায়ো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সজ্ঞানাত্মক দক্ষতা যেনে- মিলোৱা, ক্ৰমত সজোৱা, শ্ৰেণীবিভাজন আদি তুলনাৰ ওপৰত ভিত্তি কৰা হয়। শিশুসকলৰ ধাৰণা উন্নত কৰাত আৰু উচ্চ সজ্ঞানাত্মক দক্ষতাৰ সুদৃঢ় ভেটি গঠন কৰাত সহায় কৰে। পৰিৱেশ অধ্যয়ন বিষয়টো শিকাত সহায় কৰে  মননশীল চিন্তন, যুক্তি দৰ্শন, স্মৃতিশক্তি আৰু সমস্যা সমাধান হৈছে বিজ্ঞানসন্মত চিন্তাৰ বিকাশৰ বুনিয়াদ। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত পৰিৱেশ অধ্যয়নৰ ধাৰণা ভাষা আৰু গণিতৰ লগত সমন্বিত কৰা হৈছে

# বিকাশ সম্বন্ধীয় লক্ষ্যভিত্তিক মূল অৰ্হতাসমূহ আৰু শিকন ফলাফল (পৰিশিষ্ট-১)

## (প্ৰাক্ বিদ্যালয় ৩ — বালভাটিকা)

**বিকাশ সম্বন্ধীয় লক্ষ্য- ১ ঃ শিশুসকল সুস্বাস্থ্যৰ অধিকাৰী হ'ব আৰু সুস্থ জীৱন যাপন কৰিব।**
**[Children maintain good health and wellbeing] (HW)**

| মূল অৰ্হতা | শিকন ফলাফল |
|---|---|
| • আত্ম-সচেতনতা<br>• ইতিবাচক স্ব-ধাৰণাৰ/আত্ম ধাৰণাৰ বিকাশ<br>• আত্ম-নিয়ন্ত্ৰণ<br>• সিদ্ধান্ত গ্ৰহণ আৰু সমস্যা সমাধান<br>• সমাজৰ গ্ৰহণযোগ্য আচৰণৰ বিকাশ<br>• স্বাস্থ্যসম্মত অভ্যাস, পৰিষ্কাৰ পৰিচ্ছন্নতা, যথোপযুক্ত অনাময়ৰ ব্যৱহাৰ আৰু আত্ম সুৰক্ষাৰ প্ৰতি সজাগতা<br>• স্থূলপেশীৰ দক্ষতাৰ বিকাশ<br>• সূক্ষ্মপেশীৰ দক্ষতা আৰু চকু-হাতৰ সমন্বয় স্থাপনৰ বিকাশ সাধন<br>• ব্যক্তিগত আৰু দলগত খেল-ধেমালিত অংশগ্ৰহণ | **HW 3.1 :** নিজৰ আৰু আনৰ শাৰীৰিক বৈশিষ্ট্য, লিংগ, ৰুচি, পছন্দ আৰু অপছন্দৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব |
| | **HW 3.2 :** যৌথ পৰিয়ালৰ সদস্যসকলৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বুজি পাই ক'ব পাৰিব। |
| | **HW 3.3 :** স্বতন্ত্ৰভাৱে ক্ৰিয়া-কলাপ প্ৰদৰ্শন কৰি দেখুৱাব পাৰিব। |
| | **HW 3.4 :** একে সময়তে দিয়া নিৰ্দেশাৱলী আৰু সাধাৰণ নীতি-নিয়ম পালন কৰিব পাৰিব। |
| | **HW 3.5 :** দৈনিক কৰ্মসূচী/নিত্য কৰ্মৰ সালসলনিত নিজকে খাপ খুৱাব পাৰিব |
| | **HW 3.6 :** আনে নিৰ্ধাৰিত কৰি দিয়া কাৰ্য সম্পূৰ্ণ কৰিবলৈ মনোনিবেশ কৰিব পাৰিব। |
| | **HW 3.7 :** মৌখিক আৰু অনামৌখিকভাৱে যেনে- অংগ-ভংগী, ছবিৰ সহায়ত নিজৰ আৱেগ প্ৰকাশ কৰিব পাৰিব |
| | **HW 3.8 :** নিজৰ পছন্দ আৰু ৰুচি অনুযায়ী দায়িত্ব গ্ৰহণ কৰি পালন কৰিব পাৰিব। |
| | **HW 3.9 :** সংঘাত নিৰ্মূল কৰাৰ পৰামৰ্শ দিব পাৰিব আৰু বয়সোপযোগী সমাযোজন কৰিব পাৰিব |
| | **HW 3.10 :** ক্ৰিয়া-কলাপ কৰোঁতে আৰু মতবিনিময় কৰোঁতে আনৰ মতামত গ্ৰহণ কৰাৰ ইচ্ছা প্ৰদৰ্শন কৰিব পাৰিব। |
| | **HW 3.11 :** সৰু আৰু ডাঙৰ দলত ক্ৰিয়া-কলাপ কৰোঁতে প্ৰয়োজন সাপেক্ষে সহপাঠীক সহায় কৰিব পাৰিব। |

| মূল অৰ্হতা | শিকনৰ ফলাফল |
|---|---|
| | **HW 3.12 :** বিভিন্ন পৰিবেশৰ পৰা অহা আৰু বিশেষভাৱেসক্ষম শিশুসকলৰ প্ৰতি সংবেদনশীলতা আৰু গ্ৰহণযোগ্যতা প্ৰদৰ্শন কৰিব পাৰিব। |
| | **HW 3.13 :** পৰিষ্কাৰ পৰিচ্ছন্নকৈ থাকিব, সুস্বাস্থ্য বজাই ৰাখিবৰ বাবে স্বাস্থ্যসন্মত বিধি বিধান মানি চলিব পাৰিব, স্বতন্ত্ৰভাৱে যথোপযুক্ত অনাময় ব্যৱহাৰ কৰিব আৰু স্বাস্থ্যকৰ আহাৰ খাব পাৰিব। |
| | **HW 3.14 :** ভাল স্পৰ্শ আৰু বেয়া স্পৰ্শৰ প্ৰতি সতৰ্ক হ'ব আৰু অচিনাকি ব্যক্তিৰ পৰা দূৰত্ব বজাই ৰাখিব |
| | **HW 3.15 :** ঘৰ, প্ৰাক্ প্ৰাথমিক বিদ্যালয়, খেলপথাৰ আৰু ৰাস্তা-ঘাটত নিৰাপত্তাজনিত প্ৰাথমিক নীতি নিয়ম মানি চলিব পাৰিব। |
| | **HW 3.16 :** শক্তি, নিয়ন্ত্ৰণ আৰু সমন্বয়েৰে স্থূলপেশীৰ দক্ষতা প্ৰদৰ্শন কৰিব পাৰিব। উদাহৰণস্বৰূপে দৌৰা, জঁপিওৱা, দলিওৱা, লঠিওৱা, থাপ মাৰি ধৰা ইত্যাদি। |
| | **HW 3.17 :** নিৰ্দিষ্ট স্থান বিচাৰি উলিয়াই গীত-মাত আৰু অংগ সঞ্চালনৰ ক্ৰিয়া-কলাপত সৃজনশীল আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰিব। |
| | **HW 3.18 (a) :** সম্পূৰ্ণ নিৰ্ভুলতা আৰু দক্ষতাৰে সূক্ষ্মপেশীৰ নিয়ন্ত্ৰণ আৰু প্ৰদৰ্শন কৰিব পাৰিব।<br>**HW 3.18 (b) :** সমন্বিত শৈলীৰে কঠিন কাৰ্য সম্পূৰ্ণ কৰিব পাৰিব, যেনে-ৰেখাৰ ওপৰেদি চিধাকৈ কাটিব পাৰিব, ঢাকি দিব পাৰিব, বুটাম মাৰিব পাৰিব।<br>**HW 3.18 (c) :** তৰ্জনী আৰু বুঢ়া আঙুলি ব্যৱহাৰ কৰি বস্তু খামোচ মাৰি ধৰি ৰাখিব পাৰিব আৰু হস্ত চালনাৰে আঙুলি ব্যৱহাৰ কৰি ছবি, চিত্ৰ আঁকিব আৰু লিখিব পাৰিব। |

Source : NIPUN BHARAT– Guideline for implementation, Ministry of Education, Government of India (MoE, 2021a) https://www.education.gov.in/sites/upload_files/mhrd/files/NIPUN_BHARAT.

বিকাশ সম্বন্ধীয় লক্ষ্য- ২ ঃ শিশুসকল সফল ভাব বিনিময়কাৰী হ'ব।

**[Children become Effective Communicators] (EC)**

| মূল অৰ্হতা | শিকন ফলাফল | |
|---|---|---|
| | প্ৰথম ভাষা | |
| **কোৱা আৰু শুনা**<br>● শুনি বুজি পোৱা<br>● সৃজনমূলক আত্মপ্ৰকাশ আৰু কথোপকথন<br>● ভাষা আৰু সৃজনশীল চিন্তাচৰ্চা<br>● শব্দভাণ্ডাৰ বৃদ্ধি<br>● কথোপকথন আৰু কথন দক্ষতা<br>● ভাষাৰ অৰ্থপূৰ্ণ ব্যৱহাৰ<br>**বুজি পঢ়া**<br>● কিতাপ ভাল পোৱা<br>● ছপা সজাগতা আৰু অৰ্থ তৈয়াৰ কৰা<br>● পঢ়াৰ ভাও লোৱা<br>● ধ্বনি সজাগতা<br>● ধ্বনিৰ লগত চিহ্নৰ সম্বন্ধ বুজি পোৱা<br>● পূৰ্ব অভিজ্ঞতা আৰু জ্ঞানৰ ওপৰত ভিত্তি কৰি অনুমান কৰিব পৰা<br>● আনন্দ উপভোগ কৰিবলৈ আৰু বিভিন্ন উদ্দেশ্য আগত ৰাখি নিজাববীয়াকৈ পঢ়া | **ECL1 3.1 :** | বিদ্যালয় আৰু ঘৰৰ কথোপকথনত জড়িত হ'ব পাৰিব আৰু অচিনাকি শিক্ষক-শিক্ষয়িত্ৰী, বন্ধু-বান্ধৱী, বিদ্যালয়ৰ কৰ্মী, আন জ্যেষ্ঠ ব্যক্তি আদিৰ লগত ঘৰুৱা ভাষাত কথোপকথন কৰিব পাৰিব। |
| | **ECL1 3.2 :** | পঠনৰ বাবে নিৰ্দিষ্ট কৰি থোৱা ক্ষেত্ৰৰ পৰা কিতাপ নিৰ্বাচন কৰি লৈ ছবি চাই সাধু বুজিবলৈ চেষ্টা কৰিব আৰু কিতাপত কি লিখা আছে অনুমান কৰিব পাৰিব |
| | **ECL1 3.3 :** | কবিতা/সাধু আদি পঢ়ি হোৱা অভিজ্ঞতা নিজৰ ভাষাত প্ৰকাশ কৰিব পাৰিব। বিষয়বস্তু সম্পৰ্কে ক'ব পাৰিব আৰু বন্ধু-বান্ধৱীৰ সৈতে বিষয়বস্তু সম্পৰ্কে মতবিনিময় কৰিব পাৰিব। |
| | **ECL1 3.4 (a) :** | সঠিক স্বৰেৰে উচ্চাৰণ আৰু স্বৰ পৰিবৰ্তন কৰি মনোগ্ৰাহীকৈ কবিতা আবৃত্তি, গান আদি গাব পাৰিব। |
| | **ECL1 3.4 (b) :** | সঠিক উচ্চাৰণেৰে আৰু সলসলীয়াকৈ পৰিচিত কবিতা নিজৰ ভাষাত আবৃত্তি কৰিব পাৰিব |
| | **ECL1 3.5 (a) :** | নিজৰ প্ৰিয় সাধু কিতাপখন শিক্ষক/ শিক্ষয়িত্ৰীক আগবঢ়াই দি বৰ্ণনা কৰিবলৈ দিব পাৰিব। |
| | **ECL1 3.5 (b) :** | মনোযোগেৰে ছবিত থকা বস্তুবোৰ চাই, সেইবোৰৰ বিষয়ে কথা পাতিব আৰু ছবিত থকা বস্তুবোৰৰ নাম নিজে উদ্ভাৱন কৰা বানানেৰে লিখিব পাৰিব। |
| | **ECL1 3.6 (a) :** | ছপা সামগ্ৰীৰ সজাগতাৰে অৰ্থ বহন কৰি পঢ়িব পাৰিব |
| | **ECL1 3.6 (b) :** | সাধু বুজি পঢ়িব আৰু ঘটনাৰ ক্ৰম অনুযায়ী সাধুৰ ছবিকাৰ্ডবোৰ সজাব পাৰিব |
| | **ECL1 3.7 :** | সাধু আৰু কবিতাত বাৰে বাৰে ব্যৱহাৰ হোৱা শব্দবোৰৰ ধ্বনি চিনাক্ত কৰিব পাৰিব |
| | **ECL1 3.8 (a) :** | সাধু, কবিতা আৰু গানৰ পুনৰাবৃত্তি হৈ থকা ধ্বনি, শব্দ আদি চিনাক্ত কৰিব পাৰিব |
| | **ECL1 3.8 (b) :** | ছবি, ছপা আখৰ, পূৰ্ব অভিজ্ঞতা আৰু তথ্য, ধ্বনি আৰু শব্দৰ সম্পৰ্ক স্থাপন কৰি কি লিখা আছে অনুমান কৰিব পাৰিব। |
| | **ECL1 3.9 :** | নিজে উদ্ভাৱন কৰা বানানেৰে নিজৰ নাম, বন্ধু-বান্ধৱীৰ নাম, আশে পাশে থকা বস্তুৰ নাম লিখিবলৈ আগ্ৰহী হ'ব |

| মূল অৰ্হতা | শিকন ফলাফল |
|---|---|
| **উদ্দেশ্যভিত্তিক লিখন**<br>● প্ৰাক্ সাক্ষৰতাৰ দক্ষতা<br>● লিখি মনৰ ভাব প্ৰকাশ কৰা<br>● বৰ্ণ আৰু ধ্বনিৰ জ্ঞান প্ৰয়োগ কৰি লিখিবলৈ বানান উদ্ভাৱন কৰা<br>● গতানুগতিকভাৱে লিখিবলৈ চেষ্টা কৰা<br>● ছবি, শব্দ আৰু অৰ্থপূৰ্ণ বাক্য পঠনৰ প্ৰতি সঁহাৰি জনোৱা<br>● ছন্দযুক্ত শব্দ লিখা<br>● নামবাচক আৰু ক্ৰিয়াবাচক শব্দ ব্যৱহাৰ কৰি অৰ্থপূৰ্ণ বাক্য লিখা<br>● নিজৰ ভাব প্ৰকাশ কৰিবলৈ বাৰ্তা লিখা<br>● মিশ্ৰিত ভাষাৰ চিহ্ন ব্যৱহাৰ কৰি লিখা<br>● ঘৰৰ আৰু শ্ৰেণীকোঠাৰ বিভিন্ন উদ্দেশ্যে লিখা, যেনে- তালিকা প্ৰস্তুত কৰা, ককাদেউতাকলৈ শুভেচ্ছা বাণী লিখা, বন্ধু-বান্ধৱীলৈ বাৰ্তা বা নিমন্ত্ৰণী পত্ৰ লিখা | দ্বিতীয় ভাষা |
| | **ECL2-3.1 :** দ্বিভাষাত নিজৰ পৰিচয় দিব পাৰিব। |
| | **ECL2-3.2 :** অংগ-ভংগীৰে কবিতা আৰু গান গাব পাৰিব |
| | **ECL2-3.3 :** পঠন ক্ষেত্ৰত ৰখা দ্বিভাষিক কিতাপ/কাৰ্যপত্ৰ আদিৰ পৃষ্ঠাবোৰ লুটিয়াই চাব পাৰিব |
| | **ECL2-3.4 :** পৰিচিত শব্দ আৰু প্ৰকাশ ভংগীৰে সঁহাৰি জনাবলৈ চেষ্টা কৰিব পাৰিব। |
| | **ECL2-3.5 :** বৰ্ণৰ সাদৃশ্য ধ্বনি চিনাক্ত কৰিব পাৰিব |
| | **ECL2-3.6 :** পৰিচিত চিহ্ন পঢ়িবলৈ চেষ্টা কৰিব পাৰিব। |
| | **ECL2-3.7 :** ছবিৰ সহায়ত কাহিনী অনুমান কৰিব পাৰিব। |
| | **ECL2-3.8 :** কাহিনীৰ অংশীদাৰী পঠনত ভাগ ল'ব পাৰিব |
| | **ECL2-3.9 :** নিজৰ প্ৰিয় খেলনাৰ বিষয়ে ক'ব পাৰিব |
| | **ECL2-3.10 :** অৰ্থহীন ছন্দযুক্ত শব্দ সৃষ্টি কৰি উপভোগ কৰিব পাৰিব। |
| | **ECL2-3.11 :** আঁক্ বাঁক্ কৰি পৰিচিত শব্দ কিছুমান লিখিবলৈ চেষ্টা কৰিব পাৰিব। |
| | **ECL2-3.12 :** নিকটৱৰ্তী পৰিৱেশৰ বস্তুবোৰ চিনাক্ত কৰিব পাৰিব |
| | **ECL2-3.13 :** বয়সোপযোগী কাৰ্টুন আৰু চলচিত্ৰ চাই উপভোগ কৰিব পাৰিব। |
| | **ECL2-3.14 :** চৰাই, প্ৰাণী আৰু গছ-গছনিৰ প্ৰতি সংবেদনশীল হ'ব |
| | **ECL2-3.15 :** ছবি আঁকি বাৰ্তা প্ৰেৰণ কৰিব পাৰিব। |

**Note :**

* ECL1– First language- It may be noted that the goals suggested for first language, can be implemented for the mother tongue/first language/regional language of the child. For instance, Tamil, Telugu, Khasi, Gondi language, etc. could be the first language of the child. The examples are drawn from child's literature and textbooks in Hindi language.

** ECL 2 : Exposure to Second Language- Any other Indian language/English could be the second language of the child, therefore, the goals suggested for the English, may be considered for the second language.

বিকাশ সম্বন্ধীয় লক্ষ্য- ৩ঃ শিশুসকলে তাৎক্ষণিক পৰিৱেশৰ লগত সম্পৰ্ক স্থাপন কৰি শিকনত জড়িত হ'ব।

**[Children become Involved Learners and Connect with their Immediate Environment] (IL)**

| মূল অৰ্হতা | শিকন ফলাফল |
| --- | --- |
| **ইন্দ্ৰিয়ৰ বিকাশ**<br>• দেখা (দৰ্শন)<br>• শুনা (শ্ৰৱণ)<br>• স্পৰ্শ কৰা (স্পৰ্শ)<br>• গোন্ধ লোৱা (ঘ্ৰাণ)<br>• সোৱাদ লোৱা (স্বাদ)<br><br>**বৌদ্ধিক দক্ষতা**<br>• পৰ্যবেক্ষণ<br>• চিনাক্তকৰণ<br>• স্মৃতি<br>• মিলোৱা<br>• শ্ৰেণীবিভাজন<br>• নমুনা/আৰ্হি/চানেকী<br>• ক্ৰম অনুসৰি চিন্তা কৰা<br>• সৃজনশীল চিন্তা<br>• মননশীল চিন্তন<br>• সমস্যা সমাধান<br>• যুক্তিযুক্ততা<br>• কৌতূহল<br>• পৰীক্ষা-নিৰীক্ষা<br>• উদ্ঘাটন | **IL 3.1 :** পঞ্চ ইন্দ্ৰিয়ৰ অনুভূতিৰে পৰিৱেশ পৰ্যবেক্ষণ আৰু উদ্ঘাটন কৰিব পাৰিব<br><br>**IL 3.2 :** নিকটৱৰ্তী পৰিৱেশত সাধাৰণ বস্তু, শব্দ, মানুহ, ছবি, প্ৰাণী, চৰাই-চিৰিকটি আদি সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰি পুংখানুপুংখভাৱে ক'ব পাৰিব<br><br>**IL 3.3 (a) :** একে সময়েত দেখা ৪ ৫ বিধ বস্তু মনত ৰখাৰ আৰু মনত পেলোৱা সামৰ্থ অৰ্জন কৰিব পাৰিব।<br><br>**IL 3.3 (b) :** পৰিচিত বস্তুৰ ছবি চাই, ছবিখনত নথকা (৩ ৫ টা) অংশ চিনাক্ত কৰিব পাৰিব।<br><br>**IL 3.4 :** ৫ বা ৬ সংখ্যালৈকে দুটা গোটত একক সংযোজনেৰে সজাব পাৰিব অৰ্থাৎ এপাহ ফুল ১, দুপাহ ফুল ২ ......<br><br>**IL 3.5 :** তিনিটা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি বস্তুবোৰৰ মাজত তুলনা আৰু শ্ৰেণীবিভাজন কৰিব পাৰিব। (যেনে- আকৃতি, ৰং, আকাৰ আদি)। স্থান বুজোৱা শব্দ শুদ্ধকৈ ব্যৱহাৰ কৰি (যেনে- কাষত, ভিতৰত, তলত) কোনো বস্তুৰ অৱস্থান বৰ্ণনা কৰিব পাৰিব।<br><br>**IL 3.6 :** ৪ ৫খন ছবিকাৰ্ড/বস্তু ক্ৰম অনুসৰি সজাব পাৰিব, যেনে- আকৃতি, আকাৰ আৰু কোনো এটা ঘটনা ঘটাৰ সময়ৰ ক্ৰম<br><br>**IL 3.7 :** কাহিনী বৰ্ণনা কৰোঁতে কোনটো ঘটনা কেতিয়া ঘটিছিল বুজি পাব, যেনে- কোনটো আগতে ঘটিছিল? কোন ৰাতি আহিছিল? ইত্যাদি। |

| মূল অৰ্হতা | শিকন ফলাফল |
| --- | --- |
| **পৰিৱেশ সম্পৰ্কে ধাৰণা**<br>• প্ৰাকৃতিক-প্ৰাণী, ফল, পাচলি ইত্যাদি<br>• ভৌতিক-পানী, বায়ু, ঋতু, সূৰ্য, চন্দ্ৰ, দিন আৰু ৰাতি<br>• সামাজিক- মই, পৰিয়াল, যান-বাহন, উৎসৱ, সমাজৰ সহায়কাৰী ব্যক্তিসকল<br><br>**ধাৰণা গঠন**<br>• ৰং<br>• আকৃতি<br>• দূৰত্ব<br>• জোখ-মাপ<br>• আকাৰ<br>• দৈৰ্ঘ্য<br>• ওজন<br>• উচ্চতা<br>• সময়<br>• স্থানিক জ্ঞান<br>• একক সংযোজন<br><br>**সংখ্যাৰ ধাৰণা**<br>• গণনা কৰি কিমান আছে কোৱা<br>• সংখ্যা চিনাক্তকৰণ<br>• ক্ৰমৰ ধাৰণা (সংখ্যা ক্ৰমানুসৰি ১০ লৈ গণনা কৰিব পৰা)<br>• তথ্য পৰিচালনা<br>• কেলেণ্ডাৰৰ ক্ৰিয়া-কলাপ | **IL 3.8 (a) :** যুক্তিযুক্ততাৰে সৰু সুৰা সমস্যা সমাধানৰ উপায় প্ৰদান কৰিব পাৰিব।<br>**IL 3.8 (b) :** পৰিৱেশৰ অনুসন্ধান কৰা, বিভিন্ন বস্তু হাতেৰে লাৰি চাৰি চোৱা, প্ৰশ্ন সোধা, তদন্ত কৰা, আৱিষ্কাৰ কৰা, নিজৰ ধাৰণা গঠন কৰা আৰু অনুমান কৰা আদি কাৰ্যত জড়িত হ'ব পাৰিব।<br>**IL 3.8 (c) :** পৰিৱেশ সম্পৰ্কে সজাগতা আৰু সংবেদনশীলতা প্ৰদৰ্শন কৰিব পাৰিব, যেনে- পানী অপচয় নকৰা, ব্যৱহাৰ নোহোৱা বিজুলীবাতি, পাংখা আদি বন্ধ কৰি থোৱা আদি কাৰ্য<br><br>**IL 3.9 :** ১০ টালৈ বস্তু গণনা কৰিব পাৰিব।<br><br>**IL 3.10 :** এটা নিৰ্দিষ্ট সংখ্যাৰ পৰা ৯ লৈকে সংখ্যাবোৰ একাদিক্ৰমে আগলৈ আৰু বিপৰীত ক্ৰমে গণনা কৰিব পাৰিব।<br><br>**IL 3.11 :** সংখ্যাচিহ্নৰ সৈতে সংখ্যা চিনাক্ত কৰিব পাৰিব আৰু ৯ লৈ সংখ্যা লিখিব পাৰিব।<br><br>**IL 3.12 :** বস্তুৰ সংখ্যা কমি গৈ নোহোৱা হয় (শূণ্য) এই বিষয়ে সজাগতা প্ৰদৰ্শন কৰিব পাৰিব, যেনে- তিনিটা চৰাই গছৰ ডালত বহি আছিল, এটা এটাকৈ উৰি গ'ল আৰু শেষত গছৰ ডালত এটাও চৰাই নাথাকে।<br><br>**IL 3.13 :** ১০ লৈকে দুটা সংখ্যাৰ মাজত তুলনা কৰিব পাৰিব আৰু বেছি, কম আদি তুলনামূলক শব্দৰ ব্যৱহাৰ কৰিব পাৰিব।<br><br>**IL 3.14 :** ৯ লৈকে দুটা গোটৰ বস্তু একত্ৰিত কৰিব পাৰিব আৰু পুনৰাই গণনা কৰিব পাৰিব।<br><br>**IL 3.15 :** গোটটিত থোৱা বস্তুবোৰৰ পৰা ৯ টা বস্তু উলিয়াই আনিব পাৰিব আৰু পুনৰাই গণনা কৰিব পাৰিব।<br><br>**IL 3.20 :** ভাৰতীয় মুদ্ৰা, টকা চিনাক্ত কৰিব পাৰিব। |

| মূল অৰ্হতা | শিকন ফলাফল |
|---|---|
| | **IL 3.21 :** দৈৰ্ঘ্যতাৰ ভিত্তিত তিনিটা বস্তুৰ মাজত তুলনা কৰিব পাৰিব, যেনে- আটাইতকৈ দীঘল/আটাইতকৈ চুটি বা সকলোতকৈ ওখ/সকলোতকৈ চাপৰ আদি। |
| | **IL 3.22 :** ওজনৰ ভিত্তিত দুটা বস্তুৰ মাজত তুলনা কৰিব পাৰিব, যেনে- এইটোতকৈ গধুৰ/এইটোতকৈ পাতল। |
| | **IL 3.23 :** দুটা পাত্ৰৰ ধাৰণ ক্ষমতা তুলনা কৰিব পাৰিব, যেনে- বটল, গিলাচ, বাল্টি আদিৰ যিকোনো দুটাৰ মাজত |
| | **IL 3.25 :** সমান ঠাইত থোৱা ত্ৰিমাত্ৰিক (3-D) আকৃতিবিলাকৰ চাৰিওফালে আঁকি দ্বিমাত্ৰিক (2-D) আকৃতি চিনাক্ত কৰিব পাৰিব। |
| | **IL 3.26 :** দৈনন্দিন প্ৰসংগত কিছুমান শব্দ যেনে, আধাফাল ৰুটি/আধা গিলাচ পানী আদি ব্যৱহাৰ কৰিব পাৰিব। |
| | **IL 3.27 :** পাতৰ চাপেৰে বা বুঢ়া আঙুলিৰ চাপেৰে নতুন নমুনা প্ৰস্তুত কৰিব পাৰিব। |
| | **IL 3.28 :** চৌপাশৰ পৰিস্থিতি চাই সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব, যেনে- মোৰ নীলা পেঞ্চিলতকৈ ৰঙা পেঞ্চিল বেছি আছে। |
| | **IL 3.29 :** সপ্তাহৰ দিনকেইটা আৰু বছৰৰ মাহকেইটা কʼব পাৰিব। |
| | **IL 3.30 :** দেখি থকা সাধাৰণ প্ৰযুক্তিগত আহিলাসমূহৰ ব্যৱহাৰ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব |

*(পৰিশিষ্ট-২)*

# প্ৰথম মাহ

**উদ্দেশ্য ঃ** বিদ্যালয়ৰ কাৰ্যসূচীসমূহৰ প্ৰতি শিশুক আগ্ৰহী কৰা আৰু বিদ্যালয়ৰ পৰিৱেশৰ লগত শিশুসকলক সমাযোজন কৰাত সহায় কৰাৰ লগতে শিকনতো সহায় কৰা

**উচ্চতা আৰু ওজনৰ জোখ-মাপ ঃ** .....................................................

**ওজন** .................. **উচ্চতা** .......................

**ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা** (পৰিষ্কাৰ বা উৎকৰ্ষসাধনৰ প্ৰয়োজনীয়তা)

কাপোৰ .................... নখ ..................... দাঁত ..................... চকু .....................

কাণ ..................... নাক ..................... চুলি .....................

| **সমাযোজন আৰু সময়সূচী বা নিয়ম মানি চলা** | কেতিয়াবাহে | মাজে-সময়ে | সদায় |
|---|---|---|---|
| বিদ্যালয়লৈ আনন্দমনেৰে আহে | ☐ | ☐ | ☐ |
| নিজৰ লগতে আনৰ বয়বস্তুৰ যত্ন লয় | ☐ | ☐ | ☐ |
| জ্যেষ্ঠজন, শিক্ষক-শিক্ষয়িত্ৰী বা আন শিশুৰ লগত ভাল সম্পৰ্ক বজাই ৰাখে | ☐ | ☐ | ☐ |
| আন শিশুৰ লগত বয়বস্তু বা সা-সামগ্ৰী ভগ-বতৰা কৰি লয় | ☐ | ☐ | ☐ |
| নিজৰ পাল পৰালৈ অপেক্ষা কৰে | ☐ | ☐ | ☐ |
| দলীয় কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে | ☐ | ☐ | ☐ |
| ক্ৰিয়া-কলাপ কৰোঁতে আগভাগ লয় | ☐ | ☐ | ☐ |
| খেলৰ নীতি নিয়ম বা সময়সূচী মানি চলে | ☐ | ☐ | ☐ |
| সৰল নিৰ্দেশনাসমূহ মানি চলে | ☐ | ☐ | ☐ |
| **বহিঃ খেল-ধেমালিত অংশগ্ৰহণ** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| দেহৰ ভাৰসাম্য ৰক্ষা কৰে (বক্ৰ বা একা-বেকা ৰেখাত আগলৈ বা পিছলৈ খোজ কাঢ়োঁতে) | ☐ | ☐ | ☐ |
| লাহে লাহে বা খৰকৈ দৌৰিব পাৰে | ☐ | ☐ | ☐ |
| দুয়োহাতেৰে বল দলিয়াব আৰু খপিয়াই ধৰিব পাৰে | ☐ | ☐ | ☐ |

| **সূক্ষ্মপেশী, সৃজনশীল আৰু সৌন্দৰ্যবোধৰ বিকাশৰ বাবে কলাত্মক ক্ৰিয়া-কলাপত অংশগ্ৰহণ** | **সহায়ৰ প্ৰয়োজন** | **কষ্ট সাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
|---|---|---|---|
| ৰং আৰু ক্ৰম অনুসৰি ৰছীৰে মালা গাঁঠিব পাৰে | ☐ | ☐ | ☐ |
| সহজে মুক্ত অংকন কৰিব পাৰে | ☐ | ☐ | ☐ |
| কাগজ ফালিব আৰু আঠা লগাব পাৰে | ☐ | ☐ | ☐ |
| মাটি বা আটাৰ লডা তৈয়াৰ কৰিব পাৰে | ☐ | ☐ | ☐ |
| **সাংখ্যিক দক্ষতা আৰু পৰিৱেশ সম্পৰ্কীয় সজাগতা প্ৰদৰ্শন** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| পৰিৱেশত পোৱা বস্তুসমূহৰ বিষয়ে জানিবলৈ আৰু উদ্ঘাটন কৰিবলৈ উৎসাহ দেখুৱায় | ☐ | ☐ | ☐ |
| ইন্দ্ৰিয় অনুভূতি (যেনে- স্পৰ্শ, গোন্ধ, সোৱাদ, দৰ্শন আৰু শ্ৰৱণ)ৰ সহায়ত বস্তু চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| যিকোনো এটা বৈশিষ্ট্য নিৰীক্ষণ কৰি (attribute) বস্তুবোৰ মিলাব পাৰে (যেনে-আকৃতি/ৰং/আকাৰ) | ☐ | ☐ | ☐ |
| দুখন ছবি তুলনা কৰি পাৰ্থক্য বিচাৰিব পাৰে | ☐ | ☐ | ☐ |
| প্ৰাথমিক ৰঙৰ নাম কʼব, চিনাক্ত কৰিব, মিলাব আৰু পৃথক কৰিব পাৰে | ☐ | ☐ | ☐ |
| বস্তুৰ অংশ আৰু সেই বস্তুটোৰ সম্পূৰ্ণতাৰ মাজৰ সম্বন্ধ বুজি পোৱাটো স্পষ্টভাৱে দেখুৱাব পাৰে | ☐ | ☐ | ☐ |
| **মৌখিক উক্তি প্ৰকাশ** | কেতিয়াবাহে | মাজে-সময়ে | সদায় |
| জ্যেষ্ঠজন আৰু আন শিশুৰ লগত মুক্তভাৱে কথা পাতিব পাৰে | ☐ | ☐ | ☐ |
| মৌখিক আৰু অনামৌখিকভাৱে নিজৰ অনুভূতি আৰু প্ৰয়োজন প্ৰকাশ কৰাৰ বাবে আগ্ৰহী | | | |
| সম্পূৰ্ণ বাক্য স্পষ্টকৈ কয় | ☐ | ☐ | ☐ |
| **উত্থিত (Emergent) পঠন দক্ষতাৰ প্ৰদৰ্শন** | কেতিয়াবাহে | মাজে-সময়ে | সদায় |
| ছবি, কিতাপ আৰু আন ছপা সামগ্ৰীৰ লগত সময় কটায় আৰু নতুন নতুন কথা উদ্ঘাটন কৰে | ☐ | ☐ | ☐ |
| সাধু আৰু পদ্যবোৰ মনোযোগেৰে শুনে | ☐ | ☐ | ☐ |

| | | | |
|---|---|---|---|
| ছবিত থকা বস্তুবোৰৰ নাম ক'ব পাৰে | ☐ | ☐ | ☐ |
| এটা বাক্যত থকা শব্দবোৰ চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| ছন্দযুক্ত শব্দ চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| **উথিত লিখন দক্ষতাৰ প্ৰদৰ্শন** | কেতিয়াবাহে | মাজে-সময়ে | সদায় |
| পেঞ্চিল সঠিকভাৱে ধৰিব পাৰে | ☐ | ☐ | ☐ |
| বালিত, বায়ুমণ্ডলত আঙুলি বুলাই লিখিব পাৰে | ☐ | ☐ | ☐ |
| কোনো ঘটনা, পৰিস্থিতি আৰু মনৰ ভাব আঁক-বাঁক বা ছবিৰ সহায়ত বুজাব পাৰে | ☐ | ☐ | ☐ |

কথন বিসংগতি (যদিহে আছে) হয় ☐ নহয় ☐

শিশুৰ বিশেষ আগ্ৰহ আৰু মেধাশক্তি

উপস্থিতি ঃ ..............................................................................................................

নিয়মানুবৰ্তী ঃ হয়/নহয়

সাধাৰণ মন্তব্য ঃ ..............................................................................................

প্ৰধান শিক্ষকৰ স্বাক্ষৰ

শিক্ষক-শিক্ষয়িত্ৰীৰ স্বাক্ষৰ

তাৰিখ ঃ ..............................

অভিভাৱকৰ স্বাক্ষৰ

## দ্বিতীয় মাহ

**উদ্দেশ্য ঃ** শিশুসকলৰ বুনিয়াদী শিকন দক্ষতাৰ বিকাশ সাধন কৰা।

**উচ্চতা আৰু ওজনৰ জোখ-মাপ ঃ** ..............................................................................

**ওজন** .................. **উচ্চতা** .....................

**ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা** (পৰিষ্কাৰ বা মনোযোগ দিবলগীয়া)

কাপোৰ .................... নখ ..................... দাঁত ..................... চকু .....................

কাণ ..................... নাক ..................... চুলি .....................

| সমাযোজন আৰু সময়সূচী বা নিয়ম মানি চলা | প্ৰায়ে | কেতিয়াবা | সদায় |
|---|---|---|---|
| দলীয় ক্ৰিয়া-কলাপত সক্ৰিয় অংশগ্ৰহণ কৰে | ☐ | ☐ | ☐ |
| ক্ৰিয়া-কলাপ কৰাৰ সময়ত আগভাগ লয় | ☐ | ☐ | ☐ |
| পৰিৱেশ সাপেক্ষে সঠিকভাৱে মনৰ ভাব প্ৰকাশ কৰে | ☐ | ☐ | ☐ |
| কাহিনী বা ছবিত থকা অনুভূতিৰ লগতে আনৰ অনুভূতি বুজি পায় | ☐ | ☐ | ☐ |
| আনৰ লগত সামাজিক সম্বন্ধ সযতনে বজাই ৰাখে | ☐ | ☐ | ☐ |
| খেলৰ নিয়ম মানি চলে | ☐ | ☐ | ☐ |
| শ্ৰেণীকক্ষৰ নীতি নিয়ম আৰু সময়সূচী মানি চলে | ☐ | ☐ | ☐ |
| বিভিন্ন নীতি-নিৰ্দেশনা মানি চলে | ☐ | ☐ | ☐ |
| স্বতন্ত্ৰভাৱে শ্ৰেণীকক্ষৰ দায়িত্ব গ্ৰহণ কৰি ক্ৰিয়া-কলাপসমূহ আগুৱাই নিয়ে | ☐ | ☐ | ☐ |
| কোনো এটা কাৰ্য সম্পাদন কৰোঁতে মনোযোগৰ সময়সীমা আৰু একাগ্ৰতাপূৰ্ণ চেষ্টা ক্ৰমান্বয়ে বৃদ্ধি পোৱাটো পৰিলক্ষিত হয় | ☐ | ☐ | ☐ |

| বহিঃ খেল-ধেমালিত অংশগ্ৰহণ | সহায়ৰ প্ৰয়োজন | কষ্টমাধ্যমেৰে সম্পন্ন কৰিব পৰা | কৰিব পাৰে |
|---|---|---|---|
| এক নিৰ্দিষ্ট দিশত বল দলিয়াব পাৰে | ☐ | ☐ | ☐ |
| চমু দূৰত্বৰ পৰা দলিওৱা বল খাপ মাৰি ধৰিব পাৰে | ☐ | ☐ | ☐ |
| বালি আৰু পানীৰ ক্ৰিয়া-কলাপত নিজে অংশগ্ৰহণ কৰে | ☐ | ☐ | ☐ |
| এটা নিৰ্দিষ্ট লক্ষ্যত বল লঠিয়াই মাৰিব পাৰে | ☐ | ☐ | ☐ |
| যোগাসন আৰু নৃত্যৰ দ্ৰুততা আৰু পৰিসৰ বৃদ্ধি কৰিব পাৰে আগলৈ আৰু পিছলৈ জঁপিয়াব পাৰে | ☐ | ☐ | ☐ |
| **সৃজনীমূলক/সৌন্দৰ্যবোধ আৰু সূক্ষ্মপেশীৰ বিকাশৰ বাবে কলাত্মক ক্ৰিয়া-কলাপত অংশগ্ৰহণ** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| সহজ অৰিগেমী (origami) অৰ্থাৎ কাগজ ভাঁজ কৰি নমুনা সাজিব পাৰে | ☐ | ☐ | ☐ |
| হাতেৰে মোহাৰা আৰু আঠা লগোৱা কাৰ্য কৰিব পাৰে | ☐ | ☐ | ☐ |
| সূক্ষ্ম আৰু বিতংভাৱে আঁকিব পাৰে | ☐ | ☐ | ☐ |
| কম পৰিসৰৰ ভিতৰত ৰং কৰিব পাৰে | ☐ | ☐ | ☐ |
| ডাঠ তুলিকাৰে ৰং কৰিব পাৰে | ☐ | ☐ | ☐ |
| বিভিন্ন বস্তুৰ সহায়ত ছাপ মাৰিব পাৰে | ☐ | ☐ | ☐ |
| মাটি বা আটাৰ দ্বাৰা কোনো বস্তুৰ মূল আকৃতি সাজিব পাৰে | ☐ | ☐ | ☐ |
| **সাংখ্যিক দক্ষতা আৰু পৰিৱেশ সজাগতা প্ৰদৰ্শন** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| আনৰ তত্ত্বাৱধানত সহজ-সৰল প্ৰাকৃতিক পৰিঘটনা পৰ্যৱেক্ষণ/উদঘাটন কৰে | ☐ | ☐ | ☐ |
| যিকোনো বস্তুৰ বৈশিষ্ট্য (আকৃতি/ৰঙ/আকাৰ) অনুসৰি বাছি উলিয়াব পাৰে | ☐ | ☐ | ☐ |
| বস্তুবোৰ ক্ৰম অনুসৰি সজাব পাৰে (আকাৰ-দৈৰ্ঘ্য/উচ্চতাক ভিত্তি কৰি) | ☐ | ☐ | ☐ |
| নমুনা চিনাক্ত আৰু সম্পূৰ্ণ কৰিব পাৰে (AA, BB, AA, BB/AB, AB, AB, AB) | ☐ | ☐ | ☐ |
| আকৃতিৰ (বৃত্ত, চতুৰ্ভুজ, ত্ৰিভুজ, আয়ত) নাম মনত পেলাই ক'ব পাৰে | ☐ | ☐ | ☐ |

| | | | |
|---|---|---|---|
| ২ ৰ পৰা ৪ লৈ বাধা থকা জটিল সজ্জা (Mazes) সমাধান কৰে | ☐ | ☐ | ☐ |
| ভুল বিচাৰিব পাৰে বা যদি এটা অংশ লুকুৱাই থোৱা হয়, সেয়া চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| বস্তুবোৰ আকাৰ অনুসৰি সজাব পাৰে (দৈৰ্ঘ্য আৰু উচ্চতা) | ☐ | ☐ | ☐ |
| স্বতন্ত্ৰভাৱে অনিৰ্ধাৰিত এককেৰে জোখ-মাপৰ ক্ৰিয়া-কলাপ কৰিব পাৰে | ☐ | ☐ | ☐ |
| বিভিন্ন তুলনামূলক শব্দ ক'ব পাৰে যেনে- এইটোত কৈ চুটি/ওখ/ডাঙৰ/সৰু/গধুৰ/পাতল | ☐ | ☐ | ☐ |
| **মৌখিক উক্তি প্ৰকাশ** | **কেতিয়াবাহে** | **মাজে-সময়ে** | **সদায়** |
| সৰু পাঠ এটা শুনি বুজি পায় প্ৰকাশ কৰিব পাৰে | ☐ | ☐ | ☐ |
| যিকোনো ঘটনা বা দৃশ্য চমু বাক্যত পুনৰ ক'ব পাৰে আৰু বৰ্ণনা কৰিব পাৰে | ☐ | ☐ | ☐ |
| লগলাগি থকা আৰু পৃথক শব্দাংশ চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| সৃজনশীলভাৱে প্ৰকাশ/উত্তৰ দিব পাৰে | ☐ | ☐ | ☐ |
| **উত্থিত পঠন দক্ষতা প্ৰদৰ্শন** | **কেতিয়াবাহে** | **মাজে-সময়ে** | **সদায়** |
| ধ্বনি আৰু চিহ্নৰ সম্বন্ধ বুজিব পাৰে | ☐ | ☐ | ☐ |
| শব্দ পঢ়িবলৈ চেষ্টা কৰে | ☐ | ☐ | ☐ |
| চলি অহা মুদ্ৰণৰ নিয়মাৱলী যেনে- বাওঁফালৰ পৰা সোঁফাললৈ লিখা, ওপৰৰ পৰা তললৈ পঢ়া চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| **উত্থিত লিখন দক্ষতা প্ৰদৰ্শন** | **কেতিয়াবাহে** | **মাজে-সময়ে** | **সদায়** |
| লিখন আৰু ৰং কৰা সামগ্ৰী ভালদৰে ধৰিব পাৰে | ☐ | ☐ | ☐ |
| লিখন সামগ্ৰী সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰে | ☐ | ☐ | ☐ |
| আনে অঁকা ছবি সহজ-সৰল শব্দ ব্যৱহাৰ কৰি বৰ্ণনা কৰিব পাৰে | ☐ | ☐ | ☐ |

কথন বিসংগতি (যদি আছে)　　　　হয়　　　　নহয়

শিশুৰ বিশেষ আগ্ৰহ আৰু মেধাশক্তি

উপস্থিতি ঃ　নিয়মীয়া ঃ হয়/নহয়　　　　সময়ানুৱৰ্তী ঃ হয়/নহয়

সাধাৰণ মন্তব্য ঃ ..................................................................................................

প্ৰধান শিক্ষকৰ স্বাক্ষৰ

শিক্ষক-শিক্ষয়িত্ৰীৰ স্বাক্ষৰ

তাৰিখ ঃ ..............................

অভিভাৱকৰ স্বাক্ষৰ

# তৃতীয় মাহ

**উদ্দেশ্য ঃ** প্ৰাথমিক বুনিয়াদী শিকন দক্ষতাৰ বিকাশ

**উচ্চতা আৰু ওজনৰ জোখ-মাপ ঃ** ......................................................................

**ওজন** .................. **উচ্চতা** .....................

**ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা**

কাপোৰ .................... নখ ..................... দাঁত ..................... চকু .....................

কাণ ..................... নাক ..................... চুলি .....................

| **সমাযোজন আৰু সময়সূচী বা নিয়ম মানি চলা** | **প্ৰায়ে** | **কেতিয়াবা** | **সদায়** |
|---|---|---|---|
| ভাল আৰু বেয়াৰ স্পৰ্শ বুজি পাই সজাগতা প্ৰদৰ্শন কৰিব পাৰে | ☐ | ☐ | ☐ |
| আনৰ লগত সামাজিক সম্পৰ্ক গঢ়ি তুলিবলৈ চেষ্টা কৰে | ☐ | ☐ | ☐ |
| ক্ৰিয়া-কলাপত যোগদান কৰে | ☐ | ☐ | ☐ |
| সমস্যা সমাধান কৰাৰ বাবে পৰামৰ্শ দিয়ে আৰু সমাযোজন কৰিব পাৰে | ☐ | ☐ | ☐ |
| কোনটো ভাল কোনটো বেয়া চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| সংঘাত নিৰ্মূল কৰাৰ উপায়ৰ বাবে আলোচনা কৰে | ☐ | ☐ | ☐ |
| বিদ্যালয়ত জ্যেষ্ঠ ব্যক্তি, শিক্ষক আৰু আন শিশুক সহায় কৰে | ☐ | ☐ | ☐ |
| আনৰ অনুভৱ আৰু প্ৰয়োজনৰ প্ৰতি সংবেদনশীল, বিশেষকৈ বিশেষভাৱেসক্ষম শিশুৰ প্ৰতি | ☐ | ☐ | ☐ |
| নিজৰ সামগ্ৰী বিনিময় কৰি ভাতৃত্ব আৰু দলীয় উদ্যম প্ৰদৰ্শন কৰে | ☐ | ☐ | ☐ |
| বিভিন্ন ধৰণে দিয়া নিৰ্দেশনা মানি চলে | ☐ | ☐ | ☐ |

| **বহিঃ খেল-ধেমালিত অংশগ্ৰহণ** | **সহায়ৰ প্ৰয়োজন** | **কষ্টমাধ্যমেৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
|---|---|---|---|
| বল এটা লক্ষ্যলৈ দলিয়াব পাৰে | ☐ | ☐ | ☐ |
| এটা ঠাইতে জঁপিয়াই/জঁপিয়াই জঁপিয়াই যোৱা দৌৰত দৌৰত অংশগ্ৰহণ কৰে | ☐ | ☐ | ☐ |
| আত্মবিশ্বাসেৰে চিৰি আৰু ৰচী বগাব পাৰে | ☐ | ☐ | ☐ |
| খেল, নৃত্য আৰু যোগাসনৰ ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰে | ☐ | ☐ | ☐ |
| **সৃজনীমূলক/সৌন্দৰ্যবোধ আৰু সূক্ষ্মপেশীৰ বিকাশৰ বাবে কলাত্মক ক্ৰিয়া-কলাপত অংশগ্ৰহণ** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| কেচীৰে ছবি কাটি ছবিবোৰ আঠা লগাব পাৰে | ☐ | ☐ | ☐ |
| আঙুলিৰ চাপ মাৰি ছবি আঁকে | ☐ | ☐ | ☐ |
| বিন্দু সংযোগ কৰি ছবি আঁকিব আৰু ছবিখন ৰং কৰিব পাৰে | ☐ | ☐ | ☐ |
| কলাজ প্ৰস্তুত কৰিব পাৰে | ☐ | ☐ | ☐ |
| ফিতা/সূতা/জৰী ব্যৱহাৰ কৰি বিভিন্ন ধৰণৰ চানেকি সাজিব পাৰে | ☐ | ☐ | ☐ |
| **সাংখ্যিক দক্ষতা আৰু পৰিৱেশ সজাগতাৰ প্ৰদৰ্শন** | **সহায়ৰ প্ৰয়োজন** | **কষ্টসাধ্যতাৰে সম্পন্ন কৰিব পৰা** | **কৰিব পাৰে** |
| সহজ-সৰল প্ৰাকৃতিক পৰিঘটনা পৰ্যবেক্ষণ, উদ্ঘাটন আৰু ব্যাখ্যা কৰিব পাৰে | ☐ | ☐ | ☐ |
| সুধিলে ১ৰ ১০ সংখ্যালৈ ক্ৰম অনুসৰি ক'ব পাৰে | ☐ | ☐ | ☐ |
| ১ৰ পৰা ১০ সংখ্যালৈ সংখ্যাবোৰ যে বেছি হৈ গৈ থাকে বুজি পোৱাটো প্ৰদৰ্শন কৰে | ☐ | ☐ | ☐ |
| কোনো এটা নিৰ্দিষ্ট সংখ্যাৰ পৰা ১০ সংখ্যালৈ একাদিক্ৰমে গণিব পাৰে | ☐ | ☐ | ☐ |
| গোটত থকা বস্তুৰ পৰিমাণ কম নাইবা বেছি নিৰ্ধাৰণ কৰিব পাৰে | ☐ | ☐ | ☐ |
| বুটাম, দাইল আদি ব্যৱহাৰ কৰি সংখ্যাৰ আকৃতি সজাব পাৰে | ☐ | ☐ | ☐ |
| ১ৰ পৰা ১০ সংখ্যালৈ লিখিব পাৰে | ☐ | ☐ | ☐ |
| চানেকি সাজিব আৰু বৰ্ধিত কৰিব পাৰে | ☐ | ☐ | ☐ |
| কঠিন পাজল বা মেৰপেচ থকা বাটৰ সমস্যা সমাধান কৰিব পাৰে | ☐ | ☐ | ☐ |

| মৌখিক প্ৰকাশৰ প্ৰদৰ্শন শুনাৰ পাছত বুজি উত্তৰ দিয়া | প্ৰায়ে | কেতিয়াবা | সদায় |
|---|---|---|---|
| শুনাৰ পাছত বুজি উত্তৰ দিয়া | ☐ | ☐ | ☐ |
| ভাষাকৈ বিতংভাৱে সম্পূৰ্ণ বাক্যত ব্যাখ্যা আৰু পুনৰাই ক'ব পাৰে | ☐ | ☐ | ☐ |
| অৰ্থপূৰ্ণ আলোচনাত জড়িত হ'ব পাৰে | ☐ | ☐ | ☐ |
| শব্দৰ আগৰ (আদ্য) ধ্বনি, মাজৰ ধ্বনি আৰু শেষৰ (অন্ত) ধ্বনি চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| শব্দাংশ লগ লগাই বা আঁতৰাই নতুন শব্দ সাজিব পাৰে | ☐ | ☐ | ☐ |
| সৃজনশীলভাৱে প্ৰশ্ন সুধিব আৰু প্ৰকাশ ভংগীৰে উত্তৰ দিব পাৰে | ☐ | ☐ | ☐ |
| **উত্থিত পঠন দক্ষতাৰ প্ৰদৰ্শন** | **প্ৰায়ে** | **কেতিয়াবা** | **সদায়** |
| ছপা আখৰৰ যতি বিৰাম চিহ্ন, যেনে- দাৰি আৰু কমা চিনাক্ত কৰিব পাৰে | ☐ | ☐ | ☐ |
| সৰল পাঠৰ সম্পূৰ্ণ বাক্য স্বতন্ত্ৰভাৱে পঢ়িব পাৰে | ☐ | ☐ | ☐ |
| জনা সাধু এটাৰ আগৰ, মাজৰ আৰু শেষৰ ঘটনা/অংশ ক্ৰম অনুসৰি পুনৰাই ক'ব পাৰে | ☐ | ☐ | ☐ |
| কিতাপ বা পঠন ক্ষেত্ৰৰ পৰা কিতাপ বাছি ল'ব পাৰে | ☐ | ☐ | ☐ |
| ছবি আৰু অৰ্থপূৰ্ণ শব্দ বুজি পায় | ☐ | ☐ | ☐ |
| **উত্থিত লিখন দক্ষতাৰ প্ৰদৰ্শন** | **প্ৰায়ে** | **কেতিয়াবা** | **সদায়** |
| নিজৰ ধাৰণা/মতামত শব্দ নাইবা ছবিৰ দ্বাৰা প্ৰকাশ কৰিবলৈ চেষ্টা কৰে | ☐ | ☐ | ☐ |
| বৰ্ণ আৰু সংখ্যা লিখিবলৈ চেষ্টা কৰে | ☐ | ☐ | ☐ |
| সহজে আঁজুলি ব্যৱহাৰ কৰি ছবি আঁকি অৰ্থ প্ৰেৰণ কৰে | ☐ | ☐ | ☐ |

কথন বিসংগতি (যদি আছে) হয় নহয়

শিশুৰ বিশেষ আগ্ৰহ আৰু মেধাশক্তি

উপস্থিতি ঃ নিয়মীয়া ঃ হয়/নহয় সময়ানুৱৰ্তী ঃ হয়/নহয়

সাধাৰণ মন্তব্য ঃ ..........................................................................................................

প্ৰধান শিক্ষকৰ স্বাক্ষৰ শিক্ষক-শিক্ষয়িত্ৰীৰ স্বাক্ষৰ

অভিভাৱকৰ স্বাক্ষৰ তাৰিখ ঃ ...............................

## বিকাশ সম্বন্ধীয় বিভিন্ন লক্ষ্যৰ অন্তৰ্গত পৰিভাষিক শব্দাৱলী

*(পৰিশিষ্ট-৩)*

| ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰা পৰিভাষিক শব্দ | বিতং ভাৱে দিয়া হৈছে |
| --- | --- |
| ধ্বনি একেলগ কৰা (Blending) | ধ্বনি একেলগ কৰা হ'ল ধ্বনি সংযোগ কৰি নতুন শব্দ সৃষ্টি কৰা য'ত আদ্যধ্বনি আৰু অন্তধ্বনি দুয়োটা একেলগ কৰা হয়। উদাহৰণস্বৰূপে ইংৰাজীত bl/ আৰু ack/black, অসমীয়াত গ/অ আৰু গন/গগন। |
| বুজি পোৱা (Comprehension) | কি পঢ়িছে বুজি পোৱা সামৰ্থ্য। |
| প্ৰচলিত ছপা আখৰ (Conventions of Print) | প্ৰচলিত ছপা আখৰ সাধাৰণতে ব্যৱহৃত হয় স্বীকৃতিপ্ৰাপ্ত নহিবা কোনো ছপাৰ অনুশীলন, যেনে- ছপা শব্দৰ অৰ্থ থকাটো বুজি পোৱা নাইবা কেনেকৈ এটা বাক্য শব্দৰে গঠিত হয় আৰু শব্দ বৰ্ণৰে গঠিত হয় বুজি পোৱা। |
| প্ৰচলিত বক্তৃতা (Conventions of Speech) (শিশুৱে কোনো বিষয়বস্তু সম্পৰ্কে আনৰ আগত কোৱা) | এই প্ৰচলিত বক্তৃতা, সাধাৰণতে কোনো এটা নিৰ্দিষ্ট ভাষা ব্যৱহাৰ আৰু অনুশীলনৰ বাবে সাধাৰণতে স্বীকৃতিপ্ৰাপ্ত, যেনে- দৃষ্টি সংযোগ কৰি বক্তৃতা দিয়া আৰু কিছুমান শব্দৰ সঠিক ব্যৱহাৰ কৰা। |
| প্ৰচলিত লিখন (Conventional of Writing) | দিক্ নিৰ্দেশনামূলকভাৱে লিখা (প্ৰথম পৃষ্ঠাৰ পৰা পাছৰ পৃষ্ঠালৈ, ওপৰৰ পৰা তললৈ ইত্যাদি) বৰ্ণৰ ব্যৱহাৰ/অৰ্থ বুজাবলৈ আখৰ আদি উত্থিত লিখনে প্ৰচলিতভাৱে লিখিবলৈ কিছু প্ৰচেষ্টা কৰে |
| সৃজনশীল/সৃষ্টিশীলভাৱে নিজক প্ৰকাশ কৰা (Creative Self Expression) | এইটো হ'ল ছবি আঁকি, অভিনয় কৰি নাইবা নিজৰ ভাৱ অনুভূতিৰ বিষয়ে সমনীয়া আৰু আশে পাশে থকা জ্যেষ্ঠ ব্যক্তিক কোৱাৰ সমৰ্থতা। |
| প্ৰদৰ্শন কৰা (Demonstrate) | এইটো এটা শিক্ষণ কৌশল য'ত কেনেকৈ এটা কাৰ্য সম্পাদন/সম্পূৰ্ণ কৰা হয়। শিশুসকলক কাৰ্যটো কৰি দেখুওৱা হয় |
| দিক্ নিৰ্দেশনা (Directionality) | দিক্ নিৰ্দেশনা হ'ল, ভাষাৰ লিখন যে এটা নিৰ্দিষ্ট দিশত গতি কৰে বুজি পোৱা। উদাহৰণস্বৰূপে, ইংৰাজী আৰু অসমীয়া ভাষা লিখনত বাওঁফালৰ পৰা সোঁফাললৈ আৰু ওপৰৰ পৰা তললৈ গতি কৰে। এই দিক্ নিৰ্দেশনা কিছুমান ভাষাৰ লিখনৰ বাবে বেলেগো হ'ব পাৰে, যেনেদৰে উৰ্দ্দু ভাষাৰ লিখনৰ ক্ষেত্ৰত দেখা যায় |
| উত্থিত সাক্ষৰতা (Emergent Literacy) | উত্থিত সাক্ষৰতা এই পৰিভাষিক শব্দটোৱে সৰু ল'ৰা-ছোৱালীয়ে প্ৰচলিত ৰূপত পঢ়িব আৰু লিখিব শিকাৰ আগতে পঠন আৰু লিখনৰ অভিজ্ঞতাপ্ৰাপ্তি হোৱাটো বুজায় |
| উত্থিত পঠন Emergent Reading) | উত্থিত পঠন মানে, শিশুটিৰ কিতাপৰ প্ৰতি আগ্ৰহ জন্মে যদিও তেতিয়ালৈকে তেওঁ স্বতন্ত্ৰভাৱে কিতাপ পঢ়িবলৈ সমৰ্থ নহয় নাইবা কিছুমান শব্দ পঢ়িব পাৰে যদিও ছপা শব্দবোৰৰ অৰ্থ উলিয়াবলৈ তেওঁক অবিৰত সহায়ৰ প্ৰয়োজন হয়। এজন উত্থিত পাঠকে (পঢ়োতাজনে) কিতাপ আৰু বিভিন্ন ধৰণৰ পাঠৰ ছবি পঠন বা পৃষ্ঠা লুটিওৱা আদিত জড়িত হয়। এনে পঠন কৰাৰ দক্ষতা শিশুটিক পৰৱৰ্তী কালত উন্নত পঠন দক্ষতা আহৰণত সহায় কৰে। |
| উত্থিত লিখন (Emergent Writing) | শিশুৰ উত্থিত লিখন মানে, শিশুৱে বিভিন্ন উদ্দেশ্য আগত ৰাখি আঁকি-বাঁকি কৰি আৰু ছবি সংমিশ্ৰণ কৰি আঁকে, বৰ্ণনা কৰে। এনে লিখা কাৰ্যই এজনৰ অভিজ্ঞতা আৰু ধাৰণা প্ৰকাশ কৰিবলৈ লিখন যে ব্যৱহাৰ কৰা হয় সেইটো বুজি পোৱাতো প্ৰদৰ্শিত কৰে |

| ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰা পৰিভাষিক শব্দ | বিতং ভাবে দিয়া হৈছে |
|---|---|
| বাস্তৱ তথ্যভিত্তিক ঘটনা সম্পৰ্কীয় বিৱৰণ (Factual Details) | এইটো বুজি পোৱাৰ কৌশল যিয়ে সাক্ষৰতা সজাগতাত সহায় কৰে। পঢ়োতা জনক কাহিনী/সাধুত থকা গুৰুত্বপূৰ্ণ বিতং বিৱৰণ চিনাক্ত কৰাত সহায় কৰে (যেনে- চৰিত্ৰ, কাহিনীৰ স্থান, কাহিনীৰ বিষয়বস্তু আদি) আৰু এইবোৰ সম্পৰ্কে কোনো প্ৰশ্ন থাকিলে উত্তৰ দিয়ে।) |
| তথ্যভিত্তিক সিদ্ধান্ত (Inferencing) | এইটো বুজি পোৱাৰ কৌশল যিয়ে সাক্ষৰতা সজাগতাত সহায় কৰে। এই কৌশলটোৱে পাঠকক (পঢ়োতা জনক) পাঠত থকা তথ্যৰ মূল্যায়ন কৰি সিদ্ধান্ত কৰিবপৰা কৌশলৰ প্ৰয়োজন। |
| বানান উদ্ভাৱন কৰা (Invented Spelling) | সৰু ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ বৰ্ণ আৰু শব্দৰ জ্ঞানৰ অভিজ্ঞতাৰে অপ্ৰচলিতভাৱে শব্দৰ বানান উদ্ভাৱন কৰি লিখিবলৈ চেষ্টা কৰে। যেনে- ভাত লিখিবলৈ ভাল আৰু বগা লিখিবলৈ বমা আদি |
| ধ্বনি আৰু চিহ্ন (আখৰ) সংযোগ স্থাপন (Sound Symbol Association) | বৰ্ণৰ আকৃতি মনত পেলাই চিনাক্ত কৰে আৰু বৰ্ণটো উচ্চাৰণ কৰোঁতে হোৱা ধ্বনিৰ লগত সংযোগ স্থাপন কৰি ধ্বনি আৰু চিহ্ন (আখৰ) সংযোগ স্থাপন কৰিবলৈ সমৰ্থ হয়— যেনে- 'ক' বৰ্ণটো উচ্চাৰণ কৰিবলৈ 'ক' অ' |
| পাঠৰ লগত সংযোগ স্থাপন (Making Connections with the Text) | পাঠকে (পঢ়োতাজনে) দেখা সাধু কিতাপৰ পাঠৰ লগত নিজৰ জীৱনক বিভিন্ন ধৰণে সংযোগ কৰে (নিজৰ লগত সংযোগ কৰা পাঠ) আৰু আন সাধুবোৰৰ পাঠৰ লগত সাদৃশ্য বিচাৰে (এটা পাঠৰ লগত আন এটা পাঠৰ সংযোগ) লগতে পৃথিৱীখনৰ লগত পাঠৰ সাদৃশ্য বিচাৰে। |
| অৰ্থ উলিওৱা (Meaning Making) | অৰ্থ উলিওৱাটো হ'ল এটা প্ৰক্ৰিয়া যেনেকৈ পাঠকে (পঢ়োতাজনে) অৰ্থ ব্যাখ্যা কৰে, বুজে আৰু পঢ়ি থাকোঁতে/সাধু শুনি থাকোঁতে ঘটনাটো কেনেকৈ ঘটিছে তাৰ ধাৰণা গঠন কৰে |
| মিশ্ৰিত ভাষাৰ অংশ (Mixed Language Codes) | শিশুসকলে ভাষা সংমিশ্ৰণ কৰি কথোপকথন কৰে লগতে পৰিস্থিতি অনুযায়ী এটা ভাষাৰ পৰা আন ভাষা সলনি কৰি ব্যৱহাৰ কৰে— উদাহৰণস্বৰূপে ঘৰত বড়ো ভাষা কয় কিন্তু বিদ্যালয়ত অসমীয়া মিশ্ৰিত ভাষাৰ আখৰে শিশুসকলক প্ৰয়োজন আৰু সুবিধা মতে) কেইটাবাও ভাষা একেলগে কৰি ব্যৱহাৰ কৰিবলৈ বাধ্য কৰায় |
| আদৰ্শ লিখন (Modelled Writing) | আদৰ্শ লিখন ক্ৰিয়া-কলাপটোত শিশুৱে আঁক-বাঁক, ছবি আঁকি আৰু কি লিখিছে বৰ্ণনা কৰি লিখে শিক্ষকে লিপিকাৰ বা লেখক হিচাপে শিশুৱে আঁক্ বাঁক্ কৰি আৰু ছবি আঁকি কি বৰ্ণনা কৰিব খুজিছে সেইবোৰ তেওঁৰ কোৱা কথাখিনি বৰ্ডত লিখি যাব। |
| বৰ্ণনা (Narrating) | শিশুৱে পৰ্যবেক্ষণ কৰা কাহিনী বা সাধুৰ ঘটনাক্ৰম অনুসৰি মৌখিকভাৱে বৰ্ণনা কৰিবলৈ সামৰ্থ অৰ্জন কৰা |
| একক সংযোজন (One-to-One Correspondence) | একক সংযোজন হৈছে কোনো বস্তুৰ যোৰ পাতা আৰু সংখ্যাৰ নাম কৈ কৈ গণনা কৰা অৰ্থাৎ এটা সামগ্ৰী বা বস্তুৰ লগত ১, দুটা সামগ্ৰী বা বস্তুৰ লগত ২ যোৰ পতা। |
| ধ্বনি সজাগতা (Phonological Awareness) | মৌখিকভাৱে কোৱা শব্দবোৰৰ প্ৰতিটো ধ্বনি শুনি চিনাক্ত কৰি কব পৰা আৰু মৌখিকভাৱে কোৱা শব্দবোৰ যে স্বতন্ত্ৰ ধ্বনিৰ অংশ সেইটো বুজাত সমৰ্থ হয়। ধ্বনি, সজাগতাই শিশুসকলক বৰ্ণ আৰু বৰ্ণৰ গোটধ্বনিৰ লগত সংযোগ কৰি, বৰ্ণ আৰু ধ্বনিৰ সংযোগ স্থাপন কৰে লগতে বানানৰ আৰ্হি বুজাত সহায় কৰে। এইটোৱে কবিতা/পদ্য, শব্দ আৰু শব্দাংশৰ ব্যৱহাৰত অন্তৰ্ভুক্ত কৰে |
| অনুমান (Prediction) | এইটো বুজি পোৱাৰ কৌশল, যিটোৱে সাক্ষৰতাৰ সজাগতাত সহায় কৰে। পঢ়ি যাওঁতে ভাল পাঠকে (পঢ়োতাই) এটা সাধু বা কাহিনীৰ পাছলৈ কি হ'বলৈ গৈ আছে সেইটো অনুমান কৰিব পাৰে আৰু সাধু বা কাহিনী লিখোঁতেই সাধুটোৰ বিষয়ে আৰু বেছি নিজকে জানিবলৈ কি কি দিছে সেইটো বুজি পাই দৃষ্টি নিবদ্ধ কৰি পাৰে। |

| ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰা পৰিভাষিক শব্দ | বিতং ভাৱে দিয়া হৈছে |
|---|---|
| ছপা সজাগতা<br>(Print Awareness) | লিখিত আৰু কথিত ভাষাৰ মাজত সম্পৰ্ক আৰু কেনেকৈ ছপা আখৰবোৰ এটা পৃষ্ঠাত কেনেদৰে সজোৱা হয় এই বিষয়ে বুজি পোৱা। |
| সোঁৱৰাই দিয়া<br>(Prompts) | শিক্ষণ-শিকন সামগ্ৰী যেনে- কাহিনী বা সাধু নাইবা ছবি আদিৰ বিষয়ে সোঁৱৰাই দিয়া- কাৰ্য এইবাবেই কৰা হয় যাতে শিশুসকলে নিজে সাধু সাজি কব পাৰে আৰু আলোচনাত অংশগ্ৰহণ কৰোঁতে নিজৰ জ্ঞান আৰু মৌখিক ভাষাৰ প্ৰয়োগ কৰিব পাৰে। |
| সৰৱ পঠন<br>(Read Aloud) | এইটো এটা অনুশীলন য'ত শিক্ষকে এটা সৰু বা ডাঙৰ দলৰ আগত মৌখিকভাৱে এটা পাঠ ডাঙৰকৈ পঢ়ে আৰু পাঠটো পঢ়ি যাওঁতে ছবি আৰু আখৰবোৰ দেখুৱাই যায় ব্যাখ্যা কৰে, শিশুসকলৰ প্ৰধান ভূমিকা হ'ল— শিক্ষকে কোৱা কথাখিনি শুনা আৰু বৰ্ণনা কৰা ছবিবোৰ চোৱা। সৰৱ পঠনে এখন কিতাপৰ পাঠ এটা সাধাৰণভাৱে পঢ়ি যোৱাতকৈ আৰু অধিক সাঙুৰি লয়। শিশুসকলক জড়িত কৰিবলৈ আৰু পঢ়া কথাখিনি বুজি পাবলৈ ফলপ্ৰসুভাৱে পৰিকল্পনা কৰি ল'ব লাগে, যেনে- শিক্ষকে পঢ়ি যাওঁতে কেৰশিনিত অলপ সময় ৰ'ব লাগিব, নাইবা প্ৰশ্ন সুধিব, কোনবোৰ প্ৰশ্নৰ উত্তৰ তেওঁ পৰীক্ষণ কৰিব ইত্যাদি। |
| পুনৰ কোৱা<br>(Retelling) | শিশুসকলে সাধু বা কাহিনী শুনি বা বাস্তৱ জীৱনৰ ঘটনা এটা শুনি সমনীয়া আৰু আশে পাশে থকা জ্যেষ্ঠ ব্যক্তিৰ আগত সাধু/কাহিনী/ঘটনা ক্ৰম অনুসৰি আৰু সঠিককৈ বিতংভাৱে পুনৰাই কয়। |
| আঁক বাক কৰা<br>(Scribbling) | শিশুসকলে বাওঁফালৰ পৰা সোঁফাললৈ গতি কৰাকৈ অকাই পকাই আঁচ টানে, বিন্দু আঁকে, গোলকৈ আৰু টো খেলোৱা আঁচ টানে। তেওঁলোকৰ গতি ক্ৰমে স্থূলপেশীৰ পৰা সূক্ষ্মপেশীলৈ আৰু আঙুলিৰে ধৰিব পৰালৈ পৰিবৰ্তিত হয়। |
| ধ্বনি ভাগ ভাগ কৰা<br>(Segmenting) | ধ্বনি ভাগ ভাগ কৰাটো হ'ল এটা শব্দ ধ্বনিত ভাগ ভাগ কৰা। শিশুসকলে বাক্য এটাও শব্দলৈ ভাগ ভাগ কৰিব পাৰে, যেনে- মই মোৰ বিদ্যালয়খনক ভাল পাওঁ আৰু এটা শব্দৰ ধ্বনিসমূহ চিনাক্ত কৰে যেনে- 'ঘৰ' শব্দটো কি আদ্যধ্বনিৰে আৰম্ভ হয় ? 'গাখীৰ' শব্দটোৰ অন্ত্যধ্বনি কি ? আৰু 'কঁঠাল' শব্দটোৰ তিনিটা ধ্বনি কি ? |
| ক্ৰম অনুসৰি কোৱা<br>(Sequencing) | এইটো বুজি পোৱাৰ কৌশল, যিটোৱে সাক্ষৰতাৰ সজাগতাত সহায় কৰে। এইটোৱে কোনো এটা সাধু/কাহিনী কি আছিল, বাস্তৱ ঘটনা এটাত কি ঘটিছিল সেইটো সঠিকক্ৰমত চিনাক্ত কৰি সাধু/কাহিনী/বাস্তৱ ঘটনাটো পুনৰাই কোৱাত সামৰ্থ অৰ্জন কৰাটো বুজায় |
| অংশীদাৰী পঠন<br>(Shared Reading) | অংশীদাৰী পঠন হ'ল পৰস্পৰৰ সহযোগত পঢ়াৰ অভিজ্ঞতা। শিক্ষকৰ নিৰ্দেশনা আৰু সহায়ত কিতাপৰ পাঠ এটি শিক্ষক আৰু শিশুসকলে অংশ অংশকৈ পঢ়ে। অংশীদাৰী পঠনত শিক্ষকে শিশুসকলক কিতাপখনত থকা শব্দবোৰ দেখুৱাই দেখুৱাই পঢ়ি যায়। শিক্ষকে ফলপ্ৰসুভাৱে পঠন দক্ষতাৰ বাবে আদৰ্শ পাঠক হিচাপে অংশীদাৰী পঠনত শিশুসকলক সহযোগ কৰে |
| অংশীদাৰী লিখন<br>(Shared Writing) | অংশীদাৰী লিখন ক্ৰিয়া-কলাপত শিক্ষক আৰু শিশুসকলে একেলগে এটা পাঠ ৰচনা কৰে। তেওঁলোকে একেলগে লিখাৰ বাবে একে বিষয়বস্তু বাছনি কৰিবলৈ সিদ্ধান্ত লয় আৰু শিক্ষকে শিশুসকলৰ মতামত/ধাৰণাসমূহ বিষয়বস্তুত সংযোগ কৰিবলৈ কয় আৰু এইখিনি শিক্ষকে এখন চাৰ্ট পেপাৰত বা বৰ্ডত লিখি যায় |

| ক্ৰিয়া-কলাপত ব্যৱহাৰ কৰা পৰিভাষিক শব্দ | বিতং ভাৱে দিয়া হৈছে |
|---|---|
| শব্দাংশ<br>(Syllable) | এটা শব্দত থকা গোট, এটা শব্দও হ'ব পাৰে নাইবা শব্দৰ অংশও হ'ব পাৰে য'ত স্বৰধ্বনি থাকিব লাগিব। উদাহৰণস্বৰূপে কমলা শব্দটোত তিনিটা শব্দাংশ আছে— ক-ম-লা |
| কাল্পনিক ছবিৰে দৰ্শন<br>(Visualisation) | এইটো হ'ল বুজি পোৱাৰ এক কৌশল, যিটোৱে সাক্ষৰতাৰ সজাগতাত সহায় কৰে। পঢ়োঁতাই ডাঙৰকৈ পঢ়ি যাওঁতে পাঠৰ কাল্পনিক প্ৰতিচ্ছবি মনত অংকন কৰে আৰু তেওঁলোকে শুনা কোনো ঘটনাৰ প্ৰক্ৰিয়া বুজি পোৱাত সহায় কৰে। |
| শব্দ সম্ভাৰ<br>(Vocabulary) | শব্দৰ অৰ্থ বুজি পোৱা আৰু কেনেকৈ সঠিকভাৱে ক'ব আৰু ব্যৱহাৰ কৰিব লাগে জনা। শব্দ সম্ভাৰ হ'ল এটা শক্তিৰ ভৰাল য'ত শিশুসকলে নতুন শব্দ অৰ্থপূৰ্ণভাৱে ব্যৱহাৰ কৰিবলৈ শিকে |
| মনত পেলাই শব্দ চিনি পোৱা<br>(Word Recognition) | এইটো হ'ল কোনো সচেতন প্ৰচেষ্টা অবিহনে এটা শব্দ দেখি ইয়াৰ উচ্চাৰণ লগে লগে মনত পেলোৱা। পাঠকে প্ৰতীক বা সাধাৰণতে ব্যৱহাৰ হোৱা শব্দবোৰ মনত পেলাই চিনাক্ত কৰিব পাৰে; যদিওবা তেওঁলোকে শব্দ বৰ্ণবোৰ মনত পেলাব নোৱাৰে |